# বি.এইচ. কলেজ আলোচনী

LIBRARY
No.
No.



5

সম্পাদকদ্বয়

বলোদেৱ ৰাভা
মক্বুল হুচেইন খান

NOT FOR ISSUE

# বি. এইচ্ কলেজ আলোচনী

B. H. COLLEGE LIBRARY
P. O. Howly.
Dist. Kamrup (Assam)
Estd. 1966
Dept. No. P 1593 1595
Acc. No.

একাদশ সংখ্যা

১৯৮৪-৮৫ চন্।

B. H. COLLEGE LIBRARY
ESTD.: 1966
P.O. HOWLY, BARPETA, ASSAM

B. H. COLLEGE LIBRARY
Class No.
Book No. 5
Acc. No.

সম্পাদকদ্বয়—শ্ৰীবলোদেৱ ৰাভা
" মকবুল হুচেইন খান

[ত]ত্ত্বাৱধায়কদ্বয়—শ্ৰীনবীন ভট্টাচাৰ্য্য
" শ্ৰীতড়িৎ চৌধুৰী

NOT FOR ISSUE

# বি· এইচ্ কলেজ আলোচনী

একাদশ সংখ্যা

১৯৮৪-৮৫ চন

সম্পাদনা সমিতিৰ সদস্যবৃন্দ :

অধ্যক্ষ শ্ৰীসত্যনাথ দাস ( সভাপতি )
অধ্যাপক শ্ৰীনবীন ভট্টাচাৰ্য্য (তত্বাৱধায়কদ্বয়)
অধ্যাপক শ্ৰীতড়িৎ চৌধুৰী "
অধ্যাপক শ্ৰীমুনীন্দ্ৰ নাৰায়ণ গোস্বামী (সদস্য)
অধ্যাপক শ্ৰীসুজন চন্দ্ৰ নাথ "
অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ বৰ্ম্মন "
অধ্যাপক শ্ৰীঅৰুণ চন্দ্ৰ দাস "
অধ্যাপক শ্ৰীৰমেন চন্দ্ৰ দাস "
অধ্যাপক শ্ৰীঅমল চন্দ্ৰ ভৌমিক "

শ্ৰীঅশোক কুমাৰ দাস (সাঃ সম্পাদ
শ্ৰীবলোদেৱ বাভা (সম্পাদকদ্বয়)
মকবুল হুচেইন খান "

অংগসজ্জা ও পৰিকল্পনা :
শ্ৰীবলোদেৱ বাভা (সঃ আলোচ

বেটুপাত পৰিকল্পনা :
শ্ৰীবিৰাজ শৰ্ম্মা (প্ৰাক্তন চ

বেটুপাত অঙ্কণ—শ্ৰীলাচিত ডেকা, গুৱাহাটী
ফটো—চিত্ৰছায়া বৰপেটাৰোড
ছপা— গুৱাহাটী প্ৰিণ্টিং ওৱাৰ্কচ, গুৱাহ.

## কৃতজ্ঞতাৰ শৰাই ঃ

সম্পাদনা সমিতিৰ সমূহ সদস্য বৃন্দ।
অধ্যাপক পূৰ্ণকান্ত খাটনিয়াৰ, খৰ্গেশ্বৰ নাথ, উত্তম পাঠক, ৰাজেন চক্ৰবৰ্ত্তী (বি. এন কলে
অধ্যাপিকা হিৰণ শৰ্ম্মা, ফুলকুমাৰী কলিতা।

ছাত্ৰবন্ধু-বান্ধৱীসকল : গোলাপ, অশোক, টংকেশ্বৰ, হিতেশ, ধৰণী, তৰ
খোচেপ, বলেনদা, জজেনদা, চৰিফুল, আছিকুল, কোহিনুৰ, প্ৰবীণ, চন্দ্ৰশেখৰ, বী
পুতুল, ডিম্বেশ্বৰ, নবেন, পল, নিৰুপা, গুণৱতী, ভাগিৰথী, নমিতা, নীৰেন, দুৰ্গে
ৰমেন, জয়ন্ত। পাণ্ডুলিপিত সহায় কৰা ভাইটিসকল : প্ৰাণজিৎ, মনোজ, ধীৰেণ, ৱ
দীনেশ, শৰৎ, সঞ্জীৱ, কিশোৰ, হৰেন আৰু বন্ধু প্ৰবীণ দাস।

ইয়াৰ উপৰিও বহুকেইজন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৰ নাম ঠাইৰ অভা
দিব নোৱাৰাত তেখেতসকলক আন্তৰিকতাৰে সুঁৱৰিছোঁ।

লগতে ছপাশালৰ মালিক শ্ৰীমনোজ শৰ্ম্মা আৰু কৰ্মচাৰীসকল—সৰ্বশ্ৰী মানিক, কা
বংশী, সুবল, কনক, ৱজেন, করুনা, কালু, দীনেশ গোস্বামীক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইতি

—সম্পা

B. H. COLLEGE LIBRARY
P. O. Howly.
Dist. Kamrup (Assam)
Estd. 1966
Dept. No....... P1599
Acc. No. ........ 1599

## —উচৰ্গা—

অসমী আইৰ মাতৃভাষা আৰু অস্তিত্ব ৰক্ষাৰ
বাবে যুঁজি যি সকল মহান বীৰ-বীৰাঙ্গনাই
নিজৰ ক'ত সাধনাৰ অমূল্য জীৱন
হাঁহিমুখে বিসৰ্জন দি
তিল্ তিলকৈ
মৃত্যুক
সাৱতি
ইহজগতৰ পৰা
চিৰ-বিদায় ললে
সেইসকল শ্বহীদৰ
পৱিত্ৰ
স্মৃতিত
এগছি চিৰ উজ্বল
শলিতা জ্বলাই
এই আলোচনীখন
শ্ৰদ্ধাভক্তিৰে উচৰ্গা কৰিলোঁ।

* * * * * *

## শুভেচ্ছা বাণী

কোনো এখন শিক্ষানুষ্ঠানৰ পৰা প্ৰকাশ কৰা এখন আলোচনীয়ে সেইখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মুক্ত চিন্তাক সফলতাৰে প্ৰকাশ কৰাত সমৰ্থ হয়। বি. এইচ্. কলেজ (হাউলী)ৰ ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰ পৰাও বছেৰেকীয়া আলোচনীৰ প্ৰকাশৰ ব্যৱস্থা কৰাটো জানিব পাৰি আমি আনন্দ পাইছো। বুঢ়া লুইতৰ দুয়োপাৰে পাহাৰ আৰু ভৈয়ামৰ বিভিন্ন জাতি, উপজাতি, বিভিন্ন ধৰ্ম্মাৱলম্বীলোক, বিভিন্ন ভাষা-ভাষী লোকৰ সমন্বয়তে গঢ়ি উঠিছিল অসমৰ অসমীয়া জাতি, ভাষা, সংস্কৃতি। ছয় বছৰীয়া সুদীৰ্ঘ আন্দোলনৰ পৰিসমাপ্তিৰ পাচত আজি নতুন অসমৰ বুনিয়াদ হৈছে ঐক্য, শান্তি, প্ৰগতি। আমি আশা ৰাখিছো বি. এইচ্. কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে, অসমখনক নতুনকৈ গঢ়ি তোলাত সহায়ক হব।

মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকললৈ (জাতি, বৰ্ণ, ভাষা নিৰ্বিশেষে) মই মোৰ অভিনন্দন জ্ঞাপন কৰিছো। জয় আই অসম!

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত
সভাপতি,
সদৌ অসম ছাত্ৰ সন্থা

গুৱাহাটী—১৪
১০/৯/৮৫

* * *

## শুভেচ্ছা বাণী

প্ৰতি

সম্পাদক, বি. এইচ্. মহাবিদ্যালয়ৰ আলোচনী বিভাগ।

তাং ৯/৯/৮৫ ইং

বন্ধুবৰ,

আপোনালোকৰ মহাবিদ্যালয়ৰ পৰা প্ৰকাশ কৰিব বিচৰা আলোচনীখনে অসমীয়া ভাষা সাহিত্যত নতুন দিশ নিৰ্ণয় কৰিব বুলি আশা কৰিলো। আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰিলো। ধন্যবাদ সহকাৰে। ইতি—

শ্ৰীনগেন শৰ্ম্মা
উপদেষ্টা, সদৌ অসম ছাত্ৰ সন্থা।

B. H. COLLEGE LIBRARY
P. O. Howly.
Dist. Kamrup (Assam)
Estd; 1966
Dept. No......
Acc. No.

## সম্পাদকীয়

জয় জয়তে বি. এইচ্. কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধেয় শিক্ষকবৃন্দলৈ আমাৰ হিয়াভৰা অভিনন্দন আৰু কৃতজ্ঞতা স্বীকাৰ কৰাৰ লগতে বিভিন্ন আহুকাল আৰু বেমেজালিৰ মাজেদি হলেও বি. এইচ্. কলেজ একাদশ সংখ্যা আলোচনীখন আপোনালোকৰ হাতত তুলি দিবলৈ আমি সমৰ্থ হৈছো। বিগত বছৰটো অসমীয়া ৰাইজ আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক যুগ বিবৰ্তনৰ বছৰ, এক অতি গুৰুত্বপূৰ্ণ আৰু অনিশ্চয়তাৰ বছৰ হিচাপেই গণ্য হৈছিল। ভাৰতীয় ৰাজনৈতিক মঞ্চৰ পট পৰিবৰ্তন হোৱাৰ লগেই অসমৰ ৰাজনীতি আৰু সমাজ ব্যৱস্থাতো এক বিশেষ পৰিবৰ্তন হোৱা আমাৰ পৰিলক্ষিত হৈছে। এক সুদীৰ্ঘ সময় জুৰি থকা আন্দোলন আৰু অসমৰ স্বাৰ্থ আৰু এক সোণালী ভৱিষ্যতৰ প্ৰগতিৰ বন্ধ দুৱাৰ উন্মুক্ত কৰাৰ সচেতন প্ৰচেষ্টাই ১৯৮৫ চনটো অসমীয়া জন-জীৱনৰ এক মহান সন্ধিক্ষণ, উৎকণ্ঠা আৰু আপেক্ষিক আবেগৰ এক চৰম মুহূৰ্ত বুলি কলেও ভুল নহয়।

আলোচনী প্ৰকাশৰ বাবে অইন বছৰৰ দৰে এই বছৰো আমি বাৰে বাৰে ছাত্ৰ-ছাত্ৰী-সকললৈ বিভিন্ন জাননী দিয়া স্বত্বেও প্ৰকাশোপযুক্ত ৰচনা আমাৰ হাতত পৰা নাছিল। তাৰোপৰি আলোচনী প্ৰকাশৰ বাবে যোৱা নৱেম্বৰ মাহৰ পৰা বিভিন্ন প্ৰেছৰ লগত আলোচনা কৰাৰ পিচতো কোনো এটা প্ৰেছে নিৰ্ব্বাচনৰ কাম কাজবোৰ নিস্পত্তি কৰি তোলাৰ আগতে আলোচনীৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰা নাছিল। সেই হেতুকে আলোচনীখন প্ৰকাশৰ বাবে যথেষ্ট ঘোমাজি কৰাৰ পিচতো আমি নতুন বছৰৰ তৃতীয় মাহতহে উলিয়াবলৈ সক্ষম হলোঁ। আমাৰ এই অনিচ্ছাকৃত ত্ৰুটীৰ বাবে আমাৰ ছাত্ৰ সমাজ আৰু সুধী শিক্ষকবৰ্গই ক্ষমা নকৰিব জানো?

বি. এইচ্. কলেজ অসমৰ এক ঐতিহ্যমণ্ডিত আৰু মহান পৰম্পৰা সম্বলিত উচ্চ শিক্ষাৰ পীঠস্থান। এই কলেজৰ এক স্বকীয়া মৰ্যাদা আছে আৰু বিগত বছৰবোৰত এইখন কলেজে অসমৰ বৌদ্ধিক, সাংস্কৃতিক আদি বিভিন্ন বিষয়ত এক গুৰু দায়িত্ব সুকলমে পালন কৰি আহিছে। ঐতিহ্য মণ্ডিত অসমৰ পৌৰাণিক বুৰঞ্জীৰ পাতত সোণালী আখৰেৰে পৰিচিত হাউলী স্বদেশ প্ৰেমীক ৰাইজৰ অতি আদৰৰ এইখন কলেজত এক ঐতিহাসিক পটভূমিও নথকা নহয়। এইখন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে স্বদেশ প্ৰেমক সাৰোগত কৰি বিভিন্ন লাঞ্চনা আৰু জীয়াতু ভুগি অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত অৱতীৰ্ণ হৈয়েই ক্ষান্ত থকা নাই অথচ বছৰে বছৰে বিভিন্ন বিষয়ত সোণালী অখলাৰে অগ্ৰসৰ হৈ আহিছে। তাতেই নিহিত হৈ আছে বি. এইচ্. কলেজৰ ঐতিহ্য আৰু ভৱিষ্যতৰ সম্ভাৱনা।

শৈক্ষিক দিশত এইখন কলেজৰ কৃতী শিক্ষকচামে ছাত্ৰ-ছাত্ৰীক অতি আদৰ-যত্ন আৰু নিষ্ঠাৰে শিক্ষা দান কৰি আহিছে। যত্ন কৰিছে সৰ্বতোপ্ৰকাৰে নিজৰ প্ৰতিভাৰ সম্যক বিকাশ ছাত্ৰ-ছাত্ৰীচামৰ মাজেৰে প্ৰকাশিত হোৱাৰ বাবেই। সেয়ে অসমৰ বিভিন্ন কলেজৰ তুলনাত এই কলেজত শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধ অতি মধুৰ আৰু আপোন। সেই প্ৰেৰণাৰ বলতেই বছৰে বছৰে কলেজখনৰপৰা বিভিন্ন চূড়ান্ত পৰীক্ষাবোৰত বিশ্ববিদ্যালয়ৰ কৃতী আৰু যশস্বী ছাত্ৰ-ছাত্ৰী ওলাই আহিব পাৰিছে। আমি নিজকেই এই কলেজখনক লৈ গৌৰৱান্বিত বোধ কৰোঁ।

কিন্তু এই সকলোবোৰ থাকিও আমি মাজে মাজে অনুভৱ কৰো যেন বি. এইচ্. কলেজত কিছুমান অতি নাগতিয়াল অথচ স্বীকাৰ্য্য বিষয়ত জঠৰতা আহি পৰিছে। সাহিত্য এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। সাহিত্যক জীয়াই ৰাখে সমাজে আৰু সমাজখন প্ৰতিষ্ঠিত হ'ল শিক্ষিত জনগণৰ আদৰ্শৰ ওপৰতেই। সেয়েই কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ লগত আত্মিক সম্বন্ধ বৰ্তমান। উপযুক্ত ৰচনাৰ অভাৱত যেতিয়া কলেজৰ বাৰ্ষিক মুখপত্ৰ এখন প্ৰকাশিত হোৱাত বাধাপ্ৰাপ্ত হয়, তেনে ক্ষেত্ৰত জানো এনেদৰে চিন্তা কৰা উচিত নহয়? আমি আশা ৰাখিছো যে, আগন্তুক বছৰবোৰত সৃজনীমূলক প্ৰতিভাই সম্যক বিকাশ লাভ কৰি ভাষা-মাতৃক সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিব।

সুদীৰ্ঘ কালৰাত্ৰিৰ অৱসান হ'ল। ৰুদ্ধদ্বাৰ খোল খালে। নতুন যুগৰ নতুন পুৰুষৰ কান্ধত এতিয়া গুৰুভাৰ উপস্থিত। জাতি, ধৰ্ম, বৰ্ণভেদ পৰিহাৰ কৰি হাজাৰ হাজাৰ নতুন অসমীয়া ডেকাৰ সংকল্পৰ লগত বি. এইচ্. কলেজৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নতুন অসম গঢ়াৰ চন্দনত স্বাক্ষৰ কৰিব লাগিব। গীৰ্জা, মন্দিৰ আৰু মছজিদৰ ভেদাভেদৰ তীব্ৰতা আঁতৰাই এক মহান অসমীয়া জাতি গঠনত কলেজৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য আছে। সমাজৰ কু-সংস্কাৰ আৰু এলাহকুলীয়া কু-প্ৰথা নিৰ্মূল কৰিব নোৱাৰিলে উচ্চ শিক্ষাৰেই বা সাৰ্থকতা ক'ত? নতুন পুৰুষে নতুন চিন্তা আৰু কৰ্ম প্ৰেৰণাৰে নতুন অসম গঢ়িব লাগিব।

আমাৰ দৃষ্টিগোচৰ হৈছে যে ছাত্ৰ-ছাত্ৰীৰ দৈহিক আৰু মানসিক বিকাশত খেলা-ধূলা, ব্যায়াম আৰু সাংস্কৃতিক দিশ আদিৰ যথেষ্ট অৱিহণা আছে। এই বিভিন্ন দিশবোৰত অনুপ্ৰেৰণা যোগাবলৈ মাত্ৰ সাতদিনীয়া কলেজ সপ্তাহ এটাই যথেষ্ট নহয়। বি. এইচ্. কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে বিভাগীয় কতৃপক্ষৰ পৰা এইদিনি সুবিধা আদায় কৰাত পিচ হুঁহকিলে নিজৰ ভৱিষ্যতক ফাঁকি দিয়া হব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে এনেবোৰ বিষয়ত অগ্ৰগামী হৈ সমাজ তথা নিজৰ ঐহিক, দৈহিক সুখ্যাতি সাধনত ব্ৰতী হোৱা একান্ত বাঞ্ছনীয়। আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে এইবোৰ বিষয়তে বহুতো পিচ পৰি ৰখা যেন আমাৰ অনুমান হৈছে। অৱশ্যে এয়া এটি অতি সুখৰ বিষয় যে বি. এইচ্. কলেজত



উচ্চ মানদণ্ডৰ কুইজ প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা আদিৰ নতুন পটভূমিয়ে সেই অভাৱ যৎকিঞ্চিৎ হলেও আঁতৰাব পাৰিব বুলি আমাৰ ধাৰণা হৈছে।

এই সন্দৰ্ভতে আমি জনাবলৈ গৌৰৱান্বিত হৈছোঁ যে বি. এইচ্. কলেজৰ সুবৰ্ণজীত এইবাৰেই পোন প্ৰথম বাৰৰ বাবে সাহিত্য আৰু চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈ যায়। এই ক্ষেত্ৰত এই নতুন চিন্তাক খোৰাক যোগায় আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীনবীন ভট্টাচাৰ্য্যদেৱে। চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত মুনীন্দ্ৰ নাৰায়ণ গোস্বামীদেৱে। অতি কম সময়ৰ ভিতৰতে সামান্য সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু বিভাগীয় অধ্যাপক শ্ৰীযুত নবীন ভট্টাচাৰ্য্য আৰু শ্ৰীযুত তড়িৎ চৌধুৰীদেৱৰ তত্ত্বাৱধান আৰু অক্লান্ত সহযোগিতাৰ বাবে চিত্ৰ প্ৰদৰ্শনীয়ে কলেজ ইতিহাসত এক গৌৰৱৰ স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। প্ৰতিজন দৰ্শকেই প্ৰদৰ্শনীৰ গুণমুগ্ধ হৈ পৰিল। ফলত বি. এইচ্. কলেজৰ বহুতো সুপ্ত প্ৰতিভাৰ স্বাক্ষৰ পোৱা গ'ল। পেঞ্চিল আৰ্ট, ৱাটাৰ কালাৰ, অয়ল পেইণ্টিং আদি বিভিন্ন বিষয়ত কেবাজনো কৃতী ছাত্ৰ-ছাত্ৰীক বঁটা দিয়া হ'ল। প্ৰদৰ্শনীখন চাই, বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীযুত দেৱপ্ৰসাদ বৰুৱাই আমাক যিখিনি উৎসাহ আৰু প্ৰশংসা আগবঢ়াইছিল, তাৰ বাবে আমি তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। চিত্ৰ প্ৰদৰ্শনীৰ লগতে পোন প্ৰথম বাৰৰ বাবে তিনি মহীয়াকৈ কলেজৰ প্ৰাচীৰ পত্ৰিকাখনো প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কলেজ সপ্তাহত প্ৰথমখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱে।

শেষত আৰু—হৃদিমান কথাৰ বিষয়ে অলপ উনুকিয়াই নথলে আমাক নিজকে অপৰাধী যেন লাগি থাকিব। কলেজ আলোচনী প্ৰকাশৰ বাবে পোৱা ধনৰ পৰিমাণ আইন কলেজৰ তুলনাত নিচেই তাকৰ। তাকৰীয়া পৰিমাণৰ ধন হাতত লৈ কলেজৰ মান বিশিষ্ট আলোচনী এখন উলিওৱা সম্ভৱ নহয়। আমাৰ আশা থাকিল যে উচ্চমান-বিশিষ্ট আলোচনী এখন উলিয়াবলৈ কৰ্তৃপক্ষই ভৱিষ্যতে উপযুক্ত পৰিমাণে ধনৰ পৰিমাণ আগবঢ়াব।

শেষত আমাৰ অনিচ্ছাকৃত ভুল-ক্ৰুটিৰ বাবে আমি আকৌ এটিবাৰ আপোনালোকৰ পৰা ক্ষমা বিচাৰিছো। আলোচনীখন প্ৰকাশৰ বাবে আমাক বিশেষভাৱে সহায়-সহযোগ কৰাৰ বাবে পূজনীয় শিক্ষক আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ ওচৰত চিৰ কৃতজ্ঞ। ধন্যবাদেৰে—

—সম্পাদকদ্বয়।

# সূচীপত্ৰ

## কবিতা


১। সফল মৃত্যু—৯
২। যোদ্ধা—৯
৩। সোণৰ অসমী আই—১০
৪। ভাল পাওঁ কাক ?—১০
৫। অব্যক্ত সুৰ—১১
৬। তয়েই জানো সেই ভাৱতীৰ—১১
৭। স্বাৰ্থপৰ—১২
৮। শঙ্কা—১২
৯। কৃষি শক্তিৰ অৰ্থনৈত সমাজ—১৩
১০। তাজমহল—১৩
১১। প্ৰেৰণা—১৪
১২। বৰ্ষা—১৪
১৩। ধুমুহা বতাহ আকে—১৫
১৪। অভিমান—১৫
১৫ শূন্যতা—১৬
১৬। জীয়া কংকাল—১৬


## প্ৰবন্ধ


১। বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা—১৭
২। সামাজিক বিকাশত সাহিত্যৰ অৱদান—২১
৩। প্ৰসঙ্গ: ব্ৰ্যান থিয়েটাৰ—২৪
৪। ড° ভূপেন হাজৰিকা আৰু আন্দোলনৰ নেতৃবৰ্গ—২৭
৫। ধৰ্ম্ম সাহিত্যত—সমন্বয়—৩২
৬। চিগাৰেট খোৱাৰ ভয়াবহতা—৩৮
৭। জীৱৰ মায়া ভৱৰ উপায়ত:
মহাপুৰুষ শংকৰ-মাধৱৰ লিখনি—৪৩


## সাক্ষাৎকাৰ


১। সাক্ষাৎ প্ৰসঙ্গ—৪৮


## গল্প


১। অন্য এক অনুভূতি—৫২
২। হে দেশদ্ৰোহী, তোমাক স্বাগতম্ ! —৫৫
৩। পূৰ্ব স্মৃতি—৬০
৪। নবাগত আগমনি—৬৫
৫। ভক্তি কৰ্মফল আৰু সি—৭১


## প্ৰতিবেদনৰ শিতান


১। সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—৭৩
২। সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন—৮২
৩। গুৰু খেল বিভাগৰ সঃ প্ৰতিবেদন—৮৪
৪। ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—৮৫
৫। ব্যায়াম বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—৮৬
৬। সমাজ সেৱা বিভাগৰ সঃ প্ৰতিবেদন—৮৭
৭। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—৮৮
৮। ছাত্ৰী জিৰণি কোঠাৰ সঃ প্ৰতিবেদন —৮৯


## বাৰ্ষিক মহোৎসৱৰ ফলাফল


১। সাংস্কৃতিক বিভাগ—৯০
২। ক্ৰীড়া বিভাগ (ল'ৰা)—৯২
৩। ছাত্ৰী জিৰণি কোঠাৰ প্ৰদৰ্শনীৰ ফলাফল—৯৩
৪। ব্যায়াম বিভাগৰ ফলাফল—৯৪
৫। গুৰু খেল বিভাগৰ ফলাফল—৯৫
৬। ক্ৰীড়া বিভাগৰ ফলাফল (ছোৱালী)—৯৬
৭। ছাত্ৰ জিৰণি কোঠাৰ ফলাফল—৯৬
৮। আলোচনী বিভাগৰ চিত্ৰ প্ৰদৰ্শনীৰ ফলাফল—৯৭



ছপা: গুৱাহাটী প্ৰিণ্টিং ওৱাৰ্কচ, চেনিকুঠি, গুৱাহাটী—৩

# কলেজৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ সদস্যসকল

১৯৮৪-৮৫ চন।



বাওঁফালৰ পৰা সোঁফাললৈ

প্ৰথম শাৰীত (বহি)—শ্ৰীগঙ্গাধৰ দাস (উপ সভাপতি), শ্ৰীঅশোক কুমাৰ দাস (সাঃ সম্পাদক), শ্ৰীনিৰ্মল কুমাৰ বৈশ্য (তত্বাঃ লঘু খেল বিভাগ), শ্ৰীভূপেন ডেকা (তত্বাঃ সাং), শ্ৰীবিৰীন্দ্ৰ কুমাৰ দাস (উপাধ্যক্ষ, তত্বাঃ সাঃ সম্পাদক), শ্ৰীসত্যনাথ দাস (অধ্যক্ষ), শ্ৰীৰাধাচৰণ বাড়া (তত্বাঃ সমাজ সেৱা), শ্ৰীনিশিকান্ত ডেকা (তত্বাঃ ব্যায়াম বিভাগ), শ্ৰীকৃষ্ণ কিশোৰ মহন্ত (তত্বা. ক্ৰীড়া বিভাগ), শ্ৰীহিৰণ শৰ্মা (তত্বাঃ ছাত্ৰী জিঃ কোঃ)।

প্ৰথম শাৰীত (থিয় হৈ)—সৰ্বশ্ৰী মহেশ কেলীয়া (সঃ লঘু খেল বিভাগ), বলোদেৱ বাড়া (সঃ আঃ বিঃ), জয়ন্ত কুমাৰ নাথ (সাং সম্পাঃ) চানমোহন বৈশ্য (সঃ গুৰু খেল বিঃ) ছফিকুল ইছলাম (সঃ সাঃ সম্পাদক), দিলীপ কুমাৰ ৰক্ষিত (সঃ সমাজ সেৱা), ৰেজাউল কৰিম আহমেদ (সঃ ক্ৰীড়া বিভাগ) মহবুব হুছেইন খান (সঃ আঃ বিঃ), মিচ্ কোহিনুৰ বেগম (ছাত্ৰী জিঃ কোঃ সম্পাদিকা), মিচ্ হেলেনমণি দাস (শ্ৰেণী প্ৰতিনিধি), মিচ্ নিৰুপমা লোহাৰ (শ্ৰেঃ প্ৰতিনিধি)।

দ্বিতীয় শাৰীত (থিয় হৈ)—তুৰণান আলি (সম্পাদক তৰ্ক বিভাগ), চাংজাহান আলি (শ্ৰেঃ প্ৰতিনিধি), দিপ-কল বৈৰাগী (সঃ ছাত্ৰ জিঃ কোঠা), টংকেশ্বৰ কলিতা (শ্ৰেঃ প্ৰতিনিধি), গণপতি দাস (সঃ ব্যায়াম বিভাগ)।

## কবিতা

# সফল মৃত্যু

প্ৰভাতি পখীয়ে আজি
জনাইছে তোমাক স্বাগতম্ ।
শুনিছানে নাই তুমি
আকাশৰ বুকুত আনন্দৰ দুন্দুভি !
চৌদিশ মুখৰিত কৰি
ইয়াতো বাজিছে আজি
আনন্দৰ বীণা ধ্বনি ;
তোমাৰ মৃত্যু আজি
সফল হ'ল
( বহু বছৰ পিছত )
শুনি তুমি হৈছানে সুখী ?
তোমাৰ আশা আজি
পূৰণ হ'ল ।
( কিমান নুৰ নাজানো )

মিচ্ নমিতা চৌধুৰী
টি-ডি-চি, ২য় বাৰ্ষিক
[কলা]

# ক্ষোভ

দুৰৰি বনৰ পাতৰ আগেদি
যেতিয়া টোপাটোপে নিয়ৰ সৰে ;
সেই গম্ভীৰ তমসা ৰাতি
কোন দুখুনী মাতৃৰ
ধাৰাসাৰ চকুলো বাগৰে ।
দেশ-মাতৃক ৰক্ষা কৰিম বুলি
প্ৰতিবাদ কৰোঁতে
গান্ধীৰ মন্ত্ৰ উচ্চাৰণ কৰোঁতে
বৈ গ'ল কত জোৱানৰ
উষ্ণ তেজৰ ঢল ;
শ্মশান শুৱনি কৰা
আঁউসীৰ ৰাতি
সহস্ৰ জনতা
আশ্ৰয় বিহীন হ'ল ।
জন্মদাতৃ মাতৃৰ হিয়া ভগা
কান্দোনৰ স্বৰে
কঁপোৱা নাই এতিয়াও
ৰক্ত পিপাসুৰ বুকু ;
দিছে মাথো মৃত্যু উপহাৰ ।
শ্বহীদৰ তেজেৰে ৰঞ্জিত
অত্যাচাৰীৰ দল
আৰুনো কিমান দিন
খেলিবা লুকা ভাকু ।

শ্ৰীভাগীৰথী শইকীয়া
স্নাতক, ২য় বাৰ্ষিক
[কলা]

## সোণৰ অসমী আই

তেজেৰে ৰাঙলি
    সোৱা ৰাজপথ,
দেখিছানে ভাই
    সোণৰ অসমী আই।
পবিত্ৰ আজি
    সোৱা ৰাজপথ,
তেজেৰে বৈছে নৈ
    দেখিছানে ভাই,
    সোণৰ অসমী আই।
দেশৰ বাবে, জাতিৰ বাবে
    নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে,
কতনো শ্বহীদ হ'ল !!
শ্বহীদ-মাতৃৰ শুনা উচুপনি,
অসম আকাশত তোলে ৰুলজনি,
মৃত্যুঞ্জয়ীৰ অক্ষয় বাণী
    শুনা পাঞ্চজন্য শঙ্খধ্বনি,
অজৰ, অমৰ ত্ৰিকাল জয়ী;
    শুনিছানে ভাই,
        সোণৰ অসমী আই;
        সোণৰ অসমী আই ॥

মিচ্, মিনু নাথ
স্নাতক মহলা, দ্বিতীয় বাৰ্ষিক [কলা]

## ভাল পাওঁ কাক?

সমীৰণে কই যায়
    কাণে কাণে মোক
    "কোন হেৰা আপোন তোমাৰ"?
মিচিকিয়া হাঁহি মাৰি
    দিওঁ সমিধান
    নাইযে কোনো আপোন মোৰ।
লাহে লাহে এটি হায়
    বিষাদৰ সুৰ
    বিশ্বভূৰি বিয়পি পৰিল,
বিৰহীৰ প্ৰাণ জাত
    নব আবেগেৰে,
    থকু বকু উথলি উঠিল।
গুপুতে সুধি যায়
    ভাল পাওঁ কাক
কলো মই কোমল সুৰত
    ভালপাওঁ তেওঁকেই
    সাম্যবাদীজন
    থাকে প্ৰভু অতিকে দূৰত।

মিচ্, আনোৱাৰা খাতুন
এইচ. এচ ১ম বাৰ্ষিক [বাণিজ্য]



## অব্যক্ত সুৰ

বন্ধু.........
এয়া নিস্তব্ধ ৰজনী
    আৰু এন্ধাৰৰ অপাৰ বিস্তৃতি।
    আকাশত নাই তৰাৰ নাচোন
মাথো.......কাল বাৰিষাৰ ঘনঘোৰ
    ক'লা মেঘেৰে আবৃত আকাশ।
ব্যৰ্থতাৰ টোপনিৰ অবসানে
    জগাই তুলিছে মোক।
অ.........তুমি চাগৈ আছা অট্টালিকাৰ
    এটি নিভৃত কোণত।
পান কৰি সোমৰস কিম্বা আফিং মিহলি মদ
আমি কিন্তু আছো বন্য জন্তুৰ দৰে
    আশা নিৰাশাৰ সেই এলাণ্ডুকলীয়া
    জগা জুপুৰীত, খেৰ আৰু খাগৰিৰ
    হয় যত অলেখ আশাৰ সমাধি।
কোনো পানীয় নাই আমাৰ বাবে
    আছে মাথো সমাজত নিষ্পেষিত, বঞ্চিত
    হোৱাৰ কণ্ঠৰোধী ভয়।
কিন্তু বন্ধু...........
    জীৱনক সুন্দৰ কৰাৰ
    মোহভংগ স্বপ্নই আমাকো পিয়ালে মদ
    যি মদৰ দমিত বাষ্পই
    অকলে উদ্গীৰণ কৰি
    ভাঙি দিব তোমাৰ আৰু
        বহুতৰ অট্টালিকাবোৰ!

শ্ৰীভূদেৱ পাঠক
উঃ মাঃ ১ম বাৰ্ষিক [বাণিজ্য]

## তেৱেঁই জানো সেই ভাৰতীয়...

প্ৰতি টোপাল ঘামেৰে,
প্ৰতিটো তেজৰ চেকুবাৰে,
প্ৰতিটো নাঙলৰ সীৰলুক সিক্ত কৰি
ধৰণী সেউজ কৰি, পথাৰ সোণালী কৰি;
নিজে অনাহাৰে থাকি, জনতাক জীয়াই ৰখা,
তয়ে জানো সেই ভাৰতীয় খেতিয়ক?
প্ৰতিটো ইটা গাঠি, প্ৰতিটো শিল ভাঙি,
নিজে জ্যোতিহীন দৰে নভত তৰা গঢ়ি,
ৰাজকাৰেং সাজি, আনক স্বৰ্গত ৰখা,
তয়ে জানো সেই ভাৰতীয় খনিকৰ??
প্ৰতিটো মুহূৰ্ত্ত মূল্যাঙ্কন কৰি
প্ৰতিটো কাৰখানাত কাম কৰি,
প্ৰতিটো কাৰখানা গঢ়ি,
নিজে অৰ্দ্ধাহাৰে থাকি, আনৰ পেট প্ৰবৰ্দ্ধোৱা,
তয়ে জানো সেই ভাৰতীয় শ্ৰমিক???
যাৰ প্ৰতিটো আৰ্ত্তনাদে জ্বলাব খোজে
        এক লেলিহান শিখা,
যাৰ প্ৰতিটো কোলাহলে ভাঙিব খোজে
        এই সমাজ;
যাৰ প্ৰতি টোপাল ঘামে, প্ৰতি টোপাল তেজে,
গঢ়িব খোজে এক সাম্য সমাজ,
তয়ে জানো সেই ভাৰতীয় নাগৰিক????

শ্ৰীসনাতন কলিতা
এইচ-এচ ১ম বাৰ্ষিক [কলা]

## স্বাৰ্থপৰ

হেৰো স্বাৰ্থপৰ
দেশ নেতাবোৰ
মুখেৰেহে বৰ বৰ
চৌদিশে লক্ষ্য কৰ
বিদেশীয়ে ভাঙিলে গড় ।
নামত হে বৰ নেতা
নিজৰ স্বাৰ্থত আধাপোতা
লাচিতৰ গড় গল ভাঙি
বিদেশীয়ে ধৰিলে চানি ।
মনত তোমাৰ বৃহৎ আশা
বিদেশীয়ে পাতিব নেতা
জাহ যাওক অসমীয়া
এইটোৱে তোমাৰ শেষ কথা ।
কিন্তু ? চাবা হেৰো দেশ নেতা
তোমাৰ স্বাৰ্থত পৰিব ভেটা
যিমান কৰিবা ছল
ধৰা পৰিব কৌশল ;
জাগি উঠিছে নতুন পুৰুষ দল ।
কুতিত্ব স্মৰৰি লাচিত মূলাৰ
পুনৰ সাঁজিব লাচিতৰ গড়
বিদেশীও মাৰিব লৰ
তেতিয়া কমিব বাহুত বল
হেৰো স্বাৰ্থপৰ জাৰজ দল ।

## শঙ্কা

চাওঁচোন ইয়াত আৰু কিমান
দিন থাকিব পাৰি
ৰ'দ, বতাহ, বৰষুণ সকলো আওকান কৰি
কেতিয়াবা ভাবো, হৃদয়ে আহৰি
এবুকু প্ৰাণখুলি ইহাৰ,
আনন্দতে
এটোপাল চকুলো টুকাব
সে সময়েই নহয়
প্ৰাত্যাহিকতাই কুটি কুটি খাব
যেজাৰতো ফুটি থকা গুলুৰ মিঠা মাতবাৰ !!

শ্ৰীগীতা পাঠক
বি. এ প্ৰথম বাৰ্ষিক [কলা]

---

নতুন পুৰুষৰ আছে বহুত বল
খেদাতাই দিব বিদেশীৰ ৰোল
উজ্বলি উঠিব জয়সাগৰ, জয়দৌল
অসমীয়াই সিচিব শান্তিৰ জল
যুগমীয়া হৈ বব লাচিত মূলাৰ বাহুৰ বল ॥

শ্ৰীকৃপা নাথ
উঃ মাধ্যমিক ১ম বাৰ্ষিক [কলা]



## কুৰি শতিকাৰ অৰ্ধ নগ্ন সমাজ

কুৰি শতিকাৰ
অৰ্ধ নগ্ন সমাজত
কলা বোবাৰ আৰ্তনাদ
আৰু বে-বে-বে !
হাতত সিহঁতৰ মলিন পাত্ৰ
জীয়াই থাকিবলৈ
খোৱাৰ হেঁপাহ ।
প্ৰতিটো পুৱাতেই কাঠিন্য
মৰিচীকা মাত্ৰ ।
হায় বিগত বিকলাঙ্গ বৰ্ষ
তোৰ মৃত্যু হ'ল ।
তোৰ জনম যে অৰ্ধনগ্ন সমাজত
জন্ম তোৰ মগ্নতাৰ ঔৰসত ।
মগ্নতাক তই লাভ কৰা বাবে
এই ইচ্ছা মৃত্যু ।
সিহঁতে বন্ধা হৈ জ্বলিছে
ধ্বজাধাৰী সভ্যতাৰ উপহাসত,
সিহঁতৰ প্ৰতিটো ৰাতিয়েই কৈছে
পুৰুষৰ পোহৰ আমাকো দিয়া,
....দৃষ্টি মিদিলেও বৃষ্টি দিয়া
অৰ্ধনগ্ন সমাজক ধুই নিয়া ।

শ্ৰীকিৰণ নাৰায়ণ অধিকাৰী
বি. কম. ২য় বাৰ্ষিক

## তাজমহল

বিশ্বৰ অদ্বিতীয় কলংক
আলিজানৰ হাতে নিৰ্মিত
যমুনা তীৰৰ
তাজমহল চাহজাহানৰ ।
দৰিদ্ৰ জনতাৰ
কৰৰ বোজাত
ওলাই অহা হুমুনিয়াহ আৰু
অভিশাপবোৰে ছাহজাহানক
পংগু কৰি তোলে,
ঔৰংজেৱৰ বন্ধ কাৰাগাৰত ।
নীচাত্ম প্ৰেমৰ চানেকীত
গঢ়ি উঠা তাজমহলে
বিচাৰিছিল জানো প্ৰতিদান
দুখনি সুনিপুন হাত
আলিজানৰ ?
আজিও এটুপি চকুলো সৰে—
আলিজান বিবিৰ !
চালে চকু বোৱা
যমুনা তীৰৰ
ছাহজাহানৰ কলংকৰ প্ৰতীক
তাজমহলত ।

শ্ৰীপুলেন্দ্ৰ মোহন দাস
স্নাতক, ২য় বৰ্ষ, [কলা]

Acc. No. 5



# প্ৰেৰণা

সপ্ত স্বৰা নতুন দিগন্তৰে
উদ্বেলিত মন
কবৰাত উভুটি যোৱাৰ দুখ—
থকক বকক খোজ
উজ্জ্বল দিনবোৰৰ, ৰঙীন ছবিৰে
হাত বাউলি মাতে
আগান আবেগত
আৰু মন ধাৱমান,
পোহৰৰ সন্ধানত !
এক অপ্ৰকাশৰ অকুণ্ঠ বেদনা—
আৰু প্ৰেৰণাৰ মঞ্জুল জোৱাৰ
নামে—
হাঁহিবোৰ সৰি পৰে ফুলদৈ
সাহসেৰে ভৰি পৰে মন !!

শ্ৰীঅখিল চন্দ্ৰ নাথ
স্নাতক, ১ম বাৰ্ষিক [বাণিজ্য]

# বৰ্ষা

লুইতৰ বুকুত বৰ্ষাৰ ঢল নামে
বুঢ়া লুইত হৈ পৰে
ষোড়শী গাভৰু
গেৰুৱা আকাশত
সূৰ্য্যৰ পোহৰ
নিষ্প্ৰভ হৈ পৰে !
গিৰিৰ কথা
লুইতে মুখৰে
লুইতৰ বুকুত
তাণ্ডৱ নৃত্য চলে
মানুহৰ ইতিহাস হৈ পৰে
আও পুৰণি
লুইত আগবাঢ়ে
ফেনেঃ ফুটুকাৰে
তীব্ৰ গতিৰে
সাগৰৰ পিনে ।
আনন্দত কিৰিলি কৰে
মেকী, মানাহ আৰু পুঠিমাৰী,
দিখৌ, দিচাং আৰু জাঁজী
বন্ধুৰে আত্মহাৰা।
ধ্বংস হৈ যায়
মানুহৰ সৃষ্টি
তথাপিও আগবাঢ়ো
অসীমৰ পিনে
তৃষিতে মোৰ দৃষ্টি ।

শ্ৰীপুষ্পলতা তালুকদাৰ
বাণিজ্য শাখা প্ৰথম বছৰ



# ধুমুহা বতাহ জাকে

এটা বুলেট
বন্ধুৰ
বুকুতেদি সৰকি গৈছিল,
বন্ধুৰে কলিজাৰ তেজেৰে
আইৰ চৰণ ধুৱাইছিল
বন্ধু শ্বহীদ হৈছিল,
দেশৰ বাবে,
দহৰ বাবে
সমাজৰ বাবে
ন্যায় প্ৰতিষ্ঠা কৰিবলৈ, কৈ
বন্ধুৰ সেই কলিজাৰ তেজ
মই দেখিছিলো।
মোৰ দুহাত
বন্ধুৰ কলিজাৰ তেজেৰে
ৰাঙলী হৈছিল।
সেই তেজ লগা হাতেৰে
শপত খাইছিলো।
সেই দিনা।
আৰু আজি.....?
এৱা মই স্তব্ধ হৈ আছো—
অট্টালিকাবোৰ
এজাক ধুমুহা বতাহে
উৰুৱাই
মোৰ দুচকুলৈ চাবলৈ ।

শ্ৰীদেৱকুমাৰ দাস
বি. কম ২য় বাৰ্ষিক

# অভিমান

তুমি বৈ বৈ আগুৱাই গৈছা
ভাল হয়, পিছত কিবা এৰি আহিছা।
মই কৈছো তুমি ঘূৰি যোৱা
এতিয়াও সময় আছে বিচাৰি পোৱাৰ

জীৱনটো যে বাষ্পময়,
মৰুভিৰা এই জীৱনক লৈয়ে আছিলো।
মিছা অভিমান এৰা,
থাক এৰি আহিছা তাকেই পূজা কৰা।

শ্ৰীমনীন্দ্ৰ দাস
এইচ. এচ. এল. চি
প্ৰথম বাৰ্ষিক [বাণিজ্য]

## শূন্যতা

ৰাজপথৰ সকৰৰ গলিবোৰত
আঁচলৰ গাঠিত জীৱনবোৰ বান্ধি লৈ ফুৰা
দুৰ্ভগীয়াইতৰ—
সকলো গাবলৈ ইচ্ছা,
সকলো খাবলৈ ইচ্ছা,
হাতত কিন্তু বিফল শূন্যতা।

শ্ৰীগোপাল শৰ্মা
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক
[বাণিজ্য]

## জীয়া কংকাল

ৰ'দত শুকায়
ৰৰযুগত তিতি
সৌজন ডেকা ল'ৰা
তাৰ গোটেই
হাড়বোৰ
জকুঙ্জকুকৈ ওলাই পৰিছে
আঃ এটি জীয়া কংকাল।
ডেকা জানো বুঢ়া হব পাৰে?
তাৰ হাতত এডাল লাখুটি
কান্ধত ভিক্ষাৰ জোলোঙা
চকুত অবাৰ্থ এক শূন্য দৃষ্টি
সি যেন মৰীচিকাৰ পিছে পিছে
খেপুৰিবৈয়া পিটিখনেৰে
ক'লা ছালেৰে ৰ'দত শুকাই
ৰৰযুগত তিতি
সেইজন জানো ডেকা লৰা
নে এটি জীয়া কংকাল?

শ্ৰীগণপতি দাস
স্নাতক মহলা, ২য় বাৰ্ষিক
[বাণিজ্য]

## প্ৰবন্ধ

# বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা

অধ্যাপক শ্ৰীসুজন চন্দ্ৰ নাথ

"বুৰঞ্জী" আহোম ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল মূৰ্খৰ শিক্ষাৰ ভঁৰাল। অৰ্থাৎ যি পুথি পঢ়িলে মূৰ্খ ইও জ্ঞান লাভ কৰিব পাৰে। এতেকে আহোমসকলে বুৰঞ্জীৰ শিক্ষা অতীৱ প্ৰয়োজনীয় বুলি ভাবিছিল। বুৰঞ্জী লিখা আৰু পঢ়াটো তেওঁলোকৰ এটা পৰম্পৰা ৰীতি আছিল।

সংস্কৃতৰ "ইতিহাস" শব্দৰ অৰ্থ আমি সাধাৰণতে বুৰঞ্জী শব্দৰ সমাৰ্থক বুলি ভাবোঁ। কিন্তু আহোমসকলে বুৰঞ্জী মানে যেনেকৈ ৰজা আৰু ৰাজবংশৰ ধাৰাবাহিক বিৱৰণ বুলি জানিছিল, আৰ্য্যসকলে ইতিহাসক তেনে অৰ্থত ভবা নাছিল। আধুনিক যুগৰ বুৰঞ্জী বা ইতিহাস শব্দই যি অৰ্থ বুজায় আৰ্য্যসকলৰ ইতিহাসে সেই অৰ্থ বুজোৱা নাছিল। সংস্কৃতৰ ইতিপূৰ্ব্বক আস্ ধাতুত ঘঞ্ প্ৰত্যয় যোগ হৈ ইতিহাস শব্দ হৈছে। ইয়াৰ অৰ্থ ইয়াকে আদি কৰি যিবোৰ আছে। আৰ্য্যসকলে "ইয়াকে আদি কৰি" মানে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষৰ কথা যত বৰ্ণনা কৰা আছে—তাকেই তেওঁলোকে ইতিহাস বুলিছিল। এতেকে আৰ্য্যসকলেও ইতিহাস অধ্যয়নত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। এনেকি ইতিহাসক বেদৰ পিছতে স্থান দি "পঞ্চম বেদ" বুলি অভিহিত কৰিছিল।

ইংৰাজীৰ History ( His+Story ) শব্দৰ অৰ্থ ঘটনাৰ বিৱৰণ। ব্যক্তি আৰু জাতিৰ জীৱনৰ ঘটনাৰ বৰ্ণনাই—History। গ্ৰীক Histor শব্দৰ পৰাই ইংৰাজী History শব্দৰ উৎপত্তি হৈছে। গ্ৰীক ভাষাত ইয়াৰ অৰ্থ আলোচনা কৰা। গ্ৰীচ দেশৰ সম্ৰান্ত পৰিয়ালৰ লোকসকলৰ বৈঠকখানাত সমসাময়িক ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাৰ আলোচনাই Histor শব্দৰ অৰ্থ।

প্ৰাচীন কালত বুৰঞ্জী বা ইতিহাস শব্দই যি অৰ্থকে বুজুৱাওক কিয়, আধুনিক কালত ইয়াৰ অৰ্থ ব্যাপক হৈ পৰিছে। বুৰঞ্জী বা ইতিহাস মানে এতিয়া আৰু কেৱল অতীত কালৰ ৰজা-মহাৰজাৰ বা যুদ্ধ বিগ্ৰহৰ বৰ্ণনাই নহয়। গুহা-মানৱৰ পৰা বৰ্ত্তমান কাললৈকে মানৱ

জাতিৰ ক্ৰম-বিৱৰ্তনৰ ঘটনাৰাজিয়ে আজিৰ বুৰঞ্জী শব্দৰ অৰ্থ। পণ্ডিত জৱাহৰলাল নেহৰুৰ মতে "History gives as a fascintaing story of 'man's struggle through ages against Nature and the elements against wild beasts of the jungle and last and most difficult of all against some of his own kind, Who have tried to keep him down and exploit him for their own benefit." মানৱ জাতিয়ে সভ্যতাৰ আদিম স্তৰৰ পৰা বহুত ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি আজি উন্নতিৰ বহুত ওপৰলৈ আগবাঢ়ি গৈছে আৰু গৈ আছে। তেওঁলোকৰ এই দীঘলীয়া যাত্ৰা-পথত ৰাখি থৈ যোৱা পদচিহ্ন (ঘটনা) বোৰে বুৰঞ্জীৰ উপাদান। তেওঁলোকৰ মহৎ কৰ্ম, ধ্যান-ধাৰণা আৰু বক্তব্যবোৰেই আজিৰ ইতিহাসৰ প্ৰধান বিষয় বস্তু। আধুনিক ইতিহাসৰ পৰিসৰ কেৱল এখন দেশ বা এটা জাতিৰ মাজতে সীমাবদ্ধ নহয়। ই হৈ পৰিছে বিশ্ব-মানৱৰ ইতিহাস। Ghateৰ মতে "History is a scientific study and a record of our complete past. It is not confined & one country or one period..................... If deals with all places and rigions and continents, where man has gone and lived. It is not interested in individuals as individuals but as contributors to great movements and processes in human life. It is equally interested in political, religious, social, literary and artistic development of a community."

আধুনিক যুগত বুৰঞ্জীৰ অৰ্থ ব্যাপক। কোনো এখন ৰাষ্ট্ৰৰ বা কোনো এটা জাতিৰ বুৰঞ্জী বুলি কওঁতে এতিয়া আমি সেই ৰাষ্ট্ৰৰ বা জাতিৰ সকলো দিশৰ বৰ্ণনাই তাত পাব লাগিব। ভাষা, সাহিত্য, ৰাজনীতি, ধৰ্ম্ম, অৰ্থ, সমাজ-ব্যৱস্থা—সকলো দিশৰ বৰ্ণনা থাকিব লাগিব। ই আৰু এতিয়া কেৱল অতীতৰ ৰজা-মহাৰজা, যুদ্ধ-বিগ্ৰহৰ বৰ্ণনা হৈ থকা নাই। গতিকে এতিয়া আমি কোনো এখন ৰাষ্ট্ৰৰ বা কোনো এটা জাতিৰ বুৰঞ্জী অধ্যয়ন কৰা মানে সেই ৰাষ্ট্ৰৰ বা জাতিৰ সকলোবোৰ দিশ সম্পৰ্কে জনা। অৰ্থাৎ যিবোৰক লৈ এখন ৰাষ্ট্ৰৰ বা এটা জাতিৰ সভ্যতা গঢ়ি উঠিব পাৰে সেই সকলোবোৰ সম্পৰ্কে অধ্যয়ন কৰা। ইতিহাস অধ্যয়নৰ ভবিষ্যতে আমি সমগ্ৰ জাতি সত্তাটোকে জানিবলৈ সক্ষম হওঁ। ই যেন অৰ্জুনে শ্ৰীকৃষ্ণৰ মাজতে সমগ্ৰ বিশ্বৰূপ দৰ্শন কৰাৰ দৰে।

ওপৰত উল্লেখ কৰা বুৰঞ্জীৰ সংজ্ঞাবোৰে বুৰঞ্জী অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে আমাক সহজে বুজিবলৈ সহায় কৰে। মানুহ এজনক স্বয়ং সম্পূৰ্ণ হবলৈ হলে প্ৰথমে তেওঁ নিজকে জনা দৰকাৰ—যাক বেদত কৈছে "আত্মানং বিদ্ধি"। ব্যক্তি এজনে সমাজত তেওঁৰ কেনে স্থান এই সম্পৰ্কে জানিবলৈ হলে যেনেকৈ প্ৰথমতে তেওঁৰ নিজৰে বংশ, পৰিয়াল, শিক্ষা-দীক্ষা, আচাৰ-ব্যৱহাৰ আদি সম্পৰ্কে সম্যকভাৱে জনাৰ দৰকাৰ তেনেকৈ কোনো এটা জাতিৰ বিশ্ব সভ্যতাত কোন স্থান—এই কথা জানিবলৈ হলেও আমি সেই জাতিৰ জাতি-গুৰি, সমাজ ব্যৱস্থা, ৰাষ্ট্ৰ ব্যৱস্থা আদি বিভিন্ন দিশ ভালদৰে জানিব লাগিব। এইবিলাকৰ মানদণ্ডই বিশ্ব সভ্যতাত সেই জাতিৰ স্থান নিৰ্ণয় কৰে। সেই কাৰণে আমি নিজ জাতিৰ বুৰঞ্জী অধ্যয়ন কৰা নিতান্ত দৰকাৰ। নিজ জাতিৰ বুৰঞ্জীৰ জ্ঞান লাভ নকৰাকৈ অইন জাতিৰ বুৰঞ্জীক প্ৰশংসা কৰা আৰু সেই জাতিৰ সভ্যতাক অন্ধ অনুসৰণ কৰা কাৰ্য্য নিন্দনীয়। নিজ জাতিৰ বুৰঞ্জী নজনা জাতি আত্ম-বিস্মৃত জাতি। এই আত্ম-বিস্মৃতিয়ে জাতিক অধঃপতনলৈ লৈ যায়। বৃটিছ শাসনৰ মাজভাগত আমাৰ ভাৰতীয় সকলৰ মাজতো এনে এটা আত্ম-বিস্মৃত অৱস্থা আহিছিল। আমি অতীতৰ গৌৰৱময় ভাৰতক নজনাকৈয়ে ইউৰোপীয় সভ্যতাৰ প্ৰতি আকৃষ্ট হৈছিলো। কিন্তু যেতিয়াই আমাৰ শিক্ষিত মানুহখিনিয়ে নিজৰ দেশৰ অতীত আৰু বৰ্ত্তমানক জানিবলৈ আগ্ৰহী হল—তেতিয়াই তেওঁলোকৰ ভ্ৰম ভাঙিল। লগে লগে আৰম্ভ হল আমাৰ জাতীয় জীৱনৰ এটা নতুন অধ্যায়। সেয়া হল আমাৰ জাতীয় চেতনা আৰু দেশক স্বাধীন কৰাৰ প্ৰচেষ্টা। বুৰঞ্জীত জাতিৰ প্ৰতিচ্ছবি ভাহি উঠে। ইয়াৰ অধ্যয়নে জাতীয় চৰিত্ৰৰ দোষ-ত্ৰুটিবোৰ উপলব্ধি কৰাত



সহায় কৰে। অতীত আৰু বৰ্ত্তমানক বিচাৰি এটা শুদ্ধ পথ লোৱাত সহায় কৰে। সেই কাৰণে বুৰঞ্জীক জাতিৰ দাপোন বুলি কোৱা হয়।

অনুন্নত দেশৰ জাতিবোৰে বুৰঞ্জী অধ্যয়ন কৰাৰ অতীৱ প্ৰয়োজনীয়তা আছে। বুৰঞ্জী অধ্যয়নে তেওঁলোকৰ জাতিৰ অনুন্নতৰ কাৰণবোৰলৈ আঙুলিয়াই দিয়ে। বুৰঞ্জী অধ্যয়নে তেওঁলোকক সেইবোৰলৈ সজাগ কৰি দিয়ে। তেওঁলোকে কেৱল নিজ দেশৰ বুৰঞ্জীয়ে নহয়, আন উন্নত দেশৰ বুৰঞ্জীও অধ্যয়ন পাৰেমানে কৰা উচিত। উন্নত দেশৰ বুৰঞ্জীয়ে তেওঁলোকক প্ৰেৰণা আৰু কৰ্ম্ম পন্থাৰ নিৰ্দ্দেশ দিব পাৰে।

বুৰঞ্জীক জাতিৰ পথ-প্ৰদৰ্শক বুলিও কব পাৰি। বুৰঞ্জী অধ্যয়নে আমাক আমাৰ অতীতৰ দোষ-ত্ৰুটিবোৰ আঙুলিয়াই দিয়াৰ লগতে ভৱিষ্যতলৈও সাৱধান কৰি দিয়ে। কোন শাসকৰ কোন নীতিয়ে জাতিক কিমানদূৰ আগুৱাই নিলে বা পিছুৱাই নিলে সেইবোৰৰ বিষয়ে সম্যক জ্ঞান থকাটো বৰ্ত্তমান শাসকৰ অতি দৰকাৰ। সেই কাৰণেই কোৱা হয় "বুৰঞ্জীৰ জ্ঞান নোহোৱাকৈ কোনেও ভাল প্ৰশাসক হব নোৱাৰে।" নাৱৰীয়াই নদীৰ গতি-বিধি ভালদৰে নাজানিলে যেনেকৈ নাওখন নিৰাপদে লৈ যাব নোৱাৰে তেনেকৈ শাসকেও জাতিৰ নাড়ী-নক্ষত্ৰ নাজানিলে সিবিয়ে জাতিক পৰিচালিত কৰিব নোৱাৰে। পৃথিৱীৰ বুৰঞ্জীত দেখা যায়, কেতিয়াবা অতি সভ্য আৰু উন্নত জাতি এটাও কিবা কাৰণত সাময়িকভাৱে আত্ম-বিস্মৃত হয়।

কিন্তু তেওঁলোকৰ অতীত ইতিহাসৰ অধ্যয়নে তেওঁলোকক আকৌ জাগৃত কৰি তোলে। উনবিংশ শতিকাত ইটালী আৰু জাৰ্মানীৰ পুনৰ্গঠনৰ গুৰিতে আছিল—তেওঁলোকৰ পুনৰ্জাগৰণৰ নেতাসকলৰ ইটালী আৰু জাৰ্মানীৰ অতীত ইতিহাস জনসাধাৰণৰ মাজত ব্যাপক প্ৰচাৰ।

E.L. Hasluck ৰ মতে "A Knowledge of history interputs and illumiues the whole of human life." ঠিক আহোম সকলে কোৱাৰ দৰেই হাচলাকৰ মন্তব্য। বুৰঞ্জী অধ্যয়নে আমাৰ দেশ আৰু জাতিৰ বৰ্ত্তমান পৰিস্থিতি সম্পৰ্কে বুজাত যিমান সহায়ক হব আন কোনো বিষয়ৰ অধ্যয়নে আমাক তেনে সহায় কৰিব নোৱাৰে। হাচ লাকৰ মতে "ইতিহাস বৰ্জিত শিক্ষাক সম্পূৰ্ণাঙ্গ শিক্ষা বুলিয়ে কব নোৱাৰি।" বুৰঞ্জীৰ শিক্ষাই মানুহৰ মানসিক চিন্তাৰ পৰিসৰ বহুগুণে বৃদ্ধি কৰে। জাৰ্মান সাহিত্যিক গোটে কৈছে, "The best which we derive from history is the euthersiasm that it raises in us."

শিশুৰ জ্ঞান বিকাশৰ বাবে বুৰঞ্জীৰ শিক্ষা একান্ত প্ৰয়োজন। বুৰঞ্জীৰ শিক্ষাই যেনেকৈ তেওঁলোকৰ চিন্তাৰ পৰিসৰ বৃদ্ধি কৰে তেনেকৈ তেওঁলোকৰ মাজত পাৰম্পৰিক বুজাবুজি আৰু সহযোগিতাৰ মনোভাব তুলিবলৈ সহায় কৰে। বুৰঞ্জীৰ খ্যাতনামা ব্যক্তিসকলৰ জীৱনীয়ে শিশুৰ ভবিষ্যত জীৱন গঢ় দিয়াত যথেষ্ট সহায় কৰে। ভাৰতৰ নিচিনা বহুত ভাষা-ভাষী আৰু ধৰ্ম্মৰ লোকৰ ৰাষ্ট্ৰ এখনত বুৰঞ্জীৰ শিক্ষাৰ একান্ত প্ৰয়োজনীয়। ভাৰতৰ "অনেকাৰ মাজতো ঐক্য"—কথাষাৰৰ মৰ্ম্মাৰ্থ বুজিবলৈ হলে আজি প্ৰত্যেক জন ভাৰতীয় নাগৰিকৰে ভাৰত বুৰঞ্জীৰ প্ৰাথমিক জ্ঞান থাকিবই লাগিব। সেই কাৰণে অন্ততঃ আজিৰ স্কুলীয়া পাঠ্যক্ৰমত বুৰঞ্জী বিষয়টোৰ অধ্যয়ন বাধ্যতামূলক কৰিব লাগে।

---

॥ ৰচনা ॥

# সামাজিক বিকাশত সাহিত্যৰ অৱদান

শ্ৰীভগীৰথ দাস
বি. কম. ২য় বাৰ্ষিক

মানুহৰ চিন্তা-চেতনাৰ বিকাশ ঘটে সমাজত। এই চিন্তা-চেতনাৰ এটা বাস্তৱ ৰূপ-চিত্ৰ প্ৰতিফলিত হয় সাহিত্যত। সাহিত্যই সমাজৰ পৰা মলিনতাখিনি ধুই নিকা কৰি এখন সুস্থ-সবল আৰু শ্ৰেণীহীন সমাজ গঠনত যথেষ্ট অৰিহণা যোগায়। প্ৰকৃততে, মানুহৰ চিন্তা-চেতনাক উন্নত পৰ্যায়ৰ পৰা উন্নতৰ পৰ্যায়লৈ নিয়াটোৱেই সাহিত্যৰ অন্যতম উদ্দেশ্য বুলি ক'ব পাৰি। বাস্তৱ ক্ষেত্ৰত সমাজত ঘটি থকা ঘটনাৱলীয়ে এচাম চিন্তাশীল লোকৰ ব্যক্তিগত জীৱনত গভীৰভাৱে ৰেখাপাত কৰে আৰু তাৰ এক নিকা প্ৰতিচ্ছবি লোকচকুৰ সন্মুখত তুলি ধৰি সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন ঘটাবলৈ বিচাৰে। ইয়াকে কৰিবলৈ যাওঁতে তেওঁলোকৰ বাবে প্ৰয়োজন হয় কোনো এটি সৰ্বতোসুন্দৰ আৰু সহজ মাধ্যমৰ। সেয়াই হ'ল সাহিত্য। সাহিত্য প্ৰকৃতিপ্ৰদত্ত বা ভগবানৰ মুক্ত দান নহয় যে ইয়াক মানুহে ইচ্ছা কৰিলেই যি কোনো সময়ত সমাজ গঠনৰ এটা আহিলা হিচাবে ব্যৱহাৰ কৰিব পাৰিব। ই হৈছে মানুহৰ শক্তিশালী চিন্তাশক্তিৰ এটা বিশেষ ৰূপান্তৰ।

সহিত্য সৃষ্টি যিয়েই কৰে তেওঁকেই সাহিত্যিক হিচাবে আখ্যা দিয়া হয়। " কিন্তু বাস্তৱিকতে সেয়া ভুল ধাৰণা। কিয়নো সমাজত এনে কিছুমান সাহিত্যিক আছে যিসকলৰ সৃষ্ট সাহিত্যই সমাজক ধ্বংসমুখী কৰিব পাৰে; সৃজনশীল এক অভিনৱ সমাজ গঠনৰ পথৰ সন্ধান দিব নোৱাৰে। এওঁলোকৰ সাহিত্য সৃষ্টিৰ অন্তৰালত অসৎ উদ্দেশ্য আৰু ব্যক্তিস্বাৰ্থ নিহিত হৈ থাকে। এনে সাহিত্যিক সকলক সমাজ বিৰোধী বুলি কোৱাৰ বাহিৰে আন একো উপায় নাই।

সাহিত্যিক সকল স্বাভাৱিকতে উদাৰ মনোবৃত্তিৰ সত্যান্বেষী ন্যায়ৰ পূজাৰী আৰু অন্যায়ৰ বিদ্ৰোহী। তেওঁলোকে ব্যক্তিস্বাৰ্থতকৈ সামূহিক স্বাৰ্থতহে মনোনিবেশ কৰে। সমাজত চলি থকা এক শ্ৰেণী মানুহৰ আন শ্ৰেণীৰ ওপৰত শোষণ

অত্যাচাৰ উৎপীড়ন আদিয়ে প্ৰকৃত সাহিত্যিকৰ চিন্তাশীল মন বিদ্ৰোহী কৰি তোলে, আৰু তাৰপৰা চিৰমুক্ত হ'বলৈ বিচাৰে। প্ৰধানকৈ ইয়েই হ'ল সাহিত্যৰ সমল।

সামাজিক বিকাশত সাহিত্যৰ অৱদান যথেষ্ট। আজিলৈকে পৃথিৱীত যিমানবোৰ সামাজিক জীৱনৰ গতিধাৰাৰ আমূল পৰিবৰ্তন সম্ভৱ হ'ব পাৰিছে, সেই সকলোবোৰৰ অন্তৰালত আছে তাপিত জনগণৰ অদমনীয় ক্ষোভ আৰু সংগ্ৰামী ঐক্য চেতনা। নিষ্পেষিত নিপীড়িত শ্ৰেণীৰ অৱচেতন মনত বহু সময়ত সাহিত্যইহে সমাজ সচেতনতাৰ অভিনৱ চিন্তাধাৰাৰ বীজ সঞ্চাৰ কৰে। চিত্ৰকাৰে সমাজৰ এটি বাস্তৱ চিত্ৰ হুবহু দাঙি ধৰে, তেনেকৈ সাহিত্যিকে নিৰীহ নৰনাৰীৰ সহজতে দৃষ্টিগোচৰ নোহোৱা সমাজখনৰ প্ৰকৃত ৰূপটো গল্প, উপন্যাস বা কবিতা আকাৰে সুন্দৰকৈ প্ৰকাশ কৰে। সাহিত্যিকৰ ৰচনাৰাজি কিমান সুন্দৰ আৰু হৃদয়স্পৰ্শী হৈছে সেইটো সাধাৰণতে নিৰ্ভৰ কৰে ৰচনাকৌশলৰ ওপৰত। সৃজনশীল সাহিত্যৰ ৰচকসকলৰ ৰচনাকৌশল নিৰ্ভৰ কৰে কেইটামান কথাৰ ওপৰত। সেয়া হ'ল :—ৰচয়িতাৰ মানসিক সত্তা—দৃষ্টিভংগী কোন শ্ৰেণীৰ? কাৰ বাবে আৰু কিহৰ বাবে—তেওঁৰ সাহিত্য সৃষ্টি? কোন দৃষ্টিভংগীৰে কি উদ্দেশ্যত সমাজত অহৰহ ঘটি থকা ঘটনাবোৰ তেওঁ চাইছে? তেওঁৰ সেই দৃষ্টিভংগী আৰু মানসিকতা জানো জনগণৰ বাবে? জনগণৰ অনুভূতিক জানো সি প্ৰতিবিম্বিত কৰে আৰু তেওঁ তুলি ধৰা সমস্যাবোৰ জনগণৰ সমস্যানে? তেওঁৰ ৰচনাই জনগণৰ প্ৰগতি আৰু মুক্তিৰ ক্ষেত্ৰত কিবা অৰিহণা যোগাব পাৰিবনে?

এনেবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখি কৰা সাহিত্য সৃষ্টিয়েহে সামাজিক বিকাশত যথেষ্ট বৰঙনি যোগাব পাৰে।

পঞ্চদশ শতিকাৰ শেষভাগলৈ যদি উভতি যোৱা যায়, তেন্তে সেই সময়ত ইউৰোপত গঢ়ি উঠা নৱজাগৰণ আৰু সংস্কাৰ আন্দোলনৰ গুৰিতে হ'ল ইউৰোপীয় সাহিত্য। এই কালচোৱাতেই সমগ্ৰ ইউৰোপীয় জনগণৰ সাহিত্যৰ প্ৰতি ৰাপ বাঢ়ি যায়। মানুহৰ সাহিত্য চৰ্চা আৰু সংস্কৃতিৰ প্ৰতি মন ঢাপলি মেলাৰ লগে লগেই গতানুগতিক চিন্তাধাৰাৰ পৰিবৰ্তন সাধন হ'ল। বৈজ্ঞানিক চিন্তাধাৰাৰ ফলত আধুনিক যুগৰ আবিৰ্ভাৱ হ'ল। সমাজে বিচাৰিলে পৰিবৰ্তন, ফলত মধ্যযুগীয়া সামন্ত প্ৰথাৰ অৱসান ঘটিল।

১৭৮৯ চনৰ ফ্ৰান্সত বিপ্লৱ আৰম্ভ হয়। এই বিখ্যাত গণতান্ত্ৰিক বিপ্লৱৰ ফলস্বৰূপে ফৰাচীসকলৰ ওপৰত নিতৌ চলোৱা স্বেচ্ছাচাৰী শাসনৰ যৱনিকা পৰিল আৰু গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ল। ফৰাচীসকলৰ মাজত থকা শ্ৰেণী বিভাজন শাসকগোষ্ঠীৰ স্বেচ্ছাচাৰী শাসন, শোষণ আৰু দুখ-যাতনাক সমসাময়িক কবি-সাহিত্যিক সকলে গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল আৰু তাৰ প্ৰতিচ্ছবি সুন্দৰকৈ প্ৰতিফলিত হৈছিল সেইকালৰ ফৰাচী সাহিত্যত। সেইসকলৰ ভিতৰত ৰুচো অন্যতম। তেওঁৰ লিখনিয়ে ফৰাচী জনগণৰ



সুপ্ত চেতনাক জগাই তুলিছিল।

ফৰাচী বিপ্লৱৰ নিচিনাকৈ বিপ্লৱ গা কৰি উঠিছিল ৰুচদেশত ১৯১৭ চনত। এই বিপ্লৱৰ ফলত ৰুচিয়াত স্বেচ্ছাচাৰী জাৰৰ ছোভিয়েটবাসী লোকসকলৰ ওপৰত কৰা অন্যায়-অবিচাৰ চিৰকালৰ বাবে নিপাত হ'ল। আৰু জনগণৰ স্বাৰ্থৰ হকে কাম কৰা সমাজবাদী চৰকাৰ গঠন হ'ল। এইটোৰ নিচিনা বিৰাট পৰিবৰ্তন আজিলৈকে বিশ্বৰ ইতিহাসত ঘটা নাই। এনে পৰিবৰ্তনৰ শলিতাগছিৰ গুৰিত তেল ঢালিছিল শক্তিশালী চিন্তা-চেতনা-পুষ্ট কবি, সাহিত্যিক আৰু অৰ্থনীতিবিদসকলৰ অভিনৱ ৰুচ সাহিত্যই। প্ৰখ্যাত অৰ্থনীতিবিদ কাৰ্লমাৰ্ক্স, টলষ্টয়, টুৰ্গেনিভ আৰু দষ্টভয়েস্কিৰ সমাজ সচেতন লিখনি আৰু বাস্তৱবাদী চিন্তাধাৰাই সমগ্ৰ ৰুচ জনগণক যি দান দি গ'ল তাৰ বাবে সকল ৰুচবাসীয়ে নহয়, পৃথিৱীৰ সমগ্ৰ মানৱ সমাজ চিৰঋণী হৈ থাকিব।

সামাজিক বিকাশত কাব্য সাহিত্যৰ অৱদান কোনো গুণেই কম নহয়। মানৱ জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাত, দুখ-যাতনা, ক্ষোভ আদিৰে পৰিপূৰ্ণ। কবিয়ে এই সকলোবোৰ চিন্তা আৰু বাস্তৱ উপলব্ধিৰ জৰিয়তে দুখ-যাতনা, হা-হুমুনিয়াহ, ক্ষোভ আদিক কবিতাৰ আকাৰত প্ৰকাশ কৰি সমাজক অৱগত কৰে। এনেকৈ কবিৰ কবিতাত মূৰ্ত হয় সমাজ সচেতনতা, মানৱপ্ৰীতি আৰু সমাজ পৰিবৰ্তনৰ প্ৰতি জনোৱা আকুল আহ্বান। নিগ্ৰো কবিসকলৰ কবিতাত সেইটোৱেই ফুটি উঠিছে। কবি বিলিয়াম এডৱৰ্ড ডুবইয়ে কৈছে—

"মগ্নেই খোঁৱাৰ ৰজা
মই ক'লা
... ... ... ........
সাজ হ'ব যিমানেই ক'লা,
সিমানেই শক্তিশালী দেহা"

ঠিক সেইদৰে পেলেষ্টাইনী মুক্তি সংগ্ৰামৰ উৎস হ'ল পেলেষ্টাইনী কাব্য সাহিত্য। তেওঁলোকৰ ওপৰত চলোৱা শোষণ আৰু নিপীড়নৰ বিৰুদ্ধে কৰা প্ৰতিবাদ আৰু সংগ্ৰামী সত্তাৰ মাজতেই পেলেষ্টাইনী কবিতাৰ জন্ম। বিখ্যাত পেলেষ্টাইনী কবি মাহমুদ দৰবিচৰ কবিতাত শোষক আৰু শাসনকাৰীৰ বিৰুদ্ধে কৰা সাৱধানবাণী শুনা যায়। তেওঁ লিখিছে—

"মই কাকো ঘিণ নকৰো, আক্ৰমণ নকৰো কাকো
কিন্তু যেতিয়া মই ক্ষুধিত হ'ম
মই শোষণকাৰীৰ মঙহ খাম
মোৰ ক্ষুধাৰ পৰা সাৱধান
মোৰ ক্ৰোধৰ পৰা সাৱধান।"

সাহিত্যৰ ইতিহাস আৰু সমাজৰ ইতিহাসৰ একো একোটা বিশেষ স্তৰ বা অৱস্থা—বিশেষ বিকাশ—বিশেষ ঘটনা একোটা সময়ত গঢ়ি উঠা সমাজ মানস আদিয়ে বুদ্ধিজীৱী সাহিত্যিকৰ ওপৰত প্ৰভাৱ পেলায়। সাহিত্যিকে এই সকলোবোৰৰ বিচাৰ বিশ্লেষণ কৰে। তেওঁৰ ৰচনাৰাজিৰ মাজেৰে সমাজ ইতিহাসৰ এইবোৰ কথা নতুন ৰূপেৰে নতুন বা উপযুক্ত আংগিকেৰে আনক দৈ যায়। সাহিত্যিকৰ কথা, সাহিত্যৰ কথাই সমাজৰ কথা হৈ পৰে।

# প্ৰসঙ্গঃ গ্ৰুপ থিয়েটাৰ

অধ্যাপক তড়িৎ চৌধুৰী

এই শতিকাৰ প্ৰথম ভাগত আমাৰ দেশত যেতিয়া পেচাদাৰী থিয়েটাৰৰ বৈজয়ন্তী হয়, সেই সময়ত তেতিয়া আমেৰিকাত চলিছিল লিটিল থিয়েটাৰ আৰু গ্ৰুপ-থিয়েটাৰ আন্দোলন।

গ্ৰুপ থিয়েটাৰৰ প্ৰতিষ্ঠাতা গৰাকীৰ নাম ষ্টেলা এড্‌লাৰ। জেকব আৰু ছাৰা এড্‌লাৰৰ কনিষ্ঠা কন্যা আৰু হেৰল্ড ক্লাৰমেনৰ স্ত্ৰী ষ্টেলা এডলাৰ একসময়ত ব্ৰডৱেত যোগদান কৰি লাভ কৰিছিল বিপুল সন্মান আৰু অসাধাৰণ খ্যাতি। তথাপিও তেওঁৰ মনৰ বাসনা হ'ল "অফ-ব্ৰডৱে" নাট্য প্ৰযোজনা কৰা। এই বাসনাৰ ফলশ্ৰুতি হিচাপে আৰম্ভ হৈছিল যি নতুন 'গ্ৰুপ-থিয়েটাৰ মুভমেণ্ট', সেয়ে এক দশকৰ ভিতৰত আমেৰিকাৰ সকলো পেচাদাৰী থিয়েটাৰৰ ভেটি কঁপাই তুলিবলৈ সক্ষম হৈছিল।

ষ্টানিস্লাভস্কিৰ নাট্যতত্ত্বক অস্ত্ৰ হিচাপে লৈ আৰম্ভ হৈছিল আমেৰিকাৰ গ্ৰুপ-থিয়েটাৰ মুভমেণ্ট। কি কৰিবলৈ বিচাৰিছিল ষ্টানিস্লাভস্কিয়ে? তেখেতে অভিনয়ক কৰিবলৈ বিচাৰিছিল শিল্পৰ অঙ্গীভূত। মিছা বা মেকবিলিফ-ৰ আৱৰণ আঁতৰাই অভিনেতাক কৰিবলৈ বিচাৰিছিল সাধক আৰু সত্যৰ একাগ্ৰ উপাসক। ইয়াকেই ৰূপায়ণ কৰিছিল কাৰণে তেখেতে অভিনেতাৰ ওপৰত আৰোপ কৰিছিল কিছুমান প্ৰাকচৰ্চা বা 'গিভেন চাৰকামষ্টেন্‌চেচ্'। এইবিলাক হ'ল—কল্পনা, মনোযোগ, শৰীৰ শৈথিল্য, বিশ্বাস, স্মৃতি, দৰ্শকৰ সৈতে সংযোগ, বাহিৰৰ সাহায্য আৰু এই চৰ্চাবিলাকৰ প্ৰতি 'কাৰেক্ট-এ্যাকটিং'ৰ বিনাচৰ্তে আত্মসমৰ্পণ। 'ভাৱৰ মাজত ডুবি যোৱা' বা 'চৰিত্ৰৰ মাজত ডুবি যোৱা'ৰ সলনি ষ্টানিস্লাভস্কিয়ে অভিনেতাক ভাবিবলৈ বাধ্য কৰালে অন্যভাৱে। 'মঞ্চৰ দৃশ্যপট, বস্তুবাহানি, সাজ-পোছাক, ৰূপসজ্জা আৰু মানুহৰ উপস্থিতিত অভিনয়—এই সকলোবিলাকেই মিছা। মই এই সকলোবিলাকক মিছা বুলিয়ে জানো। ইয়াৰ একোৱেই মোৰ কোনো প্ৰয়োজন নাই।



কিন্তু যদি এইবিলাক সত্য হোৱা হলে মই এনেকুৱা কৰিলোহেঁতেন। ইয়াৰ প্ৰতি আৰু এই ঘটনা সম্পৰ্কে মই এনেকুৱা আচৰণ কৰিলোহেঁতেন।' এই 'যদি' বুলি ভবাৰ লগে লগে অভিনেতাৰ যি প্ৰতিক্ৰিয়া সেয়ে তেওঁৰ বিখ্যাত **'The Magical If'** আৰু এয়েই ষ্টানিস্লাভস্কি নিৰ্দেশিত অভিনয়ৰ যাদুকাঠি।

Magical If-ৰ মন্ত্ৰপূত ব্যৱহাৰৰ আনুষঙ্গিক হিচাপে অভিনেতাৰ থাকিব লাগিব সুদৃঢ় আত্মপ্ৰত্যয় আৰু অখণ্ড একাগ্ৰতা। গ্ৰুপ থিয়েটাৰ আন্দোলনৰ মূল ভেটি ইয়াৰ ওপৰতেই অৱস্থিত। গ্ৰুপ-থিয়েটাৰৰ শিল্পীসকলক প্ৰথমেই আত্ম-সচেতন হবলৈ আহ্বান জনোৱা হয়। কিয়নো এজন সচেতন শিল্পীয়েহে নিজৰ শিল্পকৰ্মৰ যথাৰ্থ মূল্যায়ন কৰিবলৈ সক্ষম। এই সচেতনতা আৰু একাগ্ৰতাৰ সাৰ্থক ব্যৱহাৰত নাট্যকাৰৰ পৰা নিৰ্দেশকলৈ প্ৰত্যেকেই হব লাগিব এক মতাৱলম্বী। ফলত স্বাভাৱিকতেই আহিব দলৰ প্ৰশ্ন আৰু প্ৰত্যেকৰেই তেতিয়া লক্ষ্য হব দলৰ উন্নতি। কিন্তু দলৰ উন্নতিৰ কাৰণে গ্ৰুপ-থিয়েটাৰে কেতিয়াও শিল্পীৰ ব্যক্তিত্বক ক্ষুণ্ণ কৰাৰ নিৰ্দেশ দিয়া নাই। বৰং তেওঁলোকে এই কথাটোকে মনত পেলাই দিয়ে যে ব্যক্তিগত দায়িত্ব সাৰ্থকভাৱে পালন কৰা হলেহে দলৰ সম্মিলিত প্ৰয়াস ফলপ্ৰসূ হব। আনহাতে দলেই মুখ্য হোৱাৰ ফলত ক্ষুদ্ৰ স্বাৰ্থত্যাগৰ আহ্বান জনোৱা হয়। ক্ষুদ্ৰ অহমিকা, দৰ্শকৰ হাত-চাপৰি, নকল-নবীশী আৰু তাত্তৰ ভাৱৰ মোহ—এই সকলোবিলাক ত্যাগ কৰি অশেষ দুখ-কষ্ট স্বীকাৰৰ মাজেৰে গ্ৰুপ-থিয়েটাৰৰ শিল্পীসকল হৈ উঠিছে সাৰ্থক। গ্ৰুপ-থিয়েটাৰৰ এই শিল্পীসকলে ষ্টানিস্লাভস্কিৰ শিল্পপদ্ধতি অনুসৰণ কৰি 'এচেম্বল-এ্যাকটিং' বা দলগত অভিনয় নৈপুণ্যৰ এক নতুন নিদৰ্শন দেখুৱালে,—যাৰ ফলত শুনা গ'ল 'নাটক প্ৰযোজনা কৰাৰ একমাত্ৰ সৎ পদ্ধতি হৈছে গ্ৰুপ-থিয়েটাৰ পদ্ধতি।'

মোটামুটিভাৱে ধৰি লব পাৰি যে এই গ্ৰুপ-থিয়েটাৰ আন্দোলন আমাৰ দেশত আৰম্ভ হৈছে ষাঠিৰ দশকৰ পৰা। মূল ধাৰাৰ নিচিনাকৈ এই দেশৰ গ্ৰুপ-থিয়েটাৰ বিলাকেও সচেতন শিল্পচৰ্চাত বিশ্বাসী। অভিনয়ৰ পুনৰাবৃত্তিৰ মাজেৰে এখেতসকলৰ অন্যতম লক্ষ্য হ'ল চূড়ান্ত সিদ্ধিৰ ফালে আগুৱাই যোৱা। সমকালৰ প্ৰতি লক্ষ্য, সমাজ-সচেতনতা, প্ৰগতি এইবিলাকেই এখেতসকলৰ নাটকৰ বিষয়বস্তু।

আমাৰ দেশত এই গ্ৰুপ-থিয়েটাৰ বিলাকক যিসকলে জীয়াই ৰাখিছে সেইসকল অল্পবিত্ত পৰিয়ালৰ সন্তান। প্ৰয়াত অজিতেশ বন্দোপাধ্যায়ৰ ভাৱনাৰ অনুসৰণত কোৱা যায় নিম্নবিত্তৰ সংসাৰ, চাকৰিস্থল, থিয়েটাৰৰ দায়িত্ব—মধ্যবিত্তৰ এই তিনিটা শিখাৰে গঢ়ি উঠিছে আজিৰ গ্ৰুপ-থিয়েটাৰ। এই গ্ৰুপ-থিয়েটাৰৰ অন্যতম অস্ত্ৰ দুঃসাহস। নিজৰ নাটক সম্পৰ্কে তেওঁলোকে কৈছে—কেতিয়াবা 'ক্ৰোজআপ থিয়েটাৰ', কেতিয়াবা 'দ্ৰুতদৰ্শন মধ্যৰীতি', কেতিয়াবা

'দুঃস্বপ্নৰ নাট্যৰূপ', কেতিয়াবা 'অন্ধকাৰৰ নাটক', 'প্ৰতিবোধৰ নাটক', 'নতুন ভাবনাৰ নতুন নাটক' আৰু এই সকলোবোৰ মিলি বক্তব্যৰ বলিষ্ঠ ৰূপায়ণত আৰু প্ৰয়োগধৰ্মিতাৰ সাৰ্থক উপস্থাপনাত আজিৰ গ্ৰুপ-থিয়েটাৰ সম্পূৰ্ণভাৱে হৈ উঠিছে 'অন্য থিয়েটাৰ' বা 'বেলেগ থিয়েটাৰ'।

কিছুমান সাফল্য সত্বেও আজিৰ গ্ৰুপ-থিয়েটাৰৰ সন্মুখত পৰ্বত-প্ৰমাণ সমস্যা। ইয়াৰ প্ৰথম আৰু প্ৰধান সমস্যা হ'ল ভাল নাটকৰ দুৰ্লভতা। মৌলিক, ভাষান্তৰিত অথবা গল্প-উপন্যাসৰ নাট্যৰূপ দিয়া নাটক সংগ্ৰহ কৰাৰ বিভিন্ন প্ৰচেষ্টা সত্বেও বিশেষ শিল্পসমৃদ্ধ নাটক খুব কমেই লিখা হৈছে। জীৱনানুভূতিৰ সাৰ্থক ৰূপায়ণৰ অভাৱত অধিকাংশ নাটকত সকলো উচ্চ আদৰ্শ কেৱল প্ৰচাৰ আৰু স্লোগানত পৰিণত হৈছে। গ্ৰুপ থিয়েটাৰৰ পৰৱৰ্তী সমস্যা প্ৰয়োগ-বাহুল্যৰ সমস্যা। অভিনয়তকৈ 'ষ্টেজ-ট্ৰিক্চ' আৰু 'লাইটিং টেকনিক'ৰ সহায়ত ভোজবাজীৰ প্ৰয়াসহে অধিক লক্ষ্য কৰা যায় আৰু অৰ্থৰ অভাৱত সেইখিনিয়ো যেতিয়া সম্পূৰ্ণ সাৰ্থক-ভাৱে কৰা হৈ নুঠে তেতিয়া স্বাভাৱিকভাৱেই দৰ্শকসংখ্যা কমি গৈ থাকে। দৰ্শক আৰু অৰ্থৰ সমস্যা সেয়েহে একেলগে প্ৰাধান্য লাভ কৰিছে। সংখ্যা হ্ৰাস হোৱাৰ ফলত 'পুছিং-চেল' কৰি আৰু 'গেষ্ট-কাৰ্ড' উপহাৰ দি থিবিলাক দৰ্শকক টানি অনা হৈছে তেওঁলোকে সৎ আৰু সচেতন দৰ্শক নহয়। ফলত নাটক কৰাৰ প্ৰাথমিক উদ্দেশ্যটোৱেই ব্যাহত হৈছে আৰু আৰ্থিক সমস্যাৰো একো এটা সমাধান হোৱা নাই। ইয়াৰ পিছৰ অন্যতম সমস্যা হ'ল মঞ্চৰ সমস্যা। 'গ্ৰুপ-থিয়েটাৰ'ৰ উদ্যোক্তাসকলে এতিয়া উচ্চস্বৰে দাবী কৰিছে— 'আৰু অধিক সংখ্যক মঞ্চ লাগে'।

---

# হাউলীৰ শ্বহীদ বেদী স্থাপনত ডঃ ভূপেন হাজৰিকা আৰু আন্দোলনৰ নেতৃবৰ্গ

শ্ৰীভৱেশ্বৰ গোস্বামী
দ্বিতীয় বাৰ্ষিক স্নাতক, (বাণিজ্য)

সেইদিনা আছিল ১৯৮৫ চনৰ ২২ ফেব্ৰুৱাৰী শুক্ৰবাৰ। সিদিনাৰ দিনটো হাউলীবাসী ৰাইজৰ মনত বৰ উথল-মাথলৰ দিন, বৰ আনন্দৰ দিন। চাৰিওফালে লক্ষ্য কৰিলে দেখা যায় ব্যস্ততা তথা জনসমাগম। সিদিনাৰ বিশেষ ব্যস্ততাৰ প্ৰধান উৎস আছিল, হাউলীত স্থায়ী শ্বহীদবেদীৰ আধাৰশিলা স্থাপন কৰা হব। তাৰো-পৰি এই শ্বহীদবেদীৰ আধাৰশিলা স্থাপন কৰিবৰ বাবে হাউলি আঞ্চলিক ছাত্ৰসন্থাই আমন্ত্ৰণ জনাইছিল অসম আন্দোলনৰ নেতৃবৰ্গ সৰ্বশ্ৰী— নগেন শৰ্মা, ডাঃ অৰুণ শৰ্মা, পৰেশ হালৈ, কুমাৰ দীপক দাস তথা অসমৰ বিজয়ধ্বজা গোটেই বিশ্বত উৰুৱাই ফুৰা অসমৰ সুসন্তান, সুৰ যাদুকৰ, আন্তৰ্জাতিক খ্যাতিসম্পন্ন শিল্পী ডঃ ভূপেন হাজৰিকাক।

ডাঙৰ মানুহৰ বক্তৃতা শুনা চখটো মোৰ ল'ৰা কালৰ পৰাই খুব বেছি। সেয়েহে সেই দিনাও মই সভাখনত ভাষণ শুনাৰ বাবে স্বাভা-ৱিকতেই উদ্‌গ্ৰীৱ হৈ আছিলো। হাউলীৰ সেই সভাখনৰ বাবে কলেজো নহ'ল। ইপিনে মোৰ হোষ্টেলৰ বন্ধুকেইজনো মোতকৈ আগতেই সভাস্থলীলৈ গৈছে। সেয়েহে অকলে গৈ হাউলী ওলালো। মনত বহুতো আশা, আজি ডঃ ভূপেন হাজৰিকাদেৱে সভাত গান গোৱাৰ উপ-ৰিও ভাষণ দিব, আকৌ আন্দোলনৰ নেতৃবৰ্গই আন্দোলনৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে আমাক অৱগত কৰাব। এনেবোৰ বহুতো আশাই মনৰ মাজত বান্ধি লৈ গৈ যেতিয়া হাউলী পালোঁ তেতিয়া ইতিমধ্যে সভাৰ কাম আৰম্ভ হৈছে। মই স্বাভাৱিকতেই অলপ হতাশ হৈ পৰিছিলোঁ, সভাৰ প্ৰথম কাৰ্যসূচীৰ পৰাই তাত উপস্থিত হব নোৱাৰা হেতুকে। সভাস্থলী লোকে লোকা-ৰণ্য। আটাইয়ে একো একোজন নীৰৱ শ্ৰোতা, মাজে মাজে শ্ৰোতাৰ হাত চাপৰিয়ে সভাখনৰ

বাতাৱৰণ গৰম কৰি তুলিছে। মই জন সমদল ভেদি কোনোমতে সভাস্থলীৰ দৰ্শকৰ মাজত সোমাই পৰিলো। মোৰ তেতিয়া অলপ অকলশৰীয়া যেন লাগিছিল যদিও, বন্ধু সৰ্বশ্ৰী উপেন নাথ, দীপক নাথ, অৰবিন্দ নাথ আৰু মোৰ অন্তৰংগ সখী পুলেন্দ্ৰ মোহন দাসক তাত লগ পোৱাত মনটো যথেষ্ট ভাল লাগিছিল। মইও তেওঁলোকৰ লগত একেলগে বহি মঞ্চৰ ফালে চকু দিওঁ। মঞ্চত আমাৰ সকলোৰে চিনাকি সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা নগেন শৰ্মা, কাৰ্য্যনিৰ্বাহকৰ সদস্য অৰুণ শৰ্মা, পৰেশ ছালৈ, তথা সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত আলোচনী "বৰ্তমান গণ-আন্দোলন আৰু ছাত্ৰ সন্থাৰ" সম্পাদনাৰ গধুৰ দায়িত্বভাৰ বহনকাৰী প্ৰবীন লস্কৰ আদিয়ে গাম্ভীৰ্য্যতাৰে মঞ্চত বহি আছে। তাৰোপৰি মই চিনি নোপোৱা দুই এজন সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য। সভাৰ সভাপতিত্ব কৰিছে স্থানীয় ব্যক্তি আৰু হাউলী গণসংগ্ৰাম পৰিষদৰ সভাপতি এডভোকেট মিলিপ চন্দ্ৰ দাসদেৱে। কিন্তু বিশেষ কাৰণ বশতঃ ডঃ ভুপেন হাজৰিকাদেৱে সময় মতে সভাত উপস্থিত হব পৰা নাই যদিও সকলোৱে জানে ডঃ ভুপেন হাজৰিকাদেৱ নিশ্চয় আহিব। অসমৰ জনসমাজক ভাল পোৱা হাজৰিকাদেৱে কেতিয়াও হাউলীবাসী বাইজৰ মৰমক অৱহেলা নকৰে।

এজনৰ পিছত এজনকৈ বক্তাই বক্তৃতা দি আছে। অসম আন্দোলনৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে, আৰু ভৱিষ্যত আমাৰ কৰিবলগীয়া কৰ্তব্যৰ বিষয়ে। অসমৰ আন্দোলন এতিয়া নিষ্ক্ৰিয় হৈ গ'ল। ঠিক এনে ধৰণৰ যি এটা বুবু-বা-বা আন্দোলন বিৰোধীসকলে কৰিছে তাৰ উত্তৰত পৰেশ ছালৈদেৱে কয় যে—এজন মানুহে কিবা এটা পৰিমাণৰ ওজন আমাক দাঙি দেখুৱাই দিয়াৰ পিছত আমি তেওঁক আকৌ এবাৰ দাঙি দেখুৱালেহে মানি লম, এনে ধৰণৰ কথা কোৱাৰ যুক্তি নাই, কিয়নো তেওঁয়ে সেই পৰিমাণৰ ওজন দাঙিব পাৰে, তাক তেওঁ ইতিমধ্যে প্ৰমাণ কৰি দিছে। ঠিক তেনেদৰেই অসমৰ গান্ধীবাদী আন্দোলনকাৰীয়ে নিৰ্বাচনী প্ৰতিৰোধ আদি কাৰ্য্যসূচীৰ সফল ৰূপায়ণৰ দ্বাৰা গোটেই বিশ্বত যি এক সুকীয়া আন্দোলনৰ সৃষ্টি কৰিছে, তাক পুনৰাই দেখুওৱাৰ কোনো যুক্তি নাই। অসমৰ আজি এই সমস্যাটি যদি সমাধান নহয় তেন্তে পৃথিবীৰ বুকুত অসম নামৰ কিবা এটা বস্তু আছে বুলি কবলৈকেই উপায় নোহোৱা হব, আৰু য'ত অসম নাই সেই ঠাইত অসমীয়া জাতি বুলি যে কিবা থাকিব পাৰে তাৰ কল্পনা কৰাটোও হয়তো আমাৰ ভুল হব।

আজি অসম জুৰি থকা শ্বহীদ বেদীবোৰে অসমৰ আন্দোলনৰ স্মৃতি যুগে যুগে বহন কৰিব তাৰ বিষয়েও এজন বক্তাই সুন্দৰভাবে বুজাই দিছে। আজিৰ অসম সদায় অসম হৈয়ে থাকিব। ভূমিকম্প আদিৰ ফলত যদি অসমখন কেতিয়াবা ভূগৰ্ভৰ গভীৰতম দিশলৈ সোমাইও যায়, আৰু তাৰ পিছত উত্তৰপুৰুষৰ কোনো জাতিয়ে যদি ভূগৰ্ভৰ 'খনন' কাৰ্য্য চলায় তেতিয়া সিন্ধু উপত্যকাত উদ্ধাৰ হোৱা হৰপ্পা আৰু মহেঞ্জোদাৰো নগৰৰ দৰে উত্তৰ পুৰুষ সকলেও হয়তো অসমত উদ্ধাৰ কৰিব দুখনি নগৰ, দুখনি ভাস্কৰ্য্য আৰু সেইয়া হৈছে—

ইন্দিৰাপ্পা নগৰ আৰু
অসমঞ্জোদাৰো নগৰ।

আৰু সেইবোৰ হব এনে ধৰণৰ য'ত দেখিব পৰা দেৱালেৰে আবৃত দিছপুৰৰ 'বন্ধা' শাসনযন্ত্ৰ তথা কিবা এটি গঢ়ি দিম বুলি মিছা প্ৰলোভন দেখুৱাই জনসমাজৰ বুকুত সোমাবৰ চেষ্টা কৰি গঢ়ি তোলা নহ'ল, ইত্যাদিৰ ভুৱা প্ৰলোভনৰ আধাৰশিলা আদি দেখা পালে আমাৰ অসমৰ অপসংস্কৃতি অৰ্থাৎ ইন্দিৰাপ্পা, আৰু আনফালে তেজে ধোৱা মাটিত মূৰ থৈ নিজৰ বুকুৰ তেজেৰে আইক পূজা কৰা মহান শ্বহীদ সকলৰ পৱিত্ৰ স্মৃতিত গঢ়ি তোলা অসমবাসীৰ শ্বহীদ-বেদী উদ্ধাৰ হলে উত্তৰ মানৱে ভাবিব এয়া অসমঞ্জোদাৰো অৰ্থাৎ অসমৰ খিলঞ্জীয়া সংস্কৃতি।

এনেদৰে অতি চুটি চুটিকৈ প্ৰত্যেকেই নিজৰ নিজৰ সাৰুৱা বক্তৃতা শেষ কৰি আহিছে। এনেতেই সভাস্থলীত এটা বিশেষ গুঞ্জনৰ সৃষ্টি হ'ল, প্ৰত্যেকেই বাটৰ ফালে চাব ধৰিলে আৰু লগে লগে সভাপতিয়ে মাইকত প্ৰচাৰ কৰি দিলে যে আজিৰ সভাৰ বিশেষ আলহী ডঃ হাজৰিকাদেৱ আহি পাইছেহি। আমিও স্বাভাৱতঃ সেইফালে চকু দিলো, সময়ত হাজৰিকাদেৱে



মঞ্চত আসন গ্ৰহণ কৰিলে। বৃহৎ অসমীয়া জাতিৰ একতাৰ স্থল হাউলীত ডঃ হাজৰিকাক তিনিজনী ছোৱালীৰ দ্বাৰা মাল্যাৰ্পণ কৰাৰ পিছত গামোছা, শৰাই তাৰোপৰি হাউলীৰ অতি মৰমৰ ব্যক্তি শ্বহীদ মধুকাইৰ স্ত্ৰী শ্ৰীমতী গিৰিজা বৈশ্যই শৰাইৰে ভুপেন হাজৰিকাক আদৰণি জনায়। তাৰ পিছত সভাপতিৰ অনুৰোধ ক্ৰমে সকলো শ্ৰোতাক লগত লৈ হাজৰিকাদেৱে হাউলীত স্থায়ী শ্বহীদ বেদীৰ আধাৰশিলা স্থাপন কৰি তেওঁৰ ভাষণ আৰম্ভ কৰে।

হাজৰিকাদেৱে ভাষণৰ আৰম্ভণীতেই অসমৰ জাতীয় একতা নিবিড় ভাবে বজাই ৰাখিবলৈ অনুৰোধ কৰি কয় যে—মানুহৰ মনটো যেতিয়া সৰু হৈ থাকে মানুহৰ নিজৰ ভাবধাৰা যেতিয়া সংকীৰ্ণ হৈ থাকে তেতিয়া মানুহৰ মাজত সাম্প্ৰদায়িকতা আদিৰ হীন মনোভাব আদি প্ৰবল হৈ উঠে। তাৰ উদাহৰণত তেওঁ তেওঁৰ লৰালি কালৰ এটি ঘটনা কয় যে—তেওঁ যেতিয়া গুৱাহাটীত আছিল তেতিয়া তেওঁ গুৱাহাটীখনকেই যেন গোটেই বিশ্ব তেনে ধৰণৰ হীন মনোভাব এটা হয়তো আছিল যাৰ ফলত সঘনাই পূব গুৱাহাটী আৰু পশ্চিম গুৱাহাটীৰ মাজত হোৱা কাজিয়াবোৰৰ মাজত তেওঁ আছিল এজন পূব গুৱাহাটীৰ সংঘৰ্ষৰ সদস্য। কিন্তু সময়ত তেওঁ যেতিয়া কলিকতা পায় তেতিয়া তেওঁৰ পূব গুৱাহাটী পশ্চিম গুৱাহাটী আদি মনোভাব নোহোৱা হৈ গোটেই অসমখনকেই নিজৰ নিজৰ লাগিছিল। তাৰ পিছত ইংলেণ্ড

আহিলৈ যাওঁতে কেৱল গুৱাহাটী বা অসম-খনকেই নহয় গোটেই ভাৰতবৰ্ষখনেই যেন তেওঁৰ নিজৰ যেন ভাব হৈছিল। তেওঁ পৃথিৱীৰ বিভিন্ন প্ৰান্তত কোৱা মই ভাৰতীয় কিন্তু অসমীয়া শব্দটিৰ পুনৰ বিশ্লেষণ কৰি কয়, মই সকলো ঠাইতে সকলো জাতিৰ লোকৰ মাজতেই এইযাৰ কথা চিঞৰি চিঞৰি কব পাৰো, কিয়নো মই অসমৰ 'জাৰজ' সন্তান নহয়। তাৰোপৰি মই অসমীয়া বুলি কলে মই ভাৰতীয় বুলি ক'লে বিশ্বৰ কোনো জাতিকেই মই অপমান কৰাটো নুবুজায়।" তেওঁ তেওঁৰ গীত—

"মোৰ আইক ভাল পালে জানো
আনৰ আইক ঘিন কৰাটোকে বুজায় ?"

গাই বুজাই দিছিল যে তেওঁ অসমীয়া তেওঁ ভাৰতীয়। তেওঁৰ মনত গোটেই বিশ্বই তেওঁৰ ঘৰ।

আন্দোলনৰ সময়ত বিভিন্ন কাৰণত মৃত্যু হোৱা শত সহস্ৰ শ্বহীদৰ প্ৰতি দুখ প্ৰকাশ কৰি তেওঁ কৈছিল যে সকলো মৃত্যুৱেই দুখজনক, সেই মৃত্যু এজন আন্দোলনকাৰীৰেই হওঁক বা এজন আন্দোলন দমনকাৰী পুলিচ বিষয়াৰেই হওঁক। কাৰণ এজন আন্দোলনকাৰীও মানুহ তথা এজন পুলিচ বিষয়াও মানুহ। সেয়েহে মানুহৰ মৃত্যু শোকত ভাগি পৰা তেওঁৰ কণ্ঠৰে, মানুহৰ মৰম স্নেহ আদি বুজাই দিবলৈ তেওঁ মৃত্যুস্থলী-লৈও দৌৰ মাৰে, মানুহৰ মৃত্যু দমন কৰিবলৈ, তেওঁ বুজায়, তেওঁৰ কথাৰে তেওঁৰ গানেৰে। সেয়েহে তেওঁ উল্লেখ কৰি তেওঁ গৈছিল নগা সীমান্তলৈ য'ত নগাসকলে লুকাই চুৰকৈ ভাৰতীয় লোকক গুলী কৰি মাৰে। তেওঁ ইংলেণ্ডলৈ গৈছিল যেতিয়া ইংলেণ্ডৰ বগা চাহাব সকলে ক'লা চামৰাৰ ভাৰতীয় সকলক গুলী কৰি মাৰিছিল। বহুতেই তেওঁক কৈছিল চাহাবৰ কাষ নাচাপিবলৈ, কাৰণ চাহাবে হয়তো ক'লা চামৰাৰ হাজৰিকাকো গুলী কৰি মাৰিব পাৰে, কিন্তু তেওঁ গৈছিল, তেওঁ উদাত্ত কণ্ঠে চাহাব সকলক কৈছিল যে ভাৰতীয় সকলৰ টকাৰে ধনী হোৱা, ইংৰাজ চাহাবে স্বাধীনতা ঘোষণাৰ পিছত বহুতো ভাৰতীয়ক দাস হিচাবে আনি ইংলেণ্ডৰ নাগৰিকত্ব দি এতিয়া গুলী কৰি মাৰি পেলোৱাৰ কি অধিকাৰ আছে ? তেওঁ গাইছিল এই গান—

"মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে।"

তেনে ধৰণৰে গাইছিল নগা সীমান্তত, গাইছিল ইংলেণ্ডত, গায় তেনে বহু মৃত্যু উপত্যকাত!

তেওঁ কৈছিল—"মই সকলো কথা নিৰ্ভীক ভাবে উদাত্ত কণ্ঠেৰে সকলোতেই কব পাৰোঁ কাৰণ মই কোনো ৰাজনৈতিক দলৰ মানুহ নহয়।"

তেওঁ হাউলীবাসী ৰাইজক বুজাই দিছিল স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ অসমত কিদৰে কোনো ধৰণৰ চৰকাৰী বাধাৰ সন্মুখীন নোহোৱাকৈ লাখ লাখ বিদেশী সোমাই কিদৰে প্ৰতিজন অসমবাসীৰ ৰাজনৈতিক, অৰ্থনৈতিক তথা সাংস্কৃতিক জীৱনত বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিছে।



ৰাজনৈতিক উদাসীনতাৰ বাবে স্থান পোৱা বিদেশীসকলৰ নিমিত্তে, বিদেশী বিতাড়নৰ হেতু কৰা প্ৰচেষ্টাত কিদৰে বহুত মানুহৰ মৃত্যু হৈছে আৰু "মৃত্যু" মানুহৰ মৃত্যু, এই মৃত্যু কোনো জাতিৰ নিজস্ব মৃত্যু নহয়, এই মৃত্যু হিন্দু-মুছলমান, বঙালী, খ্ৰীষ্টিয়ান আদি সকলো জাতিৰ মানুহৰ মৃত্যু। এই সকলোবোৰ মৃত্যুৱেই দুখ-জনক ভাবে হোৱা মৃত্যু। তেওঁ চৰকাৰী উচটনিত বৃদ্ধি পোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ মৃত্যু উপত্যকা ছিপাঝাৰ, নেলী, চমৰীয়া, আদিৰ দৃশ্য চাই শোকত বিয়াকুল হোৱা মনটিৰে লিখি, তেওঁৰ কণ্ঠৰ পৰা নিগৰি ওলোৱা—

"জুয়ে পোৰা তিৰাশীৰ
নিৰ্ব্বাচনীৰ বছৰ
মোৰ ভাইটি নোহোৱা হ'ল
জাননে খবৰ
তই জাননে খবৰ ?"

গীতটো সম্পূৰ্ণৰূপে গাই পুনৰবাৰ হাউলীবাসী ৰাইজক নমস্কাৰ জনাই তেওঁৰ ভাষণ শেষ কৰে। কাৰণ তেওঁৰ সিদিনাই বৰপেটাতো কাৰ্য্যসূচী আছে। ভূপেন হাজৰিকাৰ ভাষণে হাউলীবাসী ৰাইজক বিশেষভাবে মোহিত কৰে। আমিও সেইখিনি সময়ত এনেদৰে নীৰৱ শ্ৰোতা হিচাবে বহি আছিলোঁ যে কিদৰে সময়বোৰ পাৰহৈ গৈছিল আমি ধৰিবই পৰা নাছিলোঁ। হাজৰি-কাৰ ভাষণৰ শেষতেই সভাপতিয়ে সভা ভঙ্গৰ কথা উল্লেখ কৰে, আৰু লগে লগে হাউলী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰদ্ধনীয়েশ গোস্বামীদেৱে শ্লোগান লগাই দিয়ে "বন্দো অসম ছাত্ৰ সন্থা জিন্দাবাদ, জয় আই অসম" সকলো সমস্থৰত একেলগে দিয়া ধ্বনিতে হাউলীৰ আকাশ, বতাহ কঁপাই তুলিছিল। বিদায় মুহূৰ্তত শ্ৰোতা সমূহৰ মনোভাব কেনে হৈছিল বুজাৰ চেষ্টা কৰি মানুহৰ মুখবোৰলৈ চাওঁতে দেখা পাইছিলোঁ গাম্ভীৰ্য্য পূৰ্ণ একোখনি মুখেৰে প্ৰত্যেকেই ওলাই গৈছে, কাৰোৰেই যেন কথা কব পৰাৰ ক্ষমতা নাই। আমিও আটাইয়ে নিৰৱে তাৰ পৰা ওলাই আহিছিলোঁ, আহোঁতে লগত লৈ আহিছিলোঁ বহুতো জ্ঞানগৰ্ভ কথা। মনৰ মাজত বাজি থৈছিল ভূপেন হাজৰিকা-দেৱৰ সেই গীতটি—

"জুয়ে পোৰা তিৰাশীৰ
নিৰ্ব্বাচনীৰ বছৰ
মোৰ ভাইটি নোহোৱা হ'ল
জাননে খবৰ
তই জাননে খবৰ ?

(বাহুল্য ভয়ত ইয়াত দুই এজন ব্যক্তিৰ নাম তথা দুই এটা ভাষণৰ কথা লিখিব পৰা নাই, সেয়েহে মই এই ক্ষেত্ৰত তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।)

—লিখক

# ধৰ্ম্ম সাহিত্যত—সমন্বয়

অধ্যাপক—শ্ৰীঅমল ভৌমিক

পুণ্যভূমি ভাৰতবৰ্ষত আনুমানিক চাৰি হেজাৰ খ্ৰীষ্টপূৰ্ব্বাব্দত ঋগ্বেদ সৃষ্টি হোৱাৰে পৰা আৰম্ভ কৰি প্ৰায় ন শ খ্ৰীষ্টপূৰ্ব্বাব্দলৈ যথাক্ৰমে বেদবাদ, ব্ৰহ্মবাদ, সাংখ্য, যোগ, ন্যায়, ভাগৱতধৰ্ম্ম প্ৰভৃতি বিভিন্ন মতবাদৰ আৰু প্ৰাচীন উপনিষদ, ন্যায়-সূত্ৰ, মহাভাৰত, ৰামায়ণ আৰু শ্ৰীমদ্ভাগৱদ্‌গীতা প্ৰভৃতি গ্ৰন্থৰ সৃষ্টি হৈছিল।

গীতোক্ত মতবাদ প্ৰচাৰৰ সময়ত বৈদিক কৰ্ম্মবাদ, সাংখ্যৰ প্ৰকৃতিবাদ, উপনিষদৰ ব্ৰহ্মবাদ, যোগানুশাসন, প্ৰতীক উপাসনা, অৱতাৰবাদ আৰু ভক্তিমাৰ্গীয় বৈদিক ধৰ্ম্মৰ প্ৰধান অঙ্গ-বিলাকৰ সকলোবোৰেই পূৰ্ণতাপ্ৰাপ্ত হৈছিল। শ্ৰীগীতা তৎকালীন ভাৰতৰ আৰু প্ৰাচীন ভাৰতত প্ৰচাৰিত সকলোবোৰ মতকেই গ্ৰহণ কৰি সকলোৰে বিৰোধ ভঞ্জন কৰি, অপূৰ্ব্ব সমন্বয়েৰে নিজস্ব এটি বিশেষ মতবাদ প্ৰচাৰ কৰিছিল।

এই মতবাদক 'জ্ঞান-কৰ্ম্ম-সমুচ্চয়বাদ' বোলা হৈছিল। ইয়াৰ অৰ্থ —'তস্মাৎ অসক্তঃ সততং কাৰ্য্যং কৰ্ম্ম সমাচৰ।' (গীতা ৩।১৯ শ্লোক দ্ৰষ্টব্য)। অৰ্থাৎ, এতেকে তুমি ফলাকাঙ্খা শূন্য হৈ সৰ্ব্বদায় কৰ্ত্তব্য কৰ্ম্ম অনুষ্ঠান কৰা।

আত্মজ্ঞান লাভ নহলে আসক্তি আৰু কৰ্ত্তাভিমান দূৰ নহয়; সেই কাৰণে গীতাত কৰ্ম্ম কৰাৰ উপদেশ দিয়াৰ লগতে আত্ম-জ্ঞানৰো উপদেশ দিয়া হৈছে। জ্ঞান লাভৰ পিছত কৰ্ম্মসন্ন্যাস নকৰি অনাসক্ত ভাৱে লোক সংগ্ৰহাৰ্থে কৰ্ম্ম কৰা জীৱৰ কৰ্ত্তব্য, এইটো গীতাৰ নিশ্চিত মত। মীমাংসা, বেদান্ত, সাংখ্য সকলো শাস্ত্ৰৰ উৎপত্তি গীতা অংশত গ্ৰহণ কৰি, 'পুৰুষোত্তম তত্ত্ব' দ্বাৰা সকলোবোৰৰ মাজত সমন্বয় সাধন কৰিছিল।

বস্তুত, সকলোতে সামাদৃষ্টি আৰু সকলো জীৱৰ হিতৰ কাৰণে নিষ্কাম কৰ্ম্ম নীতিৰ ওপৰত প্ৰতিষ্ঠিত সকলো প্ৰকাৰ অত্যাচাৰ আৰু শোষণ বৰ্জ্জিত আদৰ্শ মানৱ সমাজৰ পৰিকল্পনা ভাৰতবৰ্ষৰ পূৰ্ব্বৰ কালৰ ঋষি সকলেই বিশ্বত পোন প্ৰথমে প্ৰচাৰ আৰু প্ৰতিষ্ঠিত কৰিছিল। ইয়াৰ সহস্ৰ বছৰ পিছত পাশ্চাত্য পণ্ডিত সকলৰ



বহুতেই এনেকুৱা আদৰ্শ সমাজ ব্যৱস্থাক কল্পনা-প্ৰসূত আদৰ্শ বুলি অভিহিত কৰিছিল। বাস্তৱ জগতত এনেকুৱা অৱস্থা কেতিয়াও হোৱা নাই আৰু ভৱিষ্যতত কেতিয়াও নহব বুলি তেওঁলোকে মত প্ৰকাশ কৰিছিল। কিন্তু অইনকালে বহু পাশ্চাত্য পণ্ডিতে ইয়াৰ বিপৰীত মতকেই প্ৰকাশ কৰিছিল। এওঁলোকৰ মাজত প্লেটো, এৰিষ্টটল, এপিকুৰাস প্ৰভৃতি প্ৰাচীন গ্ৰীক পণ্ডিত সকলে আছিল। এওঁলোকে পূৰ্ণজ্ঞানী-শুদ্ধতত্ত্ব-আদৰ্শ মানৱ সমাজৰ পৃষ্ঠপোষকতা কৰিছিল।

শ্ৰীগীতা ত্ৰয়োদশ উপনিষদ স্থানীয় আৰু দ্বাদশ উপনিষদৰ দৰেই মান্য। প্ৰাচীন কালৰে পৰা বৰ্ত্তমান কাললৈ দেশী বিদেশী বহু মনীষীয়ে গীতাৰ দ্বাৰা প্ৰভাৱিত হৈ আহিছে। ইংৰাজী আৰু জাৰ্মান ভাষাত গীতাৰ অনুবাদ প্ৰচাৰ হোৱাত উক্ত দেশবোৰত গীতা প্ৰচাৰৰ কাম বহু পৰিমাণে আগবাঢ়ি গৈছে।

আমেৰিকাৰ স্বনামধন্য পণ্ডিত এমাৰ্চন আৰু জৰ্ম্মন পণ্ডিত ডয়সন গীতাৰ ভাৱধাৰাৰে প্ৰভাৱিত বিদেশী মনীষীসকলৰ মাজত অন্যতম।

খ্ৰীষ্ট পূৰ্ব্বাব্দ ষষ্ঠ শতিকাত বৌদ্ধ ধৰ্ম্ম আৰু সাহিত্য গীতা মতাদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈছিল। নিবৃত্তিমূলক নিৰীশ্বৰবাদী বৌদ্ধ ধৰ্ম্মৰ পৰা প্ৰবৃত্তি মূলক ভক্তিপূৰ্ণ মহাযান পন্থাৰ উদ্ভৱ গীতাৰ প্ৰভাৱতেই সম্ভৱ হৈছিল; আৰু মহাযানী বৌদ্ধ সকলেই গীতা প্ৰভাৱিত বৌদ্ধ ধৰ্ম্ম তিব্বত, চীন, জাপান, তুৰ্কীস্থান আৰু পূব ইউৰোপৰ বিভিন্ন ঠাইত প্ৰচাৰ কৰিছিল। এনেকৈ ভাৰতীয় বৈদিক ধৰ্ম্মৰ প্ৰচাৰ বৌদ্ধযুগলৈ প্ৰায় গোটেই পৃথিৱীব্যাপী সম্প্ৰসাৰিত হৈছিল।

হিন্দু ধৰ্ম্ম বেদমূলক— বেদ সনাতন আৰু নিত্য। বিশ্বৰ প্ৰাচীনতম এই ধৰ্ম্মৰ নাম বৈদিক ধৰ্ম্ম বা সনাতন ধৰ্ম্ম। 'হিন্দু ধৰ্ম্ম' নাম বিদেশী প্ৰদত্ত।

মহাভাৰতত ভাগৱত ধৰ্ম্মক নাৰায়ণী ধৰ্ম্ম, একান্তিক ধৰ্ম্ম বা সাত্বত ধৰ্ম্ম নামেও অভিহিত কৰিছে। আলোচনাৰ সুবিধাৰ্থে আলোচ্য প্ৰবন্ধত সনাতন ধৰ্ম্মক বহুল প্ৰচাৰিত 'হিন্দু ধৰ্ম্ম' নামেৰেই অভিহিত কৰা হৈছে।

গীতা, উপনিষদ আৰু বেদান্ত দৰ্শনসমূহ হিন্দু ধৰ্ম্মৰ স্তম্ভ বা ভিত্তি স্বৰূপ। উল্লিখিত দৰ্শন বিলাকৰ উদ্দেশ্য:— বিশ্বধৰ্ম্ম, বিশ্বপ্ৰেম আৰু বিশ্বমানৱতাৰ প্ৰচাৰ। ভাগৱত ধৰ্ম্মৰ উদ্দেশ্য— জীৱৰ একমাত্ৰ লক্ষ্য বিশ্বৰ সকলোতে সচ্চিদানন্দ উপলব্ধি, সচ্চিদানন্দ অৱলম্বন আৰু সচ্চিদানন্দ প্ৰতিষ্ঠা। ভগৱদ্ভক্তি, বিশ্বপ্ৰীতি আৰু কৰ্ম্মনীতিৰ ইয়াতকৈ উচ্চ আদৰ্শ আৰু কি হব পাৰে? জীৱৰ জীৱন্মুক্তিৰ আৰু জগতৰ ভাৱী উন্নতিৰ সহায়ক ইয়াতকৈ উচ্চধাৰণা ভাৰতীয় ধৰ্ম্ম সাহিত্য বাদে অইন কোনো গ্ৰন্থত পোৱা নেযায়। ভাগৱৎ ধৰ্ম্মৰ মহান শিক্ষা— সৎ, চিৎ, আনন্দ— কৰ্ম্ম, জ্ঞান, প্ৰেম (Life, Light, and Love) কৰ্ম্ম-যোগ, জ্ঞানযোগ আৰু ভক্তিযোগৰ সমন্বয়ৰ শিক্ষা। উক্ত তিনিটা যোগৰ যুগপৎ অনুষ্ঠানৰ মাজেদি জীৱৰ পূৰ্ণ বিকাশ হয়, সচ্চিদানন্দৰ স্বধৰ্ম্ম লাভ হয়।

ভাগৱত ধৰ্ম্মৰ বিশিষ্ট গ্ৰন্থসমূহৰ অন্যতম শ্ৰীগীতা, শ্ৰীভাগৱত পুৰাণ, ব্ৰহ্ম সংহিতা আৰু মধ্যযুগৰ ৰামানুজাচাৰ্য্য প্ৰভৃতি যথাক্ৰমে বঙ্গ, অসমৰ গৌড়ীয় আৰু শঙ্কৰী গোস্বামী প্ৰভু সকলৰ গ্ৰন্থাদিয়ে প্ৰধান। অৱশ্যে সৰ্বপ্ৰাচীন গীতোক্ত ভাগৱত ধৰ্ম্মৰ স্বৰূপৰ লগত মধ্যযুগীয় বৈষ্ণৱ শাস্ত্ৰ আৰু বৈষ্ণৱ আচাৰৰ বহু বৈসাদৃশ্য লক্ষ্য কৰা যায়। ভাগৱত ধৰ্ম্মৰ গতিশীলতাৰ এইটো এক অন্যতম প্ৰমাণ। যুগৰ ধ্যান-ধাৰণাৰ পৰিবৰ্তনৰ লগে লগে যুগে যুগে ভাগৱত ধৰ্ম্মৰো পৰিবৰ্তন সাধিত হৈ আহিছে। অতীজৰে পৰাই 'ধৰ্ম্ম' শব্দ ব্যাপক অৰ্থত ঋষিসকলে প্ৰয়োগ কৰিছিল। ভাৰতবৰ্ষত মানুহৰ জীৱনৰ সকলো কৰ্ম্ম, ধৰ্ম্ম-কৰ্ম্মৰ অন্তৰ্ভুক্ত কৰা হৈছিল। সেই কাৰণে জীৱন অৰ্থ গতিময় কৰ্ম্মশীলতা আৰু উক্ত গতিময় কৰ্ম্মশীলতাক আশ্ৰয় কৰিয়েই ভাৰতীয় ধৰ্ম্মবোধৰ উৎপত্তি। অতীজৰে পৰা ভাৰতীয় মানুহৰ ৰাজনৈতিক, সামাজিক অৰ্থনৈতিককে আদি কৰি যিমান সমস্যা আছে সকলোবোৰৰ ধৰ্মীয় দৃষ্টিৰেই সমাধান কৰাৰ প্ৰচেষ্টা হৈছিল। ঈশ্বৰ আছে নে নাই এইটো সমস্যা নাছিল। ঈশ্বৰবাদী আৰু নিৰীশ্বৰবাদী সকলো মানুহেই ভাৰতীয় দৃষ্টিত সন্মানৰ পাত্ৰ আছিল আৰু আদৰ্শবান, নৈতিক চৰিত্ৰবান মানুহ মাত্ৰেই ঋষি পদবাচ্য হৈছিল।

আবহমান কালৰে পৰা শ্ৰীগীতা নতুন ভাবধাৰাৰে, নতুন নতুন টীকা ভাষ্যেৰে জনগণৰ মাজত প্ৰচাৰিত হৈ আহিছে আৰু ইয়াৰ যুগোপযোগী দৃষ্টিভঙ্গী অক্ষুণ্ণ ৰাখিব পাৰিছে। এইবোৰ টীকা ভাষ্য আমাৰ ধৰ্ম্ম সাহিত্যৰ অন্তৰ্গত হৈ জাতীয় সাহিত্যৰ ভঁৰাল চহকী কৰিছে। গীতা ভাষ্যকাৰ সকলৰ ভিতৰত যথাক্ৰমে শ্ৰীমৎ শঙ্কৰাচাৰ্য্য ( খ্ৰীঃ ৭৮৮— ৮২০ ); ৰামানুজাচাৰ্য্য ; যামুনাচাৰ্য্য ; নিম্বকাচাৰ্য্য ; মধ্বাচাৰ্য্য ; শ্ৰীধৰস্বামী (১৪শ :৫শ শতক) ; বল্লভাচাৰ্য্য ( খ্ৰীঃ ১৪৭৮— ১৫৩০ ); শ্ৰীমদ্ বিশ্বনাথ চক্ৰৱৰ্ত্তী ( খ্ৰীঃ ১৭শ ১৮শ ); অতি সাম্প্ৰতিক কালত মহাত্মা গান্ধী ; উপাধ্যায় গৌৰগোবিন্দ ৰায় ; লোকমান্য বালগঙ্গাধৰ তিলক, বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায় আৰু অৰবিন্দ ঘোষ প্ৰভৃতি অন্যতম।

ভাৰতবৰ্ষত সদায় সকলোৰে স্বাধীনভাবে ধৰ্ম্ম চৰ্চ্চা কৰাৰ অধিকাৰ আছে। হিন্দু ধৰ্ম্ম চৰ্চ্চাকাৰী সকলে ভাবে যে, সম্প্ৰদায় বিশেষে যি ধৰ্ম্ম মতকেই প্ৰচাৰ কৰা নহওক কিয় সেই ধৰ্ম্মৰ ভিত্তিভূমি হ'ব লাগিব গীতা। সেই কাৰণেই ভাৰতত গীতা গ্ৰন্থৰ যিমান টীকা ভাষ্য ৰচিত হৈছে আইন কোনো গ্ৰন্থৰ ইমান ভাষ্য গ্ৰন্থ ৰচিত হোৱা নাই। সাধাৰণ ভাবে কোৱা হয়, গীতা অপূৰ্ব্ব ৰহস্যময়ী, গীতা সৰ্ব্বকালৰ, সকলো মানুহৰ মান্য, যাৰ ৰহস্য ভেদ কৰাত মহামতি অৰ্জ্জুনেও বিৰত বোধ কৰিছিল।

ভাৰতীয় ধৰ্ম্ম সাধনাৰ মূল বিষয় হ'ল— বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন কৰা, বিভেদৰ মাজত মিলন প্ৰতিষ্ঠা কৰা। বস্তুত, নানাত্বৰ মাজত অৱস্থান কৰি একত্ব দৰ্শন কৰা অসম্ভৱ। শ্ৰীগীতা একমাত্ৰ গ্ৰন্থ যত শ্ৰীভগবানে সনাতন ধৰ্ম্মৰ



(জীৱৰ সনাতন প্ৰবৃত্তিৰ) বিভিন্ন অঙ্গ বিলাকৰ একত্ৰ সমাবেশ কৰি অধ্যাত্মিক উন্নতিৰ ক্ৰমিক উচ্চ অৱস্থাৰ, যথাক্ৰমে দ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ আৰু অদ্বৈতবাদৰ নিৰ্দ্দেশ দি সমগ্ৰস্বৰূপৰ উদ্ঘাটন কৰি অভূতপূৰ্ব্ব কৃতিত্বৰ অধিকাৰী হৈছিল। এই বিষয়ৰ অনুভৱে জ্ঞানীৰ পূৰ্ণত্বান লাভ হয়, আত্মজ্ঞান, দিব্যজ্ঞানৰ স্ফুৰণ হয়। অজ্ঞান জীৱৰ সংস্কাৰান্ধ দৃষ্টি অঙ্গবিশেষৰ মাজতেই আবদ্ধ থাকে, ই যেন অন্ধব্যক্তিৰ হস্তিদৰ্শনৰ দৰে একদেশদৰ্শী। জ্ঞানচক্ষুব্যতীত সমগ্ৰ তত্ত্ব হৃদ্গত নহয় ; এই জ্ঞান লাভ অৱশ্যে ঈশ্বৰৰ কৃপা সাপেক্ষ।

ভাৰতবৰ্ষত যি কেইটা সমাজ সংস্কাৰ আন্দোলন সংগঠিত হৈছিল সেই বিলাকৰ ভিত্তিভূমি আছিল ধৰ্মীয় দৃষ্টিভঙ্গী। ভাৰতত সংগঠিত বিপ্লৱসমূহ ধৰ্মীয় বিপ্লৱসমূহৰেই ফলশ্ৰুতি। মধ্যযুগীয় ভাৰতবৰ্ষত মানুহৰ মাজত আত্মীয়তাৰ বন্ধন দৃঢ় কৰাত আৰু জাতীয় ঐক্য ৰক্ষা কৰাত ধৰ্ম্ম আৰু ধৰ্ম্ম সাহিত্যবিলাকৰ অৱদান সৰ্ব্বজন স্বীকৃত।

আজি প্ৰমাণিত হৈছে, বঙ্গ আৰু অন্যান্য ভাৰতীয় ( হিন্দী, মৈথিল, গুজৰাটী, মাৰাঠী, ওড়িয়া, আৰু অসমীয়া ) ভাষা সমূহৰ উৎস মূল নিৰ্ণয়ত বিতৰ্ক থাকিলেও থাকিব পাৰে, কিন্তু এইবোৰ ভাষাভাষীলোকৰ মাজত, যি অপূৰ্ব্ব আত্মীয়তাৰ বন্ধন যুগে যুগে গঢ়ি উঠিছে, তাৰ ইন্ধন যোগাই আহিছে উক্ত ভাষাৰে ৰচিত ধৰ্মীয় সাহিত্যবোৰে। মধ্যযুগীয় ভাৰতবৰ্ষত প্ৰদেশে প্ৰদেশে স্থানিক ব্যৱধান থাকিলেও ভাবৰ ক্ষালৰ পৰা, ধৰ্ম্ম সাধনাৰ দৃষ্টিকোণৰ পৰা, প্ৰতিটো প্ৰদেশবাসীৰ মাজতেই আত্মীয়তাৰ বন্ধন নিবিড় ভাবে গঢ়ি উঠিছিল, আমাৰ গৌৰবোজ্জ্বল অতীত ইতিহাস ইয়াৰ সাক্ষী।

গাওঁ অধ্যুষিত ভাৰতৰ গাওঁবোৰত আজিও যি দুটা সৰ্ব্বসাধাৰণৰ সমানে মান্য অন্যতম কাৰণ—দৰিদ্ৰ আৰু ধৰ্ম্মবোধ লক্ষ্য কৰা যায়, প্ৰাচীন আৰু মধ্যযুগীয় ভাৰতবৰ্ষতো ইয়াৰ কোনো ব্যতিক্ৰম হোৱা নাছিল।

প্ৰয়োজনৰ অতিৰিক্ত ধন সঞ্চয়ৰ প্ৰতি, সমৰউপকৰণ বৃদ্ধিৰ প্ৰতি, পৰৰাজ্য গ্ৰাস কৰাৰ প্ৰতি ভাৰতীয় মন সদায় অনিচ্ছা প্ৰকাশ কৰি আহিছে। আধ্যাত্মিক ধন লাভেই ভাৰতীয় মনৰ সৰ্ব্বোত্তম আকাঙ্ক্ষা আছিল। এই মানসিকতাই ভাৰতীয় মানুহক কৰ্মবিমুখ কৰি ঐহিক ধনলাভৰ ক্ষেত্ৰত লাহে লাহে দৰিদ্ৰতৰ কৰি তুলিছিল। আজিলৈকে সেই মানসিকতাৰেই ভাৰতীয় মানুহে পৰিচালিত হৈ আহিছে।

ভাৰতীয় জন সমাজৰ মূল ভেটি দাৰিদ্ৰ্য্য আৰু ধৰ্ম্মবিশ্বাস। ধৰ্ম্মবোধে যুগ যুগ ধৰি ভাৰতীয় মনক একতা বন্ধনত বান্ধি ৰাখিছে। আজিও তীৰ্থ ক্ষেত্ৰলৈ গলে লক্ষ্য কৰা যায়, তৰ্পন, পিণ্ডদান, কুম্ভমেলাত সকলোৱে যে সকলৰ ভাষা বুজে এনে নহয়, তেওঁলোকৰ সামাজিক প্ৰথা, খাদ্য, ৰুচি, জীৱনযাত্ৰাৰ নিয়মনীতি সকলোবোৰ বেলেগ বেলেগ কিন্তু এইবোৰ লৈ কোনো সমস্যাৰ সৃষ্টি নহয় ; অগণিত

তীৰ্থ যাত্ৰী সানন্দে, পৰম উৎসাহেৰে তেওঁলোকৰ কৰণীয় কামবোৰ কৰি পৰম আনন্দ লাভ কৰিছে। ভাবিলে আচৰিত হ'ব লাগে আবহমান কাল ভাৰতৰ সুপ্ৰাচীন ধৰ্মৰ এনেকুৱা কি বিপুল শক্তি আছে, যি শক্তিয়ে বিশাল ভাৰত-ভূমিৰ পূব-পশ্চিম আৰু উত্তৰ-দক্ষিণক দৃঢ় বান্ধোনত বান্ধি ৰাখিব পাৰিছে। যুগে যুগে আমাৰ জন সাহিত্যত এই ঐক্যবোধৰ প্ৰতিফলন ঘটিছে। সেই কাৰণে আমাৰ জাতীয় সাহিত্য হল ধৰ্ম সাহিত্যবোৰ; ধৰ্ম সাহিত্য অবিহনে জাতীয় সভ্যতা-সংস্কৃতিৰ ঐক্য ৰক্ষা কৰা আজি অসম্ভৱ।

ভাৰতৰ মধ্যযুগীয় প্ৰাদেশিক গণ-সাহিত্যবোৰত এই ধৰ্মীয় দৃষ্টিভঙ্গী লক্ষ্য কৰা যায়। হিন্দী সাহিত্যৰ মধ্যযুগৰ ( ১৬শ শতক ) সাহিত্যিক মীৰাবাঈ, সুৰদাস, কবীৰ; গুজৰাটী সাহিত্যৰ (১৫শ শতক) নৰসিং মেটাৰ প্ৰভৃতিৰ ৰচনাত পুৰাণকেন্দ্ৰীক আৰু বৈষ্ণৱ ভক্তিবাদী সাহিত্যৰ পৰিচয় পোৱা যায়। মাৰাঠী সাহিত্যত সৰস্বতী গঙ্গাধৰ, দশোপান্ত আৰু একনাথ ধৰ্মীয় সাহিত্যৰ লেখক আৰু প্ৰচাৰক আছিল। ওড়িয়া সাহিত্যত সাৰলদাস, ওড়িয়া সাহিত্য জগতত পঞ্চসখা নামে জনাজাত কবিসকল; অসমীয়া সাহিত্যত শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, মাধৱকন্দলী (১৪শ ১৫শ শতক), দুৰ্গাবৰ, পীতাম্বৰ আৰু মানকৰ কবিসকলৰ সকলোৱেই ধৰ্মীয় সাহিত্য ৰচনা কৰি বিখ্যাত হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱে অসমৰ বাহিৰেও উত্তৰ আৰু দক্ষিণ ভাৰতৰ বৈষ্ণৱ ভক্তসকলৰ মাজত তেওঁৰ প্ৰচাৰিত 'একশৰণ ধৰ্ম' বা 'নাম ধৰ্মৰ' মাহাত্ম্য প্ৰচাৰ কৰিছিল। ধৰ্মগ্ৰন্থ ৰচনা কৰি দুৰ্বল অসমীয়া সাহিত্যক একক চেষ্টাৰে সৰ্বভাৰতীয় সাহিত্যত পৰিণত কৰিছিল। অসমত এটা নতুন যুগৰ পাতনি মেলিছিল। তেওঁৰ ৰচিত ভাগৱত পুৰাণ, ৰামায়ণ (উত্তৰ কাণ্ড), ৰুক্মিণীহৰণ কাব্য, ভক্তি ৰত্নাকৰ (সংস্কৃত), আৰু কীৰ্তন ঘোষা সকলনি গ্ৰন্থ মধ্যযুগীয় অসমীয়া ধৰ্মীয় সাহিত্যৰ অপূৰণীয় সম্পদ। ১৬শ শতাব্দীত শ্ৰীচৈতন্য দেৱৰ আবিৰ্ভাৱৰ ফলত বঙ্গদেশত যেনেকৈ বঙলা সাহিত্য আৰু বঙ্গালী জাতীৰ জাতীয় জীৱনত নতুন ভাবৰ সঞ্চাৰ হৈছিল, তেনেকৈ অসমীয়া সাহিত্য ক্ষেত্ৰতো ১৬শ শতিকাৰ অলপ আগতেই শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰভাৱত অনুৰূপ উদ্দীপনাৰ সৃষ্টি হৈছিল।

ঊনবিংশ, বিংশ শতিকাৰ ভাৰতীয় সভ্যতা সংস্কৃতিৰ ধাৰক আৰু বাহক কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুৰাভা প্ৰভৃতি প্ৰাতঃস্মৰণীয় মনীষীসকলৰ সাহিত্য কৰ্মতো উক্ত ধৰ্মীয় ভাব ধাৰাৰেই প্ৰতিধ্বনি শুনা যায়।

হিন্দুধৰ্মৰ আচৰণীয় আৰু বৈজ্ঞানিক মানদণ্ডেৰে প্ৰমাণিত সত্যবোৰ হল,—জড় আৰু চেতন এক নিত্যবস্তুৰ দুটা বিভিন্ন প্ৰকাশ মাত্ৰ। বিশ্ব ব্ৰহ্মাণ্ডৰ মূল তত্ত্ব প্লেটো, কান্ট, এমাৰ্সন, শিলোৱা প্ৰভৃতি দাৰ্শনিক সকলেও লিপিবদ্ধ কৰি গৈছে, কিন্তু ভাৰতবৰ্ষৰ ঋষিসকলৰ দৃষ্টিভঙ্গী সম্পূৰ্ণ



স্বকীয়া। দেৱত্ব লাভ সকলো মানুহৰ জীৱনা-দৰ্শৰ মূল কথা। আত্ম সাক্ষাৎকাৰৰ বলত নিঃশ্ৰেয়স মুক্তিলাভ সম্ভৱ যদিও, ই বৰ দুৰুহ আৰু সাধন সাপেক্ষ কিন্তু ই অলীক আৰু অবাস্তৱ ধাৰণা নহয়।

ভাৰতীয় সমাজ-জীৱনৰ আদৰ্শ, নৈতিক কৰ্ত্তব্য পৰায়ণতা, চীন, জাপানৰ লগত ভাৰতৰ এই বিষয়ে ঐক্য লক্ষ্য কৰা যায়। বৰ্ত্তমানে প্ৰবল কৰ্মশীলতাৰ বাহিৰে জাতীয় ঐহিক আৰু পাৰত্ৰিক অৱস্থাৰ উন্নতি হোৱা অসম্ভৱ।

ভাৰত তথা অসমৰ আজিৰ এই যুগসন্ধিক্ষণত অনৈক্যৰ আৰু সাম্প্ৰদায়িক বিচ্ছেদৰ মাজত ধৰ্মপ্ৰাণতা, একতা, সঙ্ঘবদ্ধতা আৰু নিয়মানুবৰ্ত্তিতাৰ ভাব যোগাই, আধ্যাত্মিক মুক্তি লাভৰ পথ প্ৰশস্ত কৰাৰ মানসেৰে, জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো মানুহকেই পৰমাত্মাৰ অংশীদাৰ ভাবি, ঐকান্তিক ভ্ৰাতৃবোধেৰে ভাল পাব পাৰিলে প্ৰকৃত স্বদেশ প্ৰেমৰ উদ্ভৱ হব, দেশৰ, দহৰ সাৰ্বিক মঙ্গল ত্বৰান্বিত হব। ইয়াৰ বাহিৰে ভাৰত প্ৰগতিৰ অন্য পথ নাই।

প্ৰবন্ধটি যুগুত কৰোতে যি সকল গ্ৰন্থকাৰৰ গ্ৰন্থৰ সহায় লোৱা হৈছে:—

(ক) ৰাধাকৃষ্ণন 'Indian Philosophy.'
(খ) অসিত কুমাৰ বন্দোপাধ্যায় 'বাংলা সাহিত্যৰ ইতিবৃত্ত' (প্ৰথম খণ্ড)।
(গ) সম্পাদকৰ প্ৰতিবেদন 'দৈনিক বসুমতী পত্ৰিকা'।
(ঘ) জগদীশ চন্দ্ৰ ঘোষ সম্পাদিত 'শ্ৰীমদ্ভগৱদ্গীতা'।

---

# চিগাৰেট খোৱাৰ ভয়াবহতা

শ্ৰীৰঞ্জন কুমাৰ গোস্বামী
দ্বাদশ মান শ্ৰেণী [বাণিজ্য]

বৰ্ত্তমান সমাজত চিগাৰেট খোৱাটো এটা সাধাৰণ কথা হৈ পৰিছে। চিনেমা হলত, পুজা-মণ্ডপত, উৎসৱ পৰ্ব আদিত চিগাৰেট খোৱাটো ডেকা বিলাকৰ মাজত এটা আনন্দৰ উৎস হৈ পৰিছে। আচলতে চিগাৰেট খোৱাটো স্বাস্থ্যৰ পক্ষে কিমান অপকাৰী সেই কথা জানিও চিগাৰেট খোৱাটো এটা বৰ আচৰ্য্যৰ বিষয়। চিগাৰেটৰ ধোঁৱা অত্যন্ত অপৰিশ্ৰুত আৰু তাত স্বাস্থ্যৰ পক্ষে অনিষ্টকৰ যথেষ্ট উপাদান থাকে।

WHO-ৰ এটা বিজ্ঞপ্তিৰ পৰা এইটো অনুধাৱন হয় যে চিগাৰেট খোৱাটো বিশ্বজনিন সমস্যা, যিয়ে অতি মাৰাত্মক ধৰণৰ বেমাৰ সঞ্চাৰ কৰিব পাৰে। বিজ্ঞপ্তিখনত কোৱা হৈছে যে "চিগাৰেট খোৱা অভ্যাসৰ ফলত শেহত ৯০% মানুহৰ হাঁওফাঁওৰ কৰ্কট ৰোগ, ৭৫% উশাহ নিশাহ লোৱা নলীৰ কেন্সাৰ আৰু ২৫% মানুহৰ আন ঠাইত দৈনিক আক্ৰমণত মৃত্যু বৰণ কৰে। আচলতে এইটো ৬৫ বছৰৰ মানুহৰ দেহত বেছিকৈ ঘটে। তথাপি এই বিলাক জানি বুজিও চিগাৰেট খোৱাটো এটা অভ্যাসত পৰিণত হৈছে আৰু ইয়াক বন্ধ কৰাৰ প্ৰচেষ্টা লোৱাটো অত্যন্ত দৰ্কাৰ হৈ পৰিছে"।

চিগাৰেটত নিকোটিন নামৰ এবিধ উত্তেজক পদাৰ্থ থাকে, ইয়াৰ প্ৰতিক্ৰিয়া অত্যন্ত গুৰুতৰ। কিন্তু, ডেকা বিলাকৰ মাজত মজনাকৈ ক্ষণ্ডা উত্তেজনাৰ বাবে সিহঁতে চিগাৰেট খোৱাত অত্যন্ত ইচ্ছুক।

চিগাৰেট খোৱাৰ অপকাৰিতাৰ কাৰণ বিশ্লেষণ কৰিলে এইটো জনা যায় যে, চিগাৰেট খাওঁতে নিশ্বাসৰ লগত ধোঁৱা খোৱাৰ বাবে অপকাৰৰ মাত্ৰা বেছি। আমাৰ হাঁওফাঁওত ৩০ (ত্ৰিশ) নিযুত বায়ু মোনা থাকে। ই গেছীয় পদাৰ্থ শোষণ কৰি লব পাৰে। নলীৰ বেৰবোৰ ইমান পাতল যে ইহঁতে বিষযুক্ত গেছবোৰ শোষণ কৰে। গোটেই শৰীৰত থকা তেজবোৰ তিনি মিনিটৰ মূৰে মূৰে সেই নলীবোৰেৰে অতিক্ৰম কৰে। চিগাৰেট খোৱা মানুহৰ তেজবোৰ নিকোটিনৰ ধোঁৱাৰে সম্পূৰ্ণৰূপে মিশ্ৰিত হয় আৰু সেই অশুদ্ধ তেজবোৰ হাঁওফাঁওত প্ৰৱেশ কৰে।



ৰসায়ন আৰু ঔষধ বিজ্ঞানৰ প্ৰভাৱঃ— বৈজ্ঞানীকসকলে এক মতত উপনীত হৈছে যে নিকোটিনৰ বাহিৰেও প্ৰুচিক এচিডেও মানুহৰ দেহত অনিষ্ট সাধন কৰিব পাৰে। ধপাতৰ ধোঁৱাত এনেকুৱা কিছুমান সৰু সৰু কণিকা ওঁাহি ফুৰে যে যাৰ আকৃতি মনিব নোৱাৰা বিধৰ—·৩ মাইক্ৰনৰ পৰা ১ মাইক্ৰনৰ ভিতৰত। নিশ্বাসত থকা ধোঁৱাৰ শতকৰা ৫০ ভাগে হাঁওফাঁওত প্ৰৱেশ কৰে। তাৰে কিছুমান কণিকা শ্বাস নলীভালৰ বেৰত সংলগ্ন হয় আৰু আন কিছুমানে 'মোটাইল' নামৰ এবিধ কোষত অন্তৰ্ধান হয়। মুঠতে প্ৰায় ৩৩ বিধ মান কণিকা চিগাৰেটৰ ধোঁৱাৰ পৰা চিনাক্ত কৰা হৈছে। কিন্তু ইয়াৰ গাঠনি বিভিন্ন ধপাতৰ ক্ষেত্ৰত অলপ বেলেগ হব পাৰে। সাধাৰণতে চিগাৰেটৰ ধোঁৱাবোৰ এচিড জাতীয় ( Acidic ) আৰু চুৰুটবোৰ সাধাৰণ ক্ষাৰকীয়।

চিগাৰেটৰ ধোঁৱাৰ পৰা উদ্ধাৰ কৰা নিকোটিনৰ পৰা এইটো সহজে অনুমান হয় যে সাধাৰণতে চিগাৰেটৰ ধোঁৱাবোৰত নিকোটিনৰ পৰিমাণ ১ মিলিগ্ৰামৰ পৰা ৩ মিলিগ্ৰামৰ ভিতৰত হব পাৰে। তাৰে ৭৫% ধোঁৱা হাঁওফাঁওত শোষিত হয়। গতিকে প্ৰত্যেক চিগাৰেটৰ ধোঁৱাত থকা নিকোটিনৰ ·৭৫ মিলিগ্ৰামৰ পৰা ২·২৫ মিলিগ্ৰাম নিকোটিন আমাৰ দেহত প্ৰৱেশ কৰে। আধা কি.গ্ৰাম ধপাতৰ পৰা নিষ্কাষণ কৰিব পৰা নিকোটিন হ'ল ২৪ গ্ৰাম। কিন্তু আচৰিত হব লগা বিষয় এইটোৱেই যে মাত্ৰ ·৭৫ মিলিগ্ৰামৰ নিকোটিনেই এটা কুকুৰক ৩ (তিনি) মিনিটৰ ভিতৰত মৃত্যুত পেলাব পাৰে।

চিগাৰেটত বহুবিধ কাৰ্নিয়োজেন ( কেন্সাৰ বেমাৰৰ সহায়ক ) চিনাক্ত কৰা হৈছে। বেছিভাগ কাৰ্নিয়োজেন ইমান ক্ষুদ্ৰাতি ক্ষুদ্ৰ যে ইহঁতক 'মাইক্ৰোগ্ৰাম' ( microgram ) স্তৰতহে পোৱা যায়। পাতল ছাল 'মিউকাছত' ঘটা উত্তেজনাশীল কাৰ্য্য সাধাৰণতে সংঘটিত হয় ধপাতৰ ধোঁৱাত থকা এমনিয়া, ৰাস্পিয় এচিড, এলডিহাইড, ফিনল নাইবা কিটনৰ কাৰণে।

চিগাৰেটত থকা কাৰ্বন মনোঅক্সাইডৰ পৰিমাণ মন কৰিবলগীয়া। এটা সাধাৰণ চিগাৰেটত ৭০ মিলিগ্ৰাম কাৰ্বন মনোঅক্সাইড থাকে, যদিও এজন মানুহে এটাৰ পিছত এটাকৈ খাই থাকে। কিন্তু তেওঁ খোৱা চিগাৰেটৰ ধোঁৱাত থকা কাৰ্বন মনোক্সাইড মাত্ৰ ৫%—১০% হিমগ্লবিনৰ লগত সংলগ্ন হব পাৰে।

চিগাৰেট খালে সাধাৰণতে দুই প্ৰকাৰৰ ধোঁৱাৰ উদ্ভৱ হয়, ( I ) যেতিয়া খাওঁতাজনে ধোঁৱাবোৰ দেহৰ ভিতৰত নিয়ে, তেতিয়া তাক প্ৰকৃত বিধৰ ধপাত খোৱা বোলে। ( 2 ) যেতিয়া চিগাৰেটটো জ্বলি জ্বলি পুৰে তাৰ ফলত যি ধোঁৱাৰ উদ্ভৱ হয় তাক নিষ্ক্ৰিয় ধপাত খোৱা বোলে। বিশ্লেষণ কৰিলে দেখা যায় যে এই নিষ্ক্ৰিয় ধপাত খোৱা কাৰ্য্য বৰ ভয়ংৰ বিধৰ। কাৰণ এই ক্ষেত্ৰত ধোঁৱাৰ আয়তন কম হব। নিষ্ক্ৰিয় ধপাত খোৱা কাৰ্য্যত বহুবিধ বিষজাত উপাদান বহু পৰিমাণে ঘনীভূত হৈ থাকে। কোৱা বাহুল্য যে এনে ধপাত খোৱা কাৰ্য্যত ধোঁৱাবোৰ চিগাৰেটৰ দ্বাৰা নাইবা খাওঁতাজনৰ দ্বাৰা কম পৰিমাণে পৰিশ্ৰুত।

নিষ্ক্ৰিয় বিধৰ ধপাত খোৱা কাৰ্য্য বৰ বিপদজনক।

সমীক্ষাৰ পৰা জনা যায় যে, শতকৰা ৫০ ভাগ মানুহে নিষ্ক্ৰিয় বিধ খোৱা কাৰণে বেয়া ফল লাভ কৰে। আনহাতে চিগাৰেট খোৱা মানুহবিলাকে এজমা, ক্ৰনিক, এনজিনা, পেপ্তিক, ব্ৰংকাইটিচ নাইবা ক্ৰমফাইচেমা আদি বেমাৰত ভুগে। তেওঁলোকে চিগাৰেটৰ বিষক্ৰিয়া বৰকৈ অনুভৱ কৰে। নিষ্ক্ৰিয় বিধ ধপাত খোৱা কাৰ্যাত নাইট্ৰোচোমাইন নামৰ এবিধ অতি মাৰাত্মক বিষৰ জীৱাণু কাৰ্ছিনোজেনত পোৱা যায়।

১৯৭৯ চনত U.S.A ৰ কেলিফৰ্নিয়া বিশ্ববিদ্যালয়ৰ দুজন অধ্যাপক চাৰ হোৱাইট আৰু চাৰ ফ্ৰোৱে-ৰে গৱেষণাৰ দ্বাৰা এক মতত উপনীত হৈছিল যে কোনো এজন চিগাৰেট নোখোৱা মানুহে যদি কেইবাবছৰো ধৰি একেৰাহে চিগাৰেট হুপা মানুহৰ লগত থাকে তেন্তে তেওঁৰ হাঁওফাঁওৰ ক্ৰিয়াও লাহে লাহে দুৰ্বল হৈ আহে। এনে ধৰণৰ পৰীক্ষাৰ ফলাফল লাভ কৰা হৈছিল চিগাৰেট খোৱা মানুহৰ দৈনন্দিন বিলাকৰ ক্ষেত্ৰত নাইবা তেওঁৰ ল'ৰা ছোৱালীৰ ক্ষেত্ৰত; ঘনবসতিপূৰ্ণ মহানগৰীবোৰত এনে ঘটনা বৰকৈ উদ্ভৱ হয়। এনেকুৱা চিগাৰেট খোৱা মানুহৰ তেজৰ পৰীক্ষা কৰোতে নিকোটিন তেজত পোৱা গৈছিল।

অধ্যয়নৰ পৰা জনা যায় যে চিগাৰেট খোৱা গৰ্ভৱতী মাতৃৰ সন্তানেও সেই নিষ্ক্ৰিয় খোৱা সেৱন কাৰ্যাৰ বলী হয় আৰু এই কাৰণে জ্ৰণটো নষ্ট কৰি পেলায়। ব্ৰিষ্টল (Bristol) ৰয়েল হস্পিতালৰ দুজন চিকিৎসক বাটলাৰ আৰু গোল্ডষ্টেইনে মন্তব্য কৰিছে যে ধপাত খোৱা মাকৰ কেঁচুৱাৰ আকাৰ সৰু হয় আৰু সিহঁতৰ বৰ্দ্ধনৰ (growth) হাৰো সুস্থ শিশুতকৈ কমে। ইয়াৰোপৰি যিবিলাক মাইকীয়ে চিগাৰেট সেৱন কৰে সেইবিলাকৰ সন্তান জন্মৰ হাৰ বাঢ়ে আৰু সেইদৰে মৃত্যুৰ হাৰো বাঢ়ে। এইটো আচলতে ঘটে প্লেচেণ্টাৰ (Placenta) বিশৃংখলৰ কাৰণে। পেনচিল ভেনিয়াৰ এডিনবাৰ্গ ষ্টেট কলেজৰ এটা প্ৰেছ টোকাৰ পৰা এইটো জনা গৈছে যে যিবিলাক স্ত্ৰীৰ শিবিয়েকে চিগাৰেট সেৱন কৰে তেওঁলোকৰ মৃত্যুৰ হাৰ গড় হিচাপে চাৰি বছৰকৈ কমে—এইটো আচলতে তুলনা কৰিব পাৰি চিগাৰেট নোখোৱা মাইকীৰ গিৰিয়েকৰ লগত।

## দৈহিক ক্ৰিয়া ঃ

(ক) হাঁওফাঁওৰ দুৰ্বলতা :—চিগাৰেট সেৱন কৰাৰ ফলত বহু মানুহৰ ক্ৰনিক ব্ৰংকাইটিছ ৰোগ হয়। বহুতৰে আকৌ শ্লেষ্মা হোৱাৰ কাৰণে উশাহ-নিশাহ লোৱাত যথেষ্ট কষ্ট হয়। এই ক্ষেত্ৰত বহুতে আকৌ হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু মুখত পৰে।

(খ) কাহ :—অত্যাধিক চিগাৰেট হুপাৰ ফলত কাহ আৰু খেকাৰ উৎপন্ন হয়। এইবিধ কাহক 'ভপোতাৰ কাহ' বোলে। ইয়াক একমাত্ৰ নিবাৰণ কৰাৰ উপায় হ'ল বিনাদ্বিধাই চিগাৰেট পৰিত্যাগ কৰা।

(গ) চিগাৰেট সেৱন আৰু কেন্সাৰ ৰোগ : —কেন্সাৰ বেমাৰৰ পৰা হাত সৰাৰ প্ৰাথমিক পদক্ষেপ হিচাপে ধপাত হুপা আৰু চোবোৱাটো বাদ দিয়া উচিত। কেন্সাৰ বেমাৰ সৃষ্টি কৰাত ধপাতে সহায় কৰে। হাঁওফাঁওৰ কৰ্কট ৰোগ



কেৱল চিগাৰেট খোৱাৰ ফলত সৃষ্টি নহয়। চিগাৰেট খোৱাৰ ফল স্বৰূপে মুখ, ঠেঁটু নাইবা খাদ্যনলীত কৰ্কট ৰোগ দেখা দিয়াৰ সম্ভাৱনা বেছি। বহুলোক এই বেমাৰত আক্ৰান্ত হোৱাৰ কাৰণ অধ্যয়ন কৰিলে এইটো ওলাই পৰে যে জৰায়ু নাইবা ঠেঁটুত কেন্সাৰ হোৱাৰ বাবে দায়ী একমাত্ৰ এই ধপাত সেৱন কৰাটো।

(ঘ) স্নায়ু যন্ত্ৰৰ ক্ৰিয়া :—এনব্ৰাইলেপিয়া নামৰ এবিধ অন্ধ হোৱা ৰোগ কেতিয়াবা কেতিয়াবা ধপাত সেৱন কৰিলে হোৱা দেখা যায়। অতি মাৰাত্মক ধৰণে সেৱন কৰিলে টোপনি কম হোৱা, মূৰ ঘূৰণি, নিউৰেলজিয়া বেমাৰ দেখা দিয়ে।

(ঙ) আইন ধৰণৰ ক্ৰিয়া :—চিগাৰেট খোৱা মাতৃৰ শিশুৰ মৃত্যু হাৰ বেছি। এনেকুৱা ১/৩ অংশ শিশু জন্ম হোৱাৰ এবছৰৰ ভিতৰত মৰে। ১/৩ অংশ শিশুৰ মস্তিষ্ক আৰু স্নায়ুৰ বিঘ হয়। আৰু মাংস পেশীত হোৱা আপোনা আপুনি প্ৰবল জোকাৰৰ কাৰণে মৃত্যু মুখত পৰে। তেনে মাতৃৰ স্তনৰ গাখীৰতো নিকোটিনৰ এটি গোন্ধ পোৱা যায়। এনে মাতৃৰ গৰ্ভজাত শিশু সাধাৰণতে অকালতে জন্ম লভে আৰু দেহৰ গাঁথনিত কিবা বিলুপ্ত হোৱা দেখা যায়।

পৃথিৱীজুৰি চিগাৰেট সেৱন কৰা যি ব্যাধি দেখা গৈছে ই আচলতে W. H. O. ৰ লক্ষ্য। "HEALTH FOR ALL BY THE YEAR 2000"—ৰ ভিতৰত সম্পূৰ্ণ বিপৰীত। ইয়াৰ মূল লক্ষ্যত উপনীত হবলৈ হলে ধপাত খোৱা বন্ধ কৰিব লাগিব।

### ধপাতৰ ভিতৰত থকা পদাৰ্থবোৰ ঃ

| পদাৰ্থ বিশেষ | বিষয়বস্তু |
|---|---|
| পলিচাইক্লিক এৰমেটিক হাইড্ৰ'কাৰ্বন ডাইবেঞ্জাক্ৰাইডাইনচ, চাইবেঞ্জা কাৰ্বজোলচ আৰু এক্ৰাবিনচ | কৰ্কট ৰোগ বাহক, কৰ্কট ৰোগ সহায়ক আৰু কাৰ্ছিনোজেনদায়ক কৰ্কট ৰোগ সহায়ক |
| মিথাইল ইন্দোল, মিথাইল কাৰ্বজোলচ আৰু কেটেকল | কাৰ্ছিনোজেনদায়ক |
| এৰমেটিক এমাইন নিকোটিন আৰু অন্যান্য এলকালোইড | ব্লাডাৰ কাৰ্ছিনোজেন খোৱা কাৰ্ছিনোজেন আৰু উত্তেজনশীলদায়ক |
| ফিনলচ | কৰ্কট ৰোগ সহায়ক |

### গেছীয় পদাৰ্থবোৰ :—

| | |
|---|---|
| নাইট্ৰো চেমাইনচ, হাইড্ৰ'জাইনচ, ক্লৰাইডচ, ইউৰেথিনচ, পিৰিডিনচ, এলডিহাইটচ, নাইট্ৰ'জেন অক্সাইড, এমোনিয়া, কাৰ্বনমনো অক্সাইড | কাৰ্ছিনোজেন, বিকট গোন্ধদায়ক আৰু উত্তেজনাদায়ক। |

### তৃতীয় বিশ্বত চিগাৰেট খোৱাৰ ধুম :—

বিশ্ব স্বাস্থ্য সংস্থাৰ এটা প্ৰেছ টোকাত প্ৰকাশ কৰা মতে তৃতীয় বিশ্বৰ দেশবোৰত যি হাৰত চিগাৰেট খোৱা মানুহৰ সংখ্যা বাঢ়ি গৈছে, সি আচলতে W. H. O ক সচকিত কৰি তুলিছে।

পৰিসাংখ্যিক হিচাপমতে W.H.O. প্ৰকাশ কৰিছে উন্নত দেশবিলাকতো চিগাৰেট খোৱা মানুহৰ অনুপাত বাঢ়ি গৈছে। তাৰ ফলত মানুহৰ কি হৈছে? মানুহে বঢ়াইছে কৰ্কট ৰোগ, নাইবা নাড়ী বা শিৰৰ বেমাৰ বাঢ়ি গৈছে যদিও তাত হিচাপ দিয়া পৰিসংখ্যাক গণনাটো শুদ্ধ নহয় তথাপি তাত পৰিস্কাৰকৈ কোৱা হৈছে যে তৃতীয় বিশ্বত চিগাৰেট খোৱা হাৰ ৫% বাঢ়িছে আৰু পশ্চিমীয়া দেশত কিন্তু তেনেকুৱা হাৰত কমিছে গৈছে।

তাত কোৱা মতে ভাৰতৰ দৰে ক্ৰমোন্নতিশীল দেশ এখনত এই বিশ (২০) বছৰৰ ভিতৰত চিগাৰেটৰ খৰচৰ পৰিমাণ ৭০% বাঢ়িছে, পাকিস্থানত ১০ বছৰৰ ভিতৰত ৬০% আৰু শ্ৰীলঙ্কাত বছৰত ৮% বাঢ়ি গৈছে। W.H.O. পৰিসাংখ্যিক গণনাটোত কোৱা হৈছে যে বাংলাদেশত ৭১% পুৰুষ আৰু ২০% নাৰীয়ে (যিবিলাক আচলতে নিম্ন মধ্যবৃত্ত শ্ৰেণীৰ) চিগাৰেট সেৱন কৰে।


আনহাতে কিছুমান দেশৰ চিগাৰেটৰ খৰচৰ মাত্ৰা অতিকৈ দৃশ্যমান। যেনে—আইলেণ্ড—এইখন দেশত ১৯৭০ চনৰ পৰা ১৯৭৭ চনৰ ভিতৰত চিগাৰেটৰ বিক্ৰী সংখ্যা ৫০% বাঢ়িছে। মানুহে আয়ৰ ⅕ অংশ চিগাৰেট খাই আমোদ প্ৰমোদ কৰাতহে খৰচ কৰে।

চকুলগা বিষয় এইটোৱেই যে ফিলিপাইনচ,ৰ দৰে দেশত হাঁওফাঁওৰ কৰ্কট ৰোগ হোৱাটো এটা সাধাৰণ বিষয় হৈ পৰিছে। আনহাতে তাত তিৰোতাৰ কৰ্কটৰোগৰ সংখ্যাও বাঢ়ি গৈছে। পাকিস্থানত এই চাৰি বছৰৰ ভিতৰত হৃদৰোগীয়া মানুহৰ সংখ্যা চতুৰ্থ স্থানৰ পৰা প্ৰথম স্থান অধিকাৰ কৰিছে।

W.H.O. ই এইবুলি সাৱধান বাণী শুনাইছে যে বৰ্দ্ধিত হাৰত চিগাৰেট জুপাই মানুহৰ মাজত এটা বৰ ভয়াবহ বিপদ চপাই আনিছে। ই পৰোক্ষভাবে জঙ্গলবোৰ মৰুভূমিত পৰিণত কৰিব ধৰিছে—কাৰণ উন্নত দেশবোৰে যেতিয়া পাতবোৰ সিজাই শুকাই লোণ দি ৰাখিব তেতিয়া সেইবোৰ দেশে কাঠহে ব্যৱহাৰ কৰে—সিইতে এই গেছ নাইবা তেলৰ বাৰ্ণাৰ ব্যৱহাৰ নকৰে একমাত্ৰ খৰচৰ বাবে।

(Science Reporter ৰ সহায় লোৱা হৈছে।)

# কলেজ আলোচনী সম্পাদনা সমিতি
## ১৯৮৪-৮৫ চন্।



বাওঁফালৰ পৰা :
প্ৰথম শাৰীত ( বহি )—অধ্যাপকদ্বয় শ্ৰীঅমল চন্দ্ৰ ভৌমিক, শ্ৰীগুঞ্জন চন্দ্ৰ নাথ, অধ্যক্ষ শ্ৰীসত্যনাথ দাস ( সভাপতি ),
,, শ্ৰীনবীন ভট্টাচাৰ্য্য ( তত্বাঃ ), শ্ৰীঅজিৎ চৌধুৰী ( তত্বাঃ )।
দ্বিতীয় শাৰীত (থিয় হৈ)— মকবুল হুছেইন খান (সম্পাদক), শ্ৰীবলোদেৱ বাস্তা (সম্পাঃ), শ্ৰীঅশোক কুমাৰ দাস (সাঃ সঃ ছাত্ৰ একতা সভা)।

প্ৰথম স্থান লাভ কৰোঁতা



শ্ৰীপূৰ্ণম চৌধুৰী
প্ৰাক্ বিশ্ববিদ্যালয়, বাণিজ্য পৰীক্ষা
১৯৮৫চন্।

তৃতীয় স্থান লাভ কৰোঁতা




শ্ৰীপ্ৰবীণ কুমাৰ মাহেশ্বৰী
প্ৰাক্ বিশ্ব বিদ্যালয়, বাণিজ্য পৰীক্ষা
১৯৮৫ চন্।

বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ



শ্ৰীঅমিয় নাথ
একাদশ শ্ৰেণী, কলা।

বছৰৰ শ্ৰেষ্ঠ অভিনেতা




শ্ৰীত্ৰৈলোক্য দাস
স্নাতক, ২য় বাৰ্ষিক বাণিজ্য।

বছৰৰ শ্ৰেষ্ঠা গায়িকা



ছেখ আজিৰুণ বেগম
স্নাতক, চূড়ান্ত বাৰ্ষিক, বাণিজ্য।

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীপূৰঞ্জিৎ তালুকদাৰ
পি, ইউ, ২য়বাৰ্ষিক বাণিজ্য।

## জীৱৰ মায়া তৰণৰ উপায়ত ঃ
# মহাপুৰুষ শংকৰ-মাধৱৰ লিখনি

শ্ৰীমহাদেৱ পাঠক
তিনি বছৰীয়া স্নাতক মহলা,
কলা শাখা (প্ৰথম)

'মায়া'—হ'ল এনেকুৱা বস্তু যিয়ে এটাৰ আচল স্বৰূপ ঢাকি ৰাখি তাক ৰূপান্তৰ কৰি দেখুৱায়। এই মায়া শক্তি প্ৰত্যক্ষ কৰি কোনেও দেখুৱাব নোৱাৰে অৰ্থাৎ এই মায়াৰ প্ৰকৃত স্বৰূপ পৰিদৃশ্যমান নহয়। মায়াৰ কাৰ্য্যৰ জৰিয়তেহে মায়া সম্বন্ধে সঠিক জ্ঞান পাব পৰা যায়।

মায়াৰ দুই শক্তি—আবৰণ আৰু বিক্ষেপণ। আবৰণ আৰু বিক্ষেপণ শক্তি ভেদে প্ৰকৃতি দুবিধ, আৱৰণ শক্তিৰে জীৱৰ উপাধি অবিদ্যা আৰু বিক্ষেপণ শক্তিৰে পাৰমেশ্বৰী মায়া; ঠিক তেনেদৰেই পুৰুষো দুবিধ—প্ৰকৃতি অবিবেকেৰে সংসাৰ ভ্ৰমণ কৰা জীৱ আৰু প্ৰকৃতিক বশ কৰি বিশ্ব সৃষ্টি কৰা স্বয়ং ভগৱান। এই দুই শক্তিৰ দ্বাৰাই সত্যক ঢাকি অসত্যক সত্য কৰি দেখুৱায়। কেতিয়াবা কোনোৱে জৰী এডালক সাপ বুলি মতিভ্ৰম কৰে; কিন্তু এই ক্ষেত্ৰত জৰী কেতিয়াও সাপ হব নোৱাৰে। ঠিক সেইদৰেই অবিদ্যা বা মায়া শক্তিৰ বলত ব্ৰহ্মও জগতৰূপে প্ৰতিভাত হয়; কিন্তু সেই বুলি জগত কেতিয়াও সত্য হব নোৱাৰে। ব্ৰহ্মই এই বিশ্ব ব্ৰহ্মাণ্ডত সত্যৰূপে প্ৰতিভাত হোৱাৰ মূলতেই হ'ল জীৱ জগত মোহময়ী ঐন্দ্ৰজালিকেৰে আবৰি থকাটো। সেয়ে এই ক্ষেত্ৰত মহাপুৰুষ শংকৰদেৱে কৈছে—

"অবস্তুক দেখাবয় বস্তুক আবৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি।।"
[ভাগৱতৰ দ্বিতীয় স্কন্ধ]

ঈশ্বৰৰ পৰাই জীৱ জগত সৃষ্টি হৈছে। ঈশ্বৰে নিজ মায়া শক্তিৰ জৰিয়তে জগত সৃষ্টি স্থিতি আৰু সংহাৰ কৰে। ঈশ্বৰ এই বিশ্ব-ব্ৰহ্মাণ্ড সৃষ্টি নিমিত্ত আৰু উপাদান কাৰণ। সেয়েহে মহাপুৰুষ জনাই হৈছে যে ঈশ্বৰৰ এটা

অংশ দেহাৰ হৈ জীৱাত্মাৰ উৎপত্তি আৰু এই জীৱাত্মাই দেহী অৰ্থাৎ দেহযুক্ত হৈ জীৱৰূপে প্ৰকাশ লাভ কৰে। এই জীৱদেহ ঈশ্বৰ বস্তুৰ পৰা পঞ্চ ভূতাদিৰে বিবিধ প্ৰাণীদেহ, যেনে— ভূত, প্ৰাণ, মন, ইন্দ্ৰিয় আদি গঠনা কৰি তাত অন্তৰ্যামী ৰূপে প্ৰবেশ হৈ থাকে।

যদিও এই বিশ্ব ব্ৰহ্মাণ্ডৰ জীৱদেহ ঈশ্বৰৰ পৰা একেবাৰে পৃথক বস্তু নহয়; তথাপিতো ই মায়া গুণৰ অধীন। এই মায়াৰ পাশত আবদ্ধ জীৱেই বুদ্ধি, অহংকাৰ আদিৰে আবৃত হৈ অখণ্ড ঈশ্বৰৰ অস্তিত্বক উপলব্ধি কৰিব নোৱাৰা হয়। যাৰ ফলত জীৱই নিজৰ আত্মাৰ স্বৰূপকো নজনা হয় আৰু সংসাৰৰ মায়া মোহৰ পাশ আৰু কৰ্মবন্ধত আবদ্ধ হৈ কেৱল মাথোন সংসাৰৰ দুখৰ নিকাৰ ভোগ কৰিবলগীয়া হয়। সেয়েহে মহাপুৰুষ মাধৱদেৱে নামঘোষাত আত্ম উপদেশত কৈছে—

হৰিনাম এৰি মন কি কৰ্ম কৰস।
মায়া মোহ জালে পৰি মিছাতে মৰস॥
[নামঘোষা]

গতিকে ঈশ্বৰ যে একমাত্ৰ সত্য আৰু সকলো মিছা বা অসত্য সেই কথা মহাপুৰুষসকলৰ আত্মিক লিখনিৰ জৰিয়তে জানিব পাৰি। বস্ত্ৰ নানা প্ৰকাৰৰ হলেও তাক সূতা বাহিৰেকে দেখা নাযায়; অৰ্থাৎ সূতাৰহে সত্তা অস্তিত্ব আছে, বস্ত্ৰ মিছা। সেয়েহে ঈশ্বৰৰহে কেৱল মাথোন বাস্তৱ সত্তা আছে অন্যান্য একোৰে কোনো বাস্তৱ সত্তা নাই। সেইদৰে ঈশ্বৰ বাহিৰেকে একোৱে পৰিদৃশ্য নহয়। মায়াৰ কাৰ্য-কলাপত এই জগত প্ৰপঞ্চৰ জাগতিক বিষয় সমূহ সৃষ্টি হৈ অস্থিৰ আৰু মিছা নাম ৰূপ পালেও এইবোৰ অসত্য বা মিছা। মুকুট, কুণ্ডল, কিংকিণী বিলাক স্বৰ্ণপাৰ্থক্যত সোণহে; ঠিক সেইদৰে জীৱ আৰু জগত মায়াময় ৰূপহে মাথোন। সেহে মহাপুৰুষ মাধৱদেৱে নামঘোষাত লিখিছে—

হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৱৰ মহৎক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত॥ [নামঘোষা]

এই মায়াময় জগতৰ জাগতিক বিষয়সমূহ সৃষ্টি হৈ অস্থিৰ আৰু মিছা বিভিন্ন নাম ৰূপ আৰু সম্বন্ধত প্ৰতিভাত হয় কাৰণে জাগতিক সকলোকে মায়া বুলি কয়। সেই অৰ্থত ধন, জন, পুত্ৰ, ভাৰ্যা আদি সকলো মায়া বুলি কোৱা হয়।

জীৱদেহ জড় প্ৰকৃতিৰ। জীৱৰ কোনো চৈতন্য নাই। ঈশ্বৰৰ পৰা চৈতন্য পাইহে জীৱে সচেতন হৈ উঠে। সাগৰৰ ঢৌ বা আকাশত ঘৰ্ষণৰ ফলত সৃষ্টি হোৱা পোহৰ নিমিষতে নোহোৱা হোৱাৰ দৰে মানৱ তথা জীৱ বাসিকো অন্তেৰ কাৰণেহে এই পৃথিৱীত জন্ম লাভ কৰি অন্তেৰ বাবে এই পৃথিৱীৰ পৰা আঁতৰি যাব লাগে। সেইবাবে এই জীৱ জগত অস্থায়ী আৰু অসাৰ। মহাপুৰুষ শংকৰদেৱে কীৰ্তনৰ গীতেৰে উপাখ্যানত এইদৰে কৈছে—



যত সুখ ধন জন সবে বিষ্ণুমায়া।
আকাশত প্ৰকাশে মেঘৰ যেন ছায়া॥ [কীৰ্তন]

আকৌ মাধৱদেৱে কৈছে—

অথিৰ ধন জন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সবহি অসাৰ
কৰবো কাহেৰি সাৰ॥ [বৰগীত]

জীৱ জগতৰ ভিতৰত মানুহ সকলোতকৈ শ্ৰেষ্ঠ জীৱ। মানুহক শ্ৰেষ্ঠ বোলাৰ মূলতেই হ'ল মানুহৰ দৰে আন জীৱবাসীৰ বিচাৰ বিবেক নাইবা চিন্তা কৰিবলগীয়া শক্তি নাই। কোটি কোটি বাৰ মায়াময় পাপচক্ৰত ঘূৰি কেতিয়া-বাহে মানৱ জন্ম লাভ কৰিব পাৰি বুলি মহাপুৰুষসকলে কয়। গতিকে মানৱ জন্ম লাভ কৰাৰ পিচতহে ঈশ্বৰৰ প্ৰকৃত স্বৰূপ চিনি পাব পাৰি। ঈশ্বৰৰ প্ৰকৃত স্বৰূপ চিনি মানুহে চৈতন্যহীন জীৱ দেহক লৈ গৌৰৱ কৰি মই মত্ত অহংভাবেৰে আবৃত হৈ ন্যায়-অন্যায় বিচাৰ বিবেচনা কৰিব নোৱাৰা হয়; ফলত এই সংসাৰতেই নানান বিকাৰ ভুগিবলগীয়াত পৰে। এইবোৰ সকলো মায়াৰ বলত হয়।

গতিকে এই মায়াময় শক্তিক বশ কৰি এই সংসাৰৰ পৰা কিদৰে পৰিত্ৰাণ পাব পৰা যায়, সেই পন্থা মহাপুৰুষসকলে আমাক দেখুৱাই দিছে। ভগৱানৰ প্ৰকৃত স্বৰূপ উপলব্ধিৰ নিমিত্তে কেৱল তেওঁৰ প্ৰতি থকা 'ভক্তিয়েই' শ্ৰেষ্ঠ বুলি কয়। ভক্তিয়েই যে ঈশ্বৰ উপলব্ধিৰ শ্ৰেষ্ঠ বস্তু সেই কথা প্ৰতিপন্ন কৰি মহাপুৰুষ শংকৰদেৱে কীৰ্তনৰ 'প্ৰহ্লাদ চৰিত্ৰত' প্ৰহ্লাদৰ মুখেৰে দৈত্য শিশু সকলক এনেদৰে উপদেশ দিছিল—

নলাগে ভকতি দেখিব ঋষি হইবে।
নলাগে সংস্কৃত শাস্ত্ৰ বিস্তৰ জানিবে॥
জপ তপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱল ভকতিত তুষ্ট হোন্ত নাৰায়ণ॥ [কীৰ্তন]

ভগৱানক কেৱল মাথোন ভক্তিৰ জৰিয়তেহে সন্তুষ্ট কৰিব পাৰি। ভক্তিৰ যোগে ঈশ্বৰক লাভ নকৰিলে আন উপায়ে কৃষ্ণক পাব নোৱাৰি। অনেক ধৰণে শত যজ্ঞ কৰিলেও তুষ্টি সিদ্ধি নহয়।

ভাগৱতত এনেকুৱা কথা আছে—

"ভক্তি মাৰ্গাৎ পৰং পন্থা কৃষ্ণ প্ৰাপ্তি ন বিদ্যতে।
অনেকধাৰ যজ্ঞ শতাৰ ভক্তি সিদ্ধি নাহি ধ্ৰুৱং॥"

সেয়ে ঈশ্বৰ প্ৰাপ্তিৰ মুখ্য পন্থা হ'ল 'ভক্তি'। এই ক্ষেত্ৰত তপ, জপ, যাগ যজ্ঞ, দান আদিৰ নিষ্প্ৰয়োজন। এই কলি যুগত একমাত্ৰ হৰিনাম শ্ৰৱণ-কীৰ্তনহে মুখ্য বস্তু।

এই ভক্তি ন'বিধ প্ৰকাৰৰ। যেনে—শ্ৰৱণ, কীৰ্তন, ধ্যান, পূজা, পদসেৱা, দাস্য, সখিত্ব, বন্দন আৰু আত্ম সমৰ্পণ। এই ন বিধ ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্তনেই প্ৰধান।

"যদ্যপি ভকতি নৱবিধ মাধৱৰ। শ্ৰৱণ
কীৰ্তন তাতে মহাশ্ৰেষ্ঠতৰ॥" [ৰত্নাৱলী]

অৱশ্যে এই শ্ৰৱণ কীৰ্তন গাইগুটীয়া ভাবে কৰা নহয়। ই সাৰ্বজনীন, সকলোৱে একেলগে শুনিব আৰু গাব পাৰে। ইয়াত কোনো গোপনীয় ভাব থাকিব নোৱাৰে। ই গণতান্ত্ৰিক

উপাসনা, সকলোৰে সমান অধিকাৰ। বস্তুতঃ ভকত সমূহিতে একেলগেই শ্ৰৱণ কীৰ্ত্তন কৰা নিয়ম। একেলগে শ্ৰৱণ কীৰ্ত্তন কৰাৰ ক্ষেত্ৰত শৃংখলিত ভাৱেই বাধিবৰ বাবে আনকি তেওঁলোকে তাল, মান, সুৰ আদিৰ আলো দি থৈ গৈছে।

ঈশ্বৰ সৰ্ব্ববিদ্যমান। ই সমস্ত ভূতত ব্যাপি আছে। সেয়েহে সমস্ত প্ৰাণীকে বিষ্ণুময় স্বৰূপে চাবলৈ দিছে। কোনো জীৱৰে প্ৰতি থকা হিংসাক প্ৰশ্ৰয় নিদি কেৱল মানুহেই সকলো প্ৰাণীকে বিষ্ণুময় দেখিব লাগে। তেতিয়াহে মানুহে ইহ সংসাৰৰ পৰা পৰিত্ৰাণ পাব পাৰে বুলি মহাপুৰুষসকলে কয়। যেতিয়া মৈলে অন্তৰত হিংসা-দ্বেষ, খিলা-খিলি, উচ্চ-নীচ আদিৰ ভাব শিপাই থাকে তেতিয়ালৈকে বিষ্ণু তথা শ্ৰীকৃষ্ণৰ প্ৰকৃত স্বৰূপক চিনি পাব নোৱাৰে। সেয়ে মহাপুৰুষ শংকৰদেৱে কৈছে—

"সমস্তভূতত ব্যাপি আছো মই হৰি
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।" [কীৰ্ত্তন]

আৰু,

বিষ্ণুময় দেখে যিটো সমস্ত জগতক,
জীৱন্তে মুকুত হোৱে অতি কালতে॥"
[কীৰ্ত্তন]

এই মায়াময় সংসাৰৰ পৰিত্ৰাণৰ নিমিত্তে স্বয়ং শ্ৰীকৃষ্ণদেৱে গীতাত অৰ্জুনক কৈছে—

"মন্মনা ভৱ মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োহসি মে।"

ওপৰত উল্লেখিত গীতাৰ উদ্ধৃতাংশ ভিৰি একে অৰ্থ প্ৰকাশ পাইছে মাধৱদেৱৰ নামঘোষাত কাকিত—

"মোত মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলো তোমাত সত্যবাণী
পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখী আমাৰ॥" [নামঘোষা]

গীতাৰ অন্তত স্বয়ং কৃষ্ণদেৱে আন এটি গুহ্যতম বাণী প্ৰচাৰ কৰিছে। যেনে—

"সৰ্ব্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহংত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ॥"

ওপৰত উল্লেখিত গীতাৰ উদ্ধৃতাংশ ভিৰি একে অৰ্থ প্ৰকাশ কৰি মহাপুৰুষ শংকৰদেৱে ভাগৱতত কৈছে—

"সৰ্ব্ব ধৰ্ম এড়ি এক শৰণ সাক্ষাৎ।
সুদৃঢ় বিশ্বাসে পশি মৈতেকে আমাত॥
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্তে পাপতে মুক্ত কৰিবো নিস্তাৰ॥
[একাঃ ভাগৱত]

আন এঠাইত কৈছে,

"একেকে উদ্ধৱ তুমি তেজ্যা বেদ পন্থ।
বিধা আজ্ঞা স্মৃতি এড়া আন গ্ৰন্থ॥
এক মোতে মাত্ৰ তুমি লৈয়ো মোৰ শৰণ।
নকৰিবা ভয় মুক্ত কৰিবো বচন॥
[একাঃ ভাগৱত]

উপৰোক্ত মানুহে বিষয় সুখত আবদ্ধ হৈ থকা বাবে ঈশ্বৰৰ প্ৰতি ভক্তি নোহোৱা হৈ বিবেকহীন পশুৰ দৰে কৰ্ম কৰে। যাৰ ফলত সংসাৰৰ দুখ বিকাৰ ভোগ কৰিবলগীয়াত



পৰে। এই বিষয় সুখৰ কথা পৰিত্যাগ কৰি হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰি তাৰ মধু পান কৰিব পৰাটোৱেই উত্তম পন্থা। সেয়ে মহাপুৰুষ মাধৱদেৱে লিখিছে—

দুৰন্ত মায়াতন্ত্ৰ লঙ্ঘিবা পাৰোঁ যোগ্য
বিষয়ৰ আশা পৰিহৰী।
সমস্ত সন্তত বসি সুখে হৰি গুণ গায়া
সন্তোষ অমৃত পান কৰা। [নামঘোষা]

এইমতে ঈশ্বৰৰ প্ৰতি ভক্তি ৰাখি মায়াময় সংসাৰৰ পৰা পৰিত্ৰাণ পাব পাৰি, সেই কথা মহাপুৰুষ সকলৰ লিখিত শাস্ত্ৰীয় পুথি অধ্যয়নৰ দ্বাৰাহে জানিব পাৰি। গতিকে তেওঁলোকৰ তাত্ত্বিক চিন্তাৰ পৰা আমি কব পাৰো যে প্ৰকৃত সত্য ভগৱানক 'মায়া' নামৰ এক মিছা কুহেলিকাৰ যি আৱৰণৰ দ্বাৰা মানুহ সদায় যি দৰে আবদ্ধ কৰি ৰাখিছে তাৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায় হৰিনাম গুণানুকীৰ্ত্তনহে মাথোন।

---

প্ৰবন্ধটি যুগুত কৰোঁতে সহায় লোৱা পুথি।

(১) ড: মহেশ্বৰ নেওগ—অসমীয়া সাহিত্যৰ ৰূপৰেখা
(২) শ্ৰীযুক্ত কালিৰাম মেধি—মহাপুৰুষ শংকৰদেৱৰ ধৰ্মবিষয়ক প্ৰবন্ধ আৰু সমাজত দুই এখন আৰু পুথিৰো সামান্যতম পৰিমাণে হা পৰিছে।

# ॥ সাক্ষাৎ প্ৰসঙ্গ ॥

বৰপেটা জিলাৰ নিয়োগ বিনিময় কেন্দ্ৰৰ নিয়োগ বিষয়া শ্ৰীদীননাথ বৰ্মণ (এম. এ., এল. এল. বি.)ৰ সৈতে ৪-১২-৮৪ ইং তাৰিখে তেওঁৰ কাৰ্য্যালয়ত হোৱা সাক্ষাৎ প্ৰসঙ্গ।

প্ৰশ্ন :—নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ উদ্দেশ্য আৰু নিবনুৱা যুৱক-যুৱতীসকলৰ কৰ্ম-সংস্থানৰ সমস্যা সমাধানত ইয়াৰ ভূমিকা সম্পৰ্কে এটা আভাস দিব নেকি ?

উত্তৰ :—দ্বিতীয় মহাযুদ্ধৰ অৱসানৰ লগে লগে বিশেষকৈ প্ৰাক্তন সৈনিকসকলৰ পুনৰ সংস্থাপনত সহায় কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৯৪৫ চনত জাতীয় নিয়োগ সেৱা ( National Employment Service ) গঠন কৰে। পিচত ১৯৪৮ চনৰ পৰা জাতীয় নিয়োগ সেৱাৰ দুৱাৰ সকলো কৰ্মপ্ৰাৰ্থীলৈ খুলি দিয়া হয়। ১৯৫৫ চনত নিয়োগ বিনিময় কেন্দ্ৰ সমূহ কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰৰ অধীনলৈ আহে। ১৯৫৯ চনৰ বাধ্যতা-মূলক নিয়োগ জাননী আইন ( Compulsory Natification of Vacancies Act. ) অনুযায়ী সকলো চৰকাৰী প্ৰতিষ্ঠানে আৰু ২৫ জন বা ততোধিক কৰ্মী নিযুক্তি দিয়া বেচৰকাৰী প্ৰতিষ্ঠানে নিয়োগ বিনিময় কেন্দ্ৰলৈ নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত চাকৰিৰ জাননী আৰু নিয়োগ তথ্যৰ বিৱৰণ দাখিল কৰাতো বাধ্যতা-মূলক কৰা হৈছে। নিয়োগ বিনিময় কেন্দ্ৰই নিয়োগ কৰ্তাৰ চাকৰিৰ জাননীৰ পৰিপ্ৰেক্ষিতত নাম পঞ্জীয়ন কৰা প্ৰাৰ্থীৰ শিক্ষাৰ অৰ্হতা, চাকৰিৰ সংখ্যা, বিশেষ পদৰ বাবে থকা দক্ষতা আৰু সজীৱ পঞ্জীত (Live Register) থকা নামৰ জ্যেষ্ঠতা (Seniority) আদি বিবেচনা কৰি নিয়োগ কৰ্তালৈ সাক্ষাৎকাৰৰ বাবে নাম পঠিওৱা হয়। বহুতো নিবনুৱা যুৱক-যুৱতীয়ে নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি কৰ্ম সংস্থানৰ সুবিধা গ্ৰহণ কৰিব পাৰিছে।

প্ৰশ্ন :—অসমত কিমান নিয়োগ বিনিময় কেন্দ্ৰ আছে জনাব নেকি ?



উত্তৰ :—অসমত বৰ্তমান ৪৭ টা নিয়োগ বিনিময় কেন্দ্ৰ আছে। প্ৰতি মহকুমাৰ সদৰ ঠাইত আৰু প্ৰতি জিলাৰ সদৰ ঠাইত একোটাকৈ জিলা নিয়োগ বিনিময় কেন্দ্ৰ আছে। প্ৰত্যেক নিয়োগ বিনিময় কেন্দ্ৰৰ একোটা (Jurisdiction) এলেকা আছে। তাৰোপৰি গুৱাহাটী, ডিব্ৰুগড় আৰু যোৰহাট কৃষি বিশ্ববিদ্যালয়ত একো-টাকৈ নিয়োগ তথ্য আৰু নিৰ্দেশনা কেন্দ্ৰ, নিয়োগ সঞ্চালকৰ কাৰ্য্যালয়ত এটা উচ্চ বৰ্গৰ (Professional & Executive) চাকৰিৰ বাবে আৰু শাৰীৰিকভাৱে বিকলাংগ সকলৰ বাবে এটা বিশেষ নিয়োগ বিনিময় কেন্দ্ৰ আছে ডিব্ৰুগড়ত চাহ শ্ৰমিকৰ নিযুক্তিৰ বাবে এটা বিশেষ নিয়োগ বিনিময় কেন্দ্ৰ আছে।

প্ৰশ্ন :—নিয়োগ বিনিময় কেন্দ্ৰসমূহ সাধাৰণতে চহৰ অঞ্চলতে অৱস্থিত। গাওঁ অঞ্চলৰ নিবনুৱা যুৱক-যুৱতীৰ বাবে নিয়োগ বিনিময় কেন্দ্ৰই কেনে ধৰণে সহায় কৰিব পাৰে এই বিষয়ে অলপ কব নেকি ?

উত্তৰ :—যদিও এই কেন্দ্ৰবোৰ নগৰ অঞ্চলতে অৱস্থিত, গাওঁ সমূহৰ কৰ্ম প্ৰাৰ্থীয়েও এই নিয়োগ বিনিময় কেন্দ্ৰসমূহত নাম পঞ্জীয়ন কৰি ইয়াৰ সুবিধা গ্ৰহণ কৰিব পাৰে। অৱশ্যে কেইটামান উন্নয়ন খণ্ডত নাম পঞ্জীবদ্ধ কৰিবৰ বাবে একোটাকৈ নিয়োগ বুৰো ( Employment Bureou) আছে। তাৰোপৰি আজিকালি গাওঁ অঞ্চললৈ গৈ Camp Registration ৰ ব্যৱস্থা কৰা হৈছে।

প্ৰশ্ন :—যি কোনো অঞ্চলৰ কৰ্মপ্ৰাৰ্থীৰ সংখ্যা আৰু কিমানে নিযুক্তি পাইছে তাৰ সম্পূৰ্ণ তথ্য নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা পাব পৰা যায় নেকি ?

উত্তৰ :—সকলো ধৰণৰ চাকৰিৰ বাবে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীবদ্ধ কৰাতো বাধ্যতামূলক নহয়। অৱশ্যে চৰকাৰী চাকৰিৰ বাবে আবেদন কৰিবৰ বাবে আজি কালি নিয়োগ কৰ্তাই পঞ্জীয়ন নম্বৰ বিচাৰে। আনহাতে কামত নিযুক্তি পোৱা কিছুমান লোকেও ভাল সুবিধাৰ আশাত নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰোৱা দেখা যায়। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম বাচনি আয়োগ ( Staff Selection Commission ), বেঙ্ক ৰিক্ৰুইটমেণ্ট বৰ্ড, Railway Service Commission আদিয়ে বিভিন্ন চাকৰিৰ বাবে লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰে। গতিকে কৰ্ম প্ৰাৰ্থীৰ লোকৰ সংখ্যা আৰু বিভিন্ন ধৰণৰ অৰ্হতা সম্পন্ন কাৰ্য্যক্ষম লোকে কেনে ধৰণৰ নিযুক্তি পাইছে এই সম্বন্ধে নিয়োগ বিনিময় কেন্দ্ৰই সম্যক তথ্য দিব নোৱাৰিলেও নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ পৰিসংখ্যাৰ পৰা নিবনুৱা

আৰু কৰ্মসংস্থানৰ পৰিস্থিতি সম্পৰ্কে বহু পৰিমাণে জানিব পাৰো।

প্ৰশ্ন :—নিয়োগ কৰ্তাসকলে এই নিয়োগ বিনিময় কেন্দ্ৰ সমূহ কেনেদৰে ব্যৱহাৰ কৰিছে তাৰ এটা আভাস দিব নেকি ?

উত্তৰ :—নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি কিমানে কৰ্মসংস্থানৰ সুবিধা পাইছে, আৰু ইয়াৰ দ্বাৰা কেনে ধৰণৰ আৰু নিয়োগ কৰ্তাসকলে এই কেন্দ্ৰ সমূহ কেনেদৰে ব্যৱহাৰ কৰিছে নিয়োগ বিনিময় কেন্দ্ৰৰ নিয়োগ তথ্য সংগ্ৰহক গোট (Employment Market Information) পৰা এই কথা জানিব পাৰি। নিয়োগ তথ্যৰ সংগ্ৰহকাৰ্য্য নিয়োগকাৰীয়ে নিজে দিয়া প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কৰা হয়। ধাৰাবাহিক ভাবে তিনি মাহৰ অন্তৰে অন্তৰে নিজ প্ৰতিষ্ঠানত থকা কৰ্মীৰ সংখ্যা, নিয়োগ বিনিময় কেন্দ্ৰলৈ দিয়া কৰ্মী নিয়োগৰ সংখ্যা আৰু কেনে ধৰণৰ কৰ্মী নিয়োগৰ ক্ষেত্ৰত কি অসুবিধা পাইছে এই সকলোবোৰ তথ্য আৰু পৰিসংখ্যা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত জনাবলৈ অনুৰোধ কৰা হয়। নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ অধিকৰ্তাৰ কাৰ্য্যালয়ত নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ পৰা পোৱা তথ্য সমূহ সামগ্ৰিক ভাবে একত্ৰিত কৰি ৰাজ্যভিত্তিক প্ৰতিবেদন প্ৰকাশ কৰা হয়।

প্ৰশ্ন :—কিছুমান নিয়োগ বিনিময় কেন্দ্ৰত বৃত্তি বিষয়ক নিৰ্দেশনা শাখা (Vocational Guidance Unit) আছে। এই শাখাৰ কাম কি ?

উত্তৰ :—বৃত্তি বিষয়ক নিৰ্দেশনা (Vocational Guidance) আৰু চাকৰী সম্পৰ্কীয় পৰামৰ্শ দিয়া নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ অন্যতম কৰ্তব্য। নিয়োগ বিনিময় কেন্দ্ৰ সমূহত থকা বৃত্তি নিৰ্দেশনা বিভাগৰ দ্বাৰা বৃত্তি নিৰ্দেশনাৰ ব্যৱস্থা কৰা হয়। বৰ্তমানে দেখা যায় যে, এফালে বহুতো সংখ্যক নিবনুৱা চাকৰি বিচাৰি হাবাথুৰি খাইছে, আনফালে কিছুমান চাকৰি উপযুক্ত অৰ্হতা সম্পন্ন কৰ্মীৰ অভাৱত পূৰণ কৰিব পৰা নাই। এই সমস্যা সম্যকৰূপে পৰ্য্যালোচনা কৰি চাকৰি প্ৰাৰ্থী তথা ছাত্ৰসকলে কি ধৰণৰ শিক্ষা বা প্ৰশিক্ষণ ললে তেওঁলোকৰ ভৱিষ্যতৰ চাকৰি পোৱাৰ অধিকতৰ সুবিধা হয়, তাৰ পৰামৰ্শ আৰু নিৰ্দেশনা এই শাখাই আগবঢ়ায়। অৱশ্যে বৰপেটা নিয়োগ বিনিময় কেন্দ্ৰত এতিয়ালৈকে এই শাখা নাই। নিয়োগ বিভাগৰ দ্বাৰা প্ৰকাশিত বৃত্তি বিষয়ক পুস্তিকা আদিৰ দ্বাৰাও ছাত্ৰ তথা কৰ্মপ্ৰাৰ্থী সকলে বিভিন্ন চাকৰি, বিশেষ ধৰণৰ শিক্ষা নাইবা প্ৰশিক্ষণ, আৰু বিভিন্ন আত্ম নিয়োগত আঁচনি সম্পৰ্কীয় তথ্য আদি আহৰণ কৰিব পাৰে।



প্ৰশ্ন :—নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি নিবনুৱা ভাট্টা দিয়া হয় কেনে ধৰণৰ নিবনুৱা যুৱক-যুৱতী এই ভাট্টা পাবৰ বাবে যোগ্য জনাব নেকি ?

উত্তৰ :—অসম নিবনুৱা ভাট্টা আঁচনি ১৯৮৩ৰ যোগেদি স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ একেবাৰে তিনি বছৰ বা ততোধিক কাল নিবনুৱা হৈ থকা নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়ন কৰা নিবনুৱা স্নাতকক মাহে ৫০·০০ টকাকৈ এই ভাট্টা দিয়া হয়। আবেদন কাৰীৰ বয়স ৩০ বছৰৰ তলত আৰু পৰিয়ালৰ বাৰ্ষিক আয় ৭২০০ টকা আৰু অনুসূচীত জাতি আৰু জনজাতি প্ৰাৰ্থীৰ বাবে এই আয় ৯৬০০ টকা আৰু বয়স ৩৫ বছৰৰ তলত হব লাগিব। এনে নিবনুৱা স্নাতক সকলে নিবনুৱা ভাট্টা লবৰ বাবে নিঃ বিঃ কেন্দ্ৰৰ পৰা আবেদন পত্ৰ সংগ্ৰহ কৰিব পাৰে। বৰপেটা জিলাত চেপ্তেম্বৰ ৮৫ লৈকে ৭২১ জন নিবনুৱা স্নাতকে এই ভাট্টা লাভ কৰিছে।

প্ৰশ্ন :—আপোনালোকৰ নিয়োগ বিনিময় কেন্দ্ৰৰ তথ্যৰ পৰা বৰপেটা জিলাৰ নিবনুৱা সম্পৰ্কে এটি আভাস দিব নেকি ?

উত্তৰ :—বৰপেটা নিয়োগ বিনিময় কেন্দ্ৰ ১৯৬২ চনৰ পৰা আৰম্ভ হয় আৰু ১৯৮৪ চনৰ এপ্ৰিল মাহৰ পৰা ইয়াক জিলা নিয়োগ বিনিময় কেন্দ্ৰলৈ উন্নীত কৰা হয়। এই নিয়োগ বিনিময় কেন্দ্ৰত এতিয়ালৈকে সজীৱ পঞ্জীত থকা নিবনুৱাৰ সংখ্যা ২৬,১৫৯ তাৰ ভিতৰত প্ৰবেশিকা ১১,৭০৮ প্ৰাক বিশ্ববিদ্যালয় ৩,৭৫০, স্নাতক ১,০৫০, কাৰিকৰী ৪৪০ ইত্যাদি। বৰপেটা জিলাত বিশেষ নতুন শিল্প তথা বাণিজ্যিক প্ৰতিষ্ঠান গঢ়ি উঠা নাই। এই পৰিপ্ৰেক্ষিতত নিয়োগ বিনিময় কেন্দ্ৰলৈ দিয়া চাকৰি বিজ্ঞপ্তিৰ সংখ্যাও তুলনামূলক ভাবে কম। আনফালেদি চাকৰি প্ৰাৰ্থীৰ সংখ্যা বহুগুণে বৃদ্ধি পাইছে। বৰপেটা নিঃ বিঃ কেন্দ্ৰৰ অধীনত মাত্ৰ প্ৰায় ১৭৮ টা চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান ৪০টা বেচৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান আছে। এইটো কথা সুনিশ্চিত যে চৰকাৰে বাদ্ধাৰ সকলো ধৰণৰ নিবনুৱাৰ বাবে চৰকাৰী বিভাগবোৰত কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব নোৱাৰে। গতিকে কৰ্মসংস্থান মানেই এটা চাকৰি পোটোৱা এনে ধৰণৰ মনোভাৱ সলনি কৰি ফলপ্ৰসূ আত্মনিযুক্তিমূলক ব্যৱস্থাৰ জৰিয়তে এই সমস্যা লাঘৱ কৰিবলৈ সুকীয়া দৃষ্টিভঙ্গী লোৱাটো সম্প্ৰতি কৰ্মসংস্থানৰ সুযোগ সন্ধানীৰ বাবে অত্যাৱশ্যকীয় বিষয়। তাৰবাবে নিবনুৱা সকলে এনে শিল্প উদ্যোগৰ আঁচনি লৈ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰা উচিত। তাৰোপৰি আজিৰ যুগ হ'ল প্ৰতিযোগিতাৰ যুগ। আমাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলে বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতকাৰ্য্য হবৰ বাবে নিজকে প্ৰস্তুত কৰি নিয়োগৰ সুবিধা গ্ৰহণ কৰাটো একান্ত কাম্য।

গল্প

# অন্য এক অনুভূতি

চন্দন মিশ্ৰ
বি. কম, ২য় বাৰ্ষিক

মই এজন শিক্ষিত যুৱক। অনা অৰ্থত ইউনিভাৰ্চিটিয়ে দিয়া মোৰ এটা ডিগ্ৰী আছে। বহু অফিছত ইন্টাৰভিউ দিয়ো চাকৰি এটা মোৰ ভাগ্যত নিমিলিল। সহজ অৰ্থত মই এজন নিবনুৱা ডেকা। যোৱা কালিয়েই বঙ্গাইগাওঁ নিফাইনেৰীত চাকৰি এটাৰ বাবে ইন্টাৰভিউ দিবলৈ আহিছিলো। ভাবিছিলো এইবাৰ কিবা এটা হব। পিছে সমস্ত নিৰাশাৰে এইয়া ঘৰলৈ উভতিছো।

উজনিমুৱা তিনিচুকীয়া মেইলখনৰ দ্বিতীয় শ্ৰেণীৰ ডবা এটাত উঠিয়েই মানুহৰ অসহ্য ভীৰৰ মাজেৰে ভিতৰলৈ যোৱাৰ অপচেষ্টা নকৰি অকমান ঠাই পাই তাতেই কিবাকৈ বহি ললো। এই দীঘলীয়া যাত্ৰা পথত কথা পাতিবলৈ তেনে কোনো সুবিধা নথকাত অলপ চিন্তিত হলো। ডবাৰ ভিতৰত থকা সেই শৰণাৰ্থী যেন লগা লেতেৰা মানুহবোৰে সাংঘাটিক ভাবে গোলমাল লগাই থকাত কিছু বিৰক্তি বোধ কৰিছো।

হঠাতে মোৰ দৃষ্টি নিবদ্ধ হ'ল মোৰ পৰা অকণমান আঁতৰৰ চিটটোত বহি থকা ধুনীয়া ছোৱালী জনীৰ ওপৰত। ছোৱালীজনী সঁচাই অপৰূপা। কলেজীয়া জীৱনত বহু ছোৱালীয়েই লগ পাইছো যদিও এইজনী যেন এক ব্যতিক্ৰম। যেন অগ্ন ধাতুৰে গঢ়া এইজনী ছোৱালীৰ প্ৰতিটো অঙ্গই মোহ লগা। পাতল সেউজীয়া কাপোৰযোৰেৰে তাইৰ চকুযুৰিত সঁচাই যেন কিবা মায়া লুকাই আছে। চৌ খেলি যোৱা কিচ কিচিয়া ক'লা চুলিখিনিৰে সৈতে সমগ্ৰ মুখ মণ্ডলৰ আকৰ্ষণে মোক আকৃষ্ট কৰি তুলিলে।

নিৰৱতাত ডুবি থাকি অসহ্য লগাত ছোৱালী জনীৰ লগত চিনাকি হোৱাৰ প্ৰবল ইচ্ছা হ'ল। দেখিলো তাই মোৰ চকুলৈ একেথৰে চাই আছে। মই দৃষ্টি ঘূৰাই খিৰিকীৰে বাহিৰৰ পৰিবেশটোলৈ চাইছো। ট্ৰেইনখন সকোৰে গৈ আছে। এক মনে ছোৱালীজনীৰ কথাই ভাবি আহি আছো। দৰ্জাৰ কাষত আন এজন



মানুহৰ লগত কথা পাতি থকা আধবয়সীয়া মানুহজন ছোৱালীজনীৰ কাষতে বহিল। ছোৱালীজনীৰ গাতে গা লগাই বহা দেখি মোৰ কিছু খং উঠিল। ইমান অভদ্ৰ; কিন্তু মই আচৰিত হলো ছোৱালীজনীয়ে অকণো বিৰক্তিবোধ নকৰাত। মই আৰু আচৰিত হলো যেতিয়া দেখিলো মানুহজনে ছোৱালীজনীক কিবা কিবি সুধিবলৈ আৰম্ভ কৰি দিছে। মনতে ভাবিলো মই অথনিৰে পৰা ইয়াত বহিও ছোৱালীজনীক মাতিবলৈ সাহ কৰা নাই; অথচ এই মানুহজনে আহিয়েই ছোৱালীজনীক কিবাকিবি সুধিবলৈ আৰম্ভ কৰি দিছে। কিন্তু মোৰ ভাল লাগিল এই কাৰণেই যে ছোৱালীজনীয়ে মানুহজনৰ কোনো এটা কথাৰে উত্তৰ দিয়া নাই। লক্ষ্য কৰিছো তাই কেৱল একমনে কথাবোৰ শুনি গৈছে। কিয় কব নোৱাৰো তাইৰ প্ৰতি অজানিতে মোৰ এক শ্ৰদ্ধাৰ ভাব উপজিল।

মানুহজনে মোৰ পিনে বাৰে বাৰে চাই থকাত মোৰ ভাব বোধহয় তেখেতে মোৰ লগত কথা পাতিব খুজিছে। অথনিৰে পৰা কাৰোবাৰ সতে কথা পতাৰ মোৰ তীব্ৰ ইচ্ছাখিনিক কামত খটোৱাৰ কথা ভাবোতেই মানুহজনে মোক সুধি পেলালে—"আপুনি কলৈ যাব?" মই খোৰতে গুৱাহাটীলৈ যাম বুলি কলো। তেখেতে কলৈ যাব বুলি সোধাত এটা হুমুনিয়াহেৰে কলে—"আমি লক্ষৌৰপৰা আহিলো। নলবাৰীলৈ যাম।" ছোৱালীজনীলৈ আঙুলিয়াই পুনৰ কলে— "এইজনী মোৰ একমাত্ৰ ছোৱালী।" তেখেতে আৰু বহুত কিবাকিবি কৈছিল। ছোৱালীজনী তেখেতৰ জীয়েক বুলি জানি ইমান পৰে সোমাই থকা তেখেতৰ প্ৰতি খং খিনিটো তৎক্ষণাত নাইকিয়া হ'ল। তথাপি মোৰ ভাব হ'ল তেখেত আঁতৰি যোৱাহেতেন!! ছোৱালীজনীৰ সতে চিনাকি হোৱাৰ ইচ্ছাটো প্ৰবল হৈ আহিল। বৰপেটাৰোড ষ্টেচন পাৰ হলোৱেই আৰু কিছু সময় পিছতেই নিৰ্দ্দিষ্ট ষ্টেচনটো পালেই তেওঁলোক নামি যাব। তেতিয়া ছোৱালীজনীৰ সতে চিনাকি হোৱাৰ আশাখিনি ধূলিস্মাৎ হৈ যাব।

ছোৱালীজনীৰ সতে কথা পতাৰ অকণমানো সুযোগ পোৱা নাই। দেউতাক ওচৰতে বহি থকা বাবে তাইক কিবা এটা সোধাৰ অসুবিধা বোধ কৰিছো। পাঠশালা ষ্টেচন পোৱাত নামি গ'ল। বোধ হয় কিবা কিনিব। এনে এটা সুযোগ আহি পৰাত ভগৱানক বহুত ধন্যবাদ। এই সুযোগতে ছোৱালীজনীক সুধি পেলালো "তোমাৰ দেউতাৰাৰ লগত চিনাকি হৈ ভাল লাগিল। তোমাৰ বাৰু নামটো কবা নে?" মোৰ প্ৰশ্নটো শুনাৰ পাছত তাইৰ দৃষ্টি থৰ হৈ ৰ'ল মোৰ চকুত কিছু সময়ৰ বাবে। ক্ৰমাৎ তাই লাহে লাহে দৃষ্টি আঁতৰাই নি তলমূৰ কৰি ৰ'ল। ভাবিলো তাই বোধহয় লাজতে নামটো কবলৈ টান পাইছে। সেয়ে মই পুনৰ কলো —"নামটো কবলৈ ইমান লাজ কৰিব লাগেনে?" মোৰ কথা শুনি তাই মাথো উদাস দৃষ্টিৰে বাহিৰলৈ চাই ৰ'ল। তাইৰ এনে অদ্ভুত ব্যৱ-

হাবত মই লাজত, খঙত বড়-চিন্তা পৰি পলো। মোৰ এনে ভাব হ'ল তাইৰ গালত যেন মই এতিয়াই এটা চৰ সোধাই দিম। ট্ৰেইনখন চলিবলৈ আৰম্ভ কৰিলে অথচ দেউতাকৰ দেখাদেখিয়েই নাই। সৌন্দৰ্যৰে ভৰপুৰ ছোৱালী এজনীৰ ব্যৱহাৰো যে ইমান বেয়া হব পাৰে ভাবি আচৰিত লাগিল। মনতে ভাবিলো কেতিয়া নলবাৰী পাওঁ। কাৰণ ইমান অপমান মোৰ সহ্য নহয়। দেউতাক আহিলে বাৰু কৈ দিম নেকি আপোনাৰ ছোৱালীজনী ইমান অভদ্ৰ ?

নলবাৰী ষ্টেচন পাবলৈ কিছুপৰ থাকোঁতেই দেউতাক আহি ওলাল। তেওঁলোকৰ বয়বস্তুবোৰ সামৰি নামিবলৈ যো-জা কৰিছেহে এনেতে অনা কোঠাৰ পৰা অহা মানুহ এজনে তেওঁলোকৰ উদ্দেশ্যে মাত লগালে—"থ' খুৰাদেউ দেখোন! ক'ৰ পৰা ?" গভীৰ দুখেৰে তেওঁ কোৱা শুনিলো —"এই মিতালীক লক্ষ্মৌ মেডিকেলৰ পৰা লৈ আহিলো। ডাক্তৰে অশেষ চেষ্টা কৰিও একো কৰিব নোৱাৰিলে। কি কৰিম। সকলো ভাগ্যৰ লিখন। তাই পৃথিবীলৈ বোবা হৈয়ে আহিছিল যেতিয়া আমিনো কি কৰিব পাৰো।

দেউতাকৰ কথা শুনি মোৰ বুকুখন থান-বান হৈ গ'ল। কিছু সময়লৈ মই স্বৰগ পৰা মানুহ যেন হলো। মই যেন মিতালীৰ ওচৰত গৈ ক্ষমা খুজিম তেনে লাগিল। এনে অপৰূপ সৌন্দৰ্যৰ মাজতো যে খুঁত থাকিব পাৰে ভাবি আচৰিত লাগিল। ছোৱালীজনী যেন নলবাৰীত নামিব নালাগে মোৰ সন্মুখতে বহি থাকক। এইবোৰ ভাবি থাকোঁতেই ট্ৰেইনখন উক্ত ষ্টেচনত ৰ'লহি। তাই নামিব খুজি মোলৈ চালে। সেই দৃষ্টিত মই দেখা পালো পৃথিৱীৰ সমগ্ৰ দুখ, বেদনা আকুলতা আৰু দেখা পালো কাৰুণ্যৰ এক মৌন প্ৰতিচ্ছবি।

ষ্টেচনৰ কাষৰ বাটটোৰে দেউতাকৰ সতে ছোৱালীজনী গৈ আছে। ইতিমধ্যে ট্ৰেইনখনে গতি ললে। চকুৰে মনিব পৰালৈ মই চাই থাকিলো এক নিবিষ্ট মনে। গভীৰ দুখত মোৰ মন চিন্তাত নিমগ্ন। আজিৰ এই কৰুণ দৃশ্য বাজি মোৰ সদায় মনত থাকিব। আৰু কেইটামান ষ্টেচন পাৰ হলেই গুৱাহাটী পাম গৈ। ঘৰলৈ গৈ এসাজ খাই এসাজ লঘোনে থকা প্ৰতিটো পৰিয়ালৰ প্ৰতিটো প্ৰাণীৰ শুকান মুখকেইখন দেখা পাম। এই অনুভূতিয়ে আগৰ সেই অনুকম্পাখিনি হয়তো নোহোৱা কৰিব। কাৰণ ই এক অন্য অনুভূতি।

---

# হে দেশদ্ৰোহী, তোমাক স্বাগতম্ !

শ্ৰীপুলেন্দ্ৰ মোহন দাস
বি. এ. ২য় বাৰ্ষিক

অইন দিনাখন অহাৰ দৰেই প্ৰণৱ আজি আহিছিল। হয়তো ইয়াৰ পিছতো প্ৰণৱ আকৌ আহি থাকিব যিমান দিনলৈ মোৰ স্বামী শেখৰ এইখন নিৰ্জন চাহ বাগিছাত চাকৰি কৰি থাকিব। কিন্তু সময়ত যদি কেতিয়াবা মোৰ স্বামীয়ে এই বাগিছাত চাকৰি এৰি দিয়ে তেতিয়া হয়তো আৰু কোনো দিনেই চাহ গছৰ মাজে মাজে সৰু আলিটোৰে এন্ধাৰৰ বুকুফালি প্ৰণৱে ইয়ালৈ নাহে। কিয়নো প্ৰণৱহঁতৰ নিচিনা মানুহৰ বাবে এনে বাগানৰ নিৰ্জনতাহে যোগ্য স্থান, য'ত থাকে মোৰ স্বামীৰ নিচিনা বিশ্বাসী লোকৰ দ্বাৰা দিয়া পূৰ্ণ নিৰাপত্তা।

নাহৰতলি চাহ বাগিচাৰ এজন যশস্বী ডাক্তৰ মোৰ স্বামী শেখৰ চলিহা। আজি বিগত তিনি বছৰীয়া মোৰ বৈবাহিক জীৱনৰ প্ৰতিটো দিনতেই মই স্বামীক বৰ বিশ্বাস সহকাৰেই মানি আহিছো। আৰু তেওঁ মোক আনন্দ দিয়াৰ হেতু পাৰাপাৰ বিহীন ভাবে ঢালি দিছে অকৃত্ৰিম মৰম, প্ৰেম আৰু দিছে মোৰ কোলা শুৱনি 'তৃষ্ণা'ক। মোৰ স্বামীয়ে বিগত দিনবোৰত কোনো দিনেই মোৰ পৰা কথা লুকুৱা নাছিল, কিন্তু সেইদিনা মোৰ আগত স্বামীয়ে এযাৰ কথা গোপন কৰিছিল, যিদিনা প্ৰণৱ প্ৰথম আমাৰ ঘৰলৈ আহিছিল।

বকুলতলি গাওঁত জন্ম লাভ কৰা মোৰ স্বামীৰ পঢ়া জীৱনত বন্ধু-বান্ধৱ আছিল তেনেই সীমিত। খুব কম কথা কোৱা নিৰ্জু তথা সহজ সৰল শেখৰৰ একমাত্ৰ বন্ধু আছিল সেই একেখন গাঁৱৰেই প্ৰণৱ শইকীয়া। পঢ়া-শুনাত চোকা প্ৰণৱে হেনো মাজে সময়ে মোৰ স্বামীৰ ঘৰলৈ আহি বহুত কথাই কৈছিল। কৈছিল পঢ়া-শুনাৰ কথা, কৈছিল সমাজ সংস্কাৰৰ কথা আৰু প্ৰশাসনৰ মিছা আৱৰণ গুচাই দিয়াৰ কথা। কিন্তু মোৰ স্বামীয়ে মাথোন চিনি পাইছিল কিতাপ। পঢ়া জীৱনত স্বামীৰ দৈনন্দিন কাৰ্য্যতালিকাৰ ভিতৰত আছিল কিতাপ পঢ়া আৰু কবিতা লিখা। কিন্তু তথাপিও যেন গঢ়ি উঠিছিল প্ৰণৱ আৰু শেখৰৰ মাজত এক গভীৰ ভাল পোৱা। দুয়োৰে যদিও লক্ষ্য বেলেগে বেলেগে

গতি কৰিছিল তথাপি তেওঁলোক দুয়োৰে মাজত যেন কৰবাত এক মিলৰ সেতুও আছিল। যি নহওক, সময়ত বকুলতলি উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা এটা সময়ত দুয়ো বন্ধুৱে সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ, উচ্চ আশা যুক্ত বাক্তি পঢ়িবলৈ বুলি ওলাই আহিছিল অসমৰ মাজ-মজিয়াত থকা গুৱাহাটীৰ কটন কলেজলৈ, আৰু তেতিয়া আছিল ১৯৬২ চন।

কটন কলেজৰ বিজ্ঞান শাখাৰ কৃতী ছাত্ৰ মোৰ স্বামী শেখৰ আৰু তেওঁৰ বন্ধু প্ৰণৱ দুয়ো আছিল প্ৰাক্-বিশ্ববিদ্যালয়ৰ শ্ৰেণীৰ ছাত্ৰ, আৰু সেই একেটা বছৰতেই অসমৰ আকাশ বতাহ কঁপাই সেলিহান জিহ্বা মেলি গোটেই অসমতেই ভাষা আন্দোলনৰ এক্ৰো প্ৰকাণ্ড জুই। সেই জুই জ্বলিছিল গুৱাহাটীত, কলিকতাত, শিলিগুৰীত, ধুবুৰীত আৰু অসমৰ গোটেই অসমৰ গাওঁ, চহৰ নগৰবোৰত। চৰকাৰী যন্ত্ৰই গণতন্ত্ৰৰ ধ্বজা উৰুৱাই কটন কলেজৰ বাৰাণ্ডাত নৃশংশভাৱে গুলীয়াই বগৰাই দিছিল, অসমীয়া ছাত্ৰনেতা ৰঞ্জিত বৰপূজাৰীক, চৰকাৰী শাসনৰ অক্ষমতাত শিলিগুৰী ৰেলষ্টেচনত হেজাৰ হেজাৰ মানুহৰ সন্মুখতেই সাম্প্ৰদায়িক বিদ্বেষৰ বলি হৈছিল পুষ্পা বৰা। ভাষা আন্দোলনৰ জুইকুৰাৰ দুষ্টিত জাহ গৈছিল নৰেন মহন্ত, ৰমেন ৰাজখোৱা, আদি কৰি বহু কেইজন। ঠিক এনে এটি সময়তেই গোটেই গুৱাহাটী মহানগৰীক আতংকিত কৰি এদিন কটন কলেজ ২নং ছাত্ৰাবাসৰ পৰা উধাও হ'ল—মোৰ স্বামী-বন্ধু প্ৰণৱ শইকীয়া। কটন কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ মনত একেটাই প্ৰশ্নবোধক চিন "প্ৰণৱ গ'ল কলৈ?" কিন্তু উত্তৰে প্ৰতিধ্বনি বতাহতেই ঘূৰিল। নানা মুনিৰ নানা মত, কিন্তু সঠিক উত্তৰ কোনেও নাপালে। বাতৰি কাকতৰ শিৰোনামাত জিলিকি উঠিল—

"কটন কলেজ ২নং ছাত্ৰাবাসৰ পৰা এজন ছাত্ৰ যুৱক নিখোজ হৈছে।"

খুব জোৰে হোৱা ভোৰতালৰ শব্দ সময়ত নোহোৱা হোৱাৰ দৰে ভাষা আন্দোলনৰ প্ৰকাণ্ড জুইকুৰা প্ৰায় নুমাই গৈছিল। সময়ৰ বক্ৰিমান গতিত আগবাঢ়ি গৈছিল মোৰ স্বামীৰ মনোভাৱ বাস্তৱৰ ঠেলা হেঁচাত তেওঁৰো এদিন পাহৰি যাবৰ সাধ্য হৈছিল তেওঁৰ বন্ধু প্ৰণৱ শইকীয়াৰ কথা। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা এটা সময়ত M.B.B.S ডিগ্ৰী লৈ মোৰ স্বামী শেখৰে এইখন চাহ বাগিচাৰ চাকৰিত সোমাৱৰ আজি প্ৰায় ১০ বছৰ হৈ গ'ল। সময়ৰ বক্ৰিমান সোঁতত দিন বাগৰে। সময়ৰ সোঁতত আজিবোৰ হৈ পৰে যোৱাকালি আৰু অহাকালিবোৰ হৈ আহে আজি আৰু ঠিক এনে এটি দিনতেই প্ৰণৱ আহি ওলাল নাহৰতলি চাহ বাগিচাত থকা মোৰ স্বামীৰ কোৱাৰ্টাৰলৈ। সেইদিনা আছিল বহাগৰ কোনো এক নিশা, আকাশ ছানি ধৰা ক'লামেঘে গোটেইখন বাগিচা অন্ধকাৰ কৰি ৰাখিছিল। এনেতে হঠাৎ আমাৰ ঘৰৰ দৰ্জাত টোকৰ পৰিল, প্ৰথমতে লাহে লাহে, তাৰ পিছত কিছু জোৰে, তাৰ পিছত শুনিলো,



কোনোবাই চেপা মাতেৰে মোৰ স্বামীৰ নাম কাঢ়ি দৰ্জা খুলি দিব কৈছে। মই ভয় খাই উঠিছিলো। গভীৰ নিশা এজন অচিনাকি মানুহৰ মাতত মই স্বাভাৱিকতেই সংকিত হৈ পৰিছিলো। ভয়ত বিবৰ্ণ হোৱা চকুহালেৰে মই স্বামীৰ ফালে চোৱাত দেখিছিলো, তেওঁ যেন অসহায়তাবোধ কৰিছে। মোৰ মন গৈছিল চিঞৰি কাৰোবাক মাতিবলৈ। কিন্তু তাৰ আগতেই মোৰ স্বামীয়ে হাতত তিনিবেটাৰী টৰ্চ এটা লৈ খুব সাৱধানে দৰ্জাখন খুলি দিছিল, আৰু তাৰ লগে লগে ধুমুহাৰ গতিৰে সোমাই আহিছিল দাড়ি গোফে ভৰকাৰ এজন লোক। মোৰ স্বামীয়েও প্ৰথমতে চিনি পোৱা নাছিল যদিও অলপপৰ মানুহজনৰ পিনে দৃষ্টি ৰাখি প্ৰায় চিঞৰি উঠিছিল—'প্ৰণৱ তই এতিয়াও জীয়াই আছ? ইমান দিনে ক'ত আছিলি। ইয়াত থকা তই কিদৰে জানিলি···?' ইত্যাদি বহুতবোৰ কথা মোৰ স্বামীয়ে প্ৰায় একে উশাহতেই সুধি পেলাইছিল। কিন্তু মই লক্ষ্য কৰিছিলো মানুহজন ভোক আৰু জাগৰত যেন যথেষ্ট ক্লান্ত, সেয়েহে মানুহজনে মাথো মোৰ স্বামীক কৈছিল—

'শেখৰ, তোৰ যদি কৰবাত বেলেগ কোঠা আছে তালৈকে ব'ল, মই আজি তোক সকলো কম।' মোৰ স্বামীয়ে উপলব্ধি কৰিছিল যে হয়তো মোৰ উপস্থিতিটো মানুহজনে খুব এটা ভাল পোৱা নাই, সেয়েহে পৰিবেশটো অলপ পাতল কৰি দিয়াৰ উদ্দেশ্যে তেওঁ কৈছিল—'এওঁ মোৰ স্ত্ৰী, তই নিৰ্ভয়ে সকলো কথা কব পাৰ।' আৰু তাৰ পিছতেই মোৰ স্বামীয়ে মোক মানুহজনৰ বাবে অলপ খোৱা বস্তু বনাবলৈ যাবলৈ কলে। এই ক্ষেত্ৰত মানুহজনে একো বাধা নিদিলে, তেওঁ হয়তো তাকেই বিচাৰিছিল।

তাৰ পিছত বহুত ৰাতিলৈ আমাৰ ভিতৰ কোঠাত মানুহজনে মোৰ স্বামীৰ লগত কথা পাতি আছিল। কিন্তু পুৱতি নিশা মানুহজনে যাবলৈ আহি মোক মাত দিয়াত মই মানুহজনৰ ওপৰত আৰু বেছি আচৰিত হৈ উঠিছিলো। নিশাৰ অন্ধকাৰত আমাৰ ঘৰলৈ অহা মানুহজনে যেতিয়া পুৱতি নিশাৰ আন্ধাৰ ফালি আমাৰ ঘৰৰ পৰা গুচি গৈছিল তেতিয়া মই মানুহজন কোন বুলি সোধাত তেওঁ কৈছিল—'এটা সময়ত তেওঁ আমাৰ ঘৰত কাম কৰা লৰা আছিল, এতিয়া মাকৰ টান নৰিয়া হেতু মোৰ ওচৰলৈ সহায় বিচাৰি আহিছিল, গাড়ী লেট বাবে আহোঁতে ৰাতি হ'ল আৰু ৰাতি পুৱা ৫ বজাতেই ট্ৰেইন ধৰিব লাগিব হেতু ৰাতিতেই গুচি গ'ল। স্বামীৰ কথাষাৰ মই স্বাভাৱিক ভাৱেই সত্য বুলি মানি লৈছিলো। কিন্তু এদিন মই গম পালো যে স্বামীয়ে মোক সঁচা কথা কোৱা নাই। পাৰ হৈ যোৱা বৈবাহিক জীৱনত স্বামীয়ে যে মোক এবাৰ হলেও মিছা কথা কৈছে আৰু সেইটো মই বুজি পাইছিলো, যেতিয়া আন এদিন প্ৰণৱ আকৌ আহি আমাৰ ঘৰ পাইছিলহি। সিদিনা মই অলপ আচৰিত হৈছিলো মানুহজনৰ চোলা কাঁইটীয়া গছৰ গাত লাগি চিৰাচিৰ হৈছে আৰু গোটেই গাত তেওঁৰ তেজৰ ফিৰি-

ক্ষতি। নিশাৰ অন্ধকাৰত মানুহজন দেখা পাই মই কিদৰে ভয় খাই উঠিছিলো, সিমানেই মোৰ স্বামীৰ প্ৰতি খং উঠিছিল। মই আচৰিত হৈছিলো। মানুহজন সম্বন্ধে স্বামীয়ে মোৰ পৰা সত্যতা লুকাই ৰখাৰ কি অৰ্থ থাকিব পাৰে। মই ভিতৰি ভিতৰি ঘামি উঠিছিলো। মানুহজনৰ চৰিত্ৰ সম্বন্ধে জানিবলৈ মোৰ অনুসন্ধিৎসু মনটো প্ৰবল আগ্ৰহী হৈ উঠিছিল। আৰু সেয়েহে পিছদিনাখন স্বামীয়ে ছুটী লৈ যোৱাৰ সুযোগতেই মই মানুহজনৰ কাষ চাপি তেওঁৰ প্ৰকৃত চিনাকি বিচাৰিছিলো। মই জানিছিলো সেইটো মোৰ পক্ষে চৰম অভদ্ৰামী, কিন্তু সেইটোৱেই আছিল মোৰ বাবে নিতান্তই দৰ্কাৰী। মানুহজনে প্ৰথমতে কবলৈ অলপ শংকা কৰিছিল যদিও তাৰ পিছত তেওঁ কৈছিল তেওঁৰ প্ৰকৃত জীৱনৰ কথা।

তেওঁৰ জীৱনৰ আদিছোৱা মই মোৰ স্বামীৰ মুখতেই আগতে শুনিছিলো তেওঁ কটন কলেজত নোহোৱা হোৱাৰ কথা। সেয়েহে তেওঁৰ নামটো জনাৰ পিছৰ মই এইখিনি কথা কোৱাত তেওঁ মাথো নিলিপ্তভাৱে উত্তৰ দিছিল "মই জানো শেষৰে মোক পাহৰি যাব নোৱাৰে।" তাৰ পিছতো তেওঁ কৈছিল কটন কলেজত নোহোৱা হৈ তেওঁ কিদৰে যোৰহাটত সোমাই সংগঠনৰ কামত ঘূৰিছিল, 'জহৰ আন্দোলনত কিদৰে পুলিচৰ মাজত জেলৰ ভিতৰতেই মৃত্যুৰ ভাৰসাম্য হেকৰাই পেলাইছিল, আৰু আজিও ৮০ৰ আন্দোলনত তেওঁ কিদৰে লিপ্ত তথা প্ৰশাসন যন্ত্ৰৰ দ্বাৰা লাঞ্চিত হোৱাৰ লগতে, সিদিনাও যে তেওঁক পুলিচে খোজাত পুলিচৰ চকুত ধূলি দিবলৈহে যে তাত সোমাইছে ইত্যাদি সব কথাই মোৰ আগত খুলি কৈছিল।

মই এজন উচ্চ পৰ্য্যায়ৰ পুলিচ বিষয়াৰ জীয়ৰী, সেয়েহে আন্দোলন কেনে বস্তু তাৰ ওপৰত মোৰ তেনে কোনো বাস্তৱ অভিজ্ঞতা কম। কেতিয়াবা শোভাযাত্ৰাকাৰীৰ সমদল দেখা পালে মোৰো ইচ্ছা হৈছিল তেনে মিছিলত মিলি যাবলৈ, কিন্তু তাৰ পিছতেই দেউতাৰ পুলিচি ৰঙা চকুহাল দেখা পালে মোৰ মনটো কোচ খাই উঠে। সেয়েহে আন্দোলন সম্পৰ্কে কোনো ধৰণৰ বাস্তৱ ধাৰণা মোৰ মনত নাই বুলিয়েই কব পাৰি। কিন্তু তথাপি কেতিয়াবা বাতৰি কাকতত শ্বহীদৰ নাম, আন্দোলনকাৰীৰ ওপৰত পুলিচি অত্যাচাৰ আদিবোৰৰ ছবি দেখা পালে মনটো কিবা এটা অজান ভাৱত চিঞৰি উঠে। আৰু সেয়েহে সেইদিনা প্ৰণৱ শইকীয়াক দেখাৰ পিছৰ পৰাই নিস্বাৰ্থভাৱে মৃত্যুৰ সতে যুঁজ কৰি দেশ সেৱাৰ নামত ব্ৰতী লোকক দেখা পাই আন্দোলনকাৰী সকলৰ ওপৰত মোৰ এক অজান শ্ৰদ্ধা উপজিছিল।

এটা সময়ত মই দেখা পাইছিলো। মই এনেবোৰ কথা ভাবি মৌন হৈ থকা অৱস্থাত প্ৰণৱ শইকীয়াই ওপৰলৈ মূৰ কৰি কিবাবোৰ ভাবত তন্ময় হৈ আছে। তেওঁ হয়তো ভাবিছিল মোৰ আগত এনেবোৰ কথা কৈ তেওঁ ভুলেই কৰিলে নেকি বুলি। অৱশেষত মৌনতা ভঙ্গ কৰি মইয়েই আকৌ তেওঁক প্ৰশ্ন কৰিছিলো—

"আপোনালোকক যে পুলিচে বিচাৰি ঘূৰা



বুলি কলে, কি অপৰাধত বাৰু আপোনালোকক তেওঁলোকে বিচাৰি ফুৰিছে।' মোৰ প্ৰশ্নটো যেন তেওঁৰ ভাল লগা নাছিল। সেয়েহে তেওঁ শুকান মুখখনিৰে এটি নিৰ্জীৱ হাঁহি মাৰি মাত্ৰ উত্তৰ দিছিল দেশদ্ৰোহিতাৰ অপৰাধত বুলি। মই কিন্তু তেওঁৰ উত্তৰত আচৰিত হৈ পৰিছিলো, কাৰণ দেশ সেৱাৰ বাবে, দেশৰ পৰা শত্ৰুক দূৰ কৰাৰ বাবে কৰা প্ৰণৱ শইকীয়াহঁতৰ এই অভিযান কিদৰে দেশদ্ৰোহিতা হব পাৰে তাৰ অৰ্থ মই একো বুজা নাছিলো, সেয়েহে মই নিজকেই প্ৰশ্ন কৰিছিলো এওঁলোকৰ এই অভিযান যদি দেশদ্ৰোহিতা হয়, তেন্তে দেশপ্ৰেমিক বুলি কাক আখ্যা দিয়া হয়। তাৰোপৰি স্বাধীনতা আন্দোলনত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু বা গোপীনাথ বৰদলৈ আদিৰ দেশ সেৱাত বিদেশী বগা চাহাবৰ চকুত দেশদ্ৰোহীতাহে আছিল নেকি? এজন উচ্চ পদস্থ পুলিচ বিষয়াৰ জীয়ৰী হিচাপে মই এইবোৰ কথা ভবাৰ হয়তো কোনো যুক্তি নাছিল, কিন্তু এজন সংগ্ৰামী নেতাৰ বন্ধুপত্নী হিচাপে এইবোৰ কথা ভবাৰ মই যথেষ্ট অধিকাৰ থকা বুলি বোধ কৰিছিলো।

সিদিনাখন ৰাতিয়েই আমাৰ মাজৰ পৰা প্ৰণৱ শইকীয়াই বিদায় লৈছিল। কেৱল পুলিচৰ চকুত ধূলি দিবৰ বাবেহে তেওঁ আমাৰ ঘৰলৈ আহে, কিয়নো প্ৰণৱেও জানে এজন ধনী ইংৰাজ চাহাবৰ মালিকীসত্ত্ব চলা এইখন নাহৰতলি চাহ বাগিচাত পুলিচ সোমাবৰ আদেশ কৰাৰ বাবে চৰকাৰী শাসনযন্ত্ৰৰ নিশ্চয় সাহসৰ অভাৱ হব। বিদায় মুহূৰ্তত প্ৰণৱৰ হাতত এথোপা ৰঙা গোলাপ গুজি দি মই কৈছিলো—

"আপোনালোকে আপোনালোকৰ কৰ্তব্যত আগবাঢ়ি যাওক। মনত ৰাখিব আপোনালোকক আশা কৰিয়েই বৈ আছে অসমৰ লাখ লাখ জনগণ। আৰু এই কাৰ্য যদি দেশদ্ৰোহিতাৰহে কাৰ্য্য হয় তেন্তে মোৰ এই ৰঙা গোলাপৰ থোপাটিৰে জনাইছোহে আপোনাৰ নিচিনা দেশদ্ৰোহী আপোনালোকক স্বাগতম!"

তাৰ পিছত নিশাৰ অন্ধকাৰ ঠেলি চাহগছৰ মাজৰ সৰু আলিটোৱে আগবাঢ়ি গৈছিল এজন মানুহ, তাৰ পিছত বহুত দূৰত দেখিছিলো সম্মুখ গতিত আগবাঢ়ি যোৱা এটি ছায়া তাতকৈ দূৰত আৰু একেবাৰেই দেখা নাযায়। নাজানো সেই মানুহজনৰ গতিৰ লক্ষ্য কিমান দূৰলৈ। হয়তো এই লক্ষ্যৰ কোনো এক সীমা নাই। বাজীকৰৰ পেপাৰ মাতত মন্ত্ৰমুগ্ধ এডাল ফেটী সাপৰ দৰে মোৰ দৃষ্টি সম্মুখলৈ বন্দী হৈ বৈছিল। হঠাৎ মোৰ পিঠিত পৰা এখনি হাতৰ পৰশত মই চমকি উঠিছিলো, সেইখন মোৰ স্বামীৰ হাত, তেওঁ কৈছিল 'ৰাতি পুৱাবলৈ এতিয়াও বহুত বাকী।'

মই মনতেই স্বামীৰ কথাষাৰক নতুন ৰূপ দি আকৌ ভাবিছিলো এৰা প্ৰণৱহঁতৰ জীৱনৰ ৰাতি পুৱাবলৈ এতিয়াও বহুত বাকী। কিন্তু মই জানো এই ৰাতি এদিন পুৱাবই। দেশীয়

[৬১ পৃষ্ঠাৰ তলত চাওঁক]

# পূৰ্ব স্মৃতি

শ্ৰীবিনোদ কুমাৰ ভট্টাচাৰ্য্য
টি. ডি. চি. ২য় বাৰ্ষিক [বাণিজ্য]

গৰমকালিৰ এটা আবেলি সময়। বাহিৰ জগতখন তেতিয়াও পোহৰে বিৰাজমান কৰি ৰাখিছিল, ৰঙা সূৰ্য্যে পশ্চিম দিশত বাঙলি আভা শেষ কৰি এটা সময়ত নোহোৱা হৈ পৰিছিল। মইও সেই সময়তে পেহীহঁতৰ গাওঁখন পাইছিলোঁ। সুদীৰ্ঘ পাঁচ বছৰৰ মূৰত আজি এই ঠাইলৈ আহিছোঁ। পুৰণি ঠাইৰ স্মৃতি আজিও মনত পৰে। আজি আৰু গাওঁখন পুৰণি হৈ থকা নাই। আধুনিক ফেচনৰ লগত কিছু জোৰা লাগিছে। মই এইবোৰ ভাবি থাকোঁতে কোন মুহূৰ্ত্তত পেহীহঁতৰ নঙলা পালো গমকে নাপালো। পেহীদেউৱে দূৰৰ পৰা দেখিয়ে কিছু সময় ইতস্ততঃ হৈছিল যদিও পিচত দৌৰি আহি মোৰ গাত ধৰি একপ্ৰকাৰ টানিয়ে নিছিল। লগে লগেই মোক সুধিবলৈ ধৰিলে ইমান দিনে মই কি কৰিছিলো কত আছিলো ইত্যাদি...... মই যথাযথ ভাবে উত্তৰ দি গৈছিলো। ঘৰত থকা ককাইদেউৰ খবৰ লৈছিলো। হেন সময়তে তিনিজনী ছোৱালী আহি মোৰ কাষে চাই ৰ'ল.......। পৰিচয়ৰ মূৰত গম পালো সিহঁতৰ নাম ৰুমি, চিমি আৰু ঝিমি। কিন্তু এই 'ঝিমি-জনীক চোৱাৰ ফলত মোৰ কি হল মই নিজকে যেন পাহৰি গৈছো। মোৰ যেন মূৰতো আচ-ৰাই কৰিব ধৰিছে। পেহীদেউৰ মাতততে মোৰ ভবাৰ অন্ত পৰিল।

: কিঙ বোপা তই তাইৰ কালে কি চাইছ ?

: নাই পেহী মা....নে।

: উঁ বুজিছো, তই তাইক চিনি নাপাৱ; তাইৰ বিষয়ে পিছতো জানিবি। এতিয়া ঠোৰতে জানি থ' তাই (ঝিমি) ৰুমি, চিমিৰ দৰে এজনী ভণ্টি।

—ইচ, দেৰিয়ে হ'ল যাচোন তই হাত-মুখ ধুই ল, মই ভাতকণ বাঢ়োগৈ।

ভৰি-হাতবোৰ ধুই ভাতখিনি খাইহে কিছু সকাহ পালো। অসময়ত যদিও ভাত খালো তথাপিতো ভাতখিনি খাই বেছ আমেজ পাই-ছিলো। বহুদিন চহৰীয়া চাউলৰ পিলগুটি খিহলোৱা চাউলৰ ঠাইত যদি হঠাৎ এদিন



জিভাই গাৰ্বৰ ঢেকীশালৰ চাউল পায় সেইটো হবই। ভাতখিনি খাইয়ে পোনাই বিচনাখনত গাটো এৰিছো। কিন্তু আজি মই অইন দিনাৰ দৰে শুব পৰা নাই। বাৰে বাৰে সেই ছোৱালী-জনীৰ (ঝিমি) কথা মনত পৰিছে। পাঁচ বছৰ আগৰ এটা ঘটনা।

......দূৰৈত ৰিণিকি ৰিণিকি এটা ক্ৰন্দনৰ সুৰ ভাহি আহিছে। সেই সময়তে অৰ্থাৎ নিশা প্ৰায় ১১ (এঘাৰ) বজাত এজন ডেকা (পুলিচ বিষয়া) তেওঁৰ কৰ্ত্তব্যৰ বাবে ইফালে সিফালে ঘোৰাত ক্ৰন্দনৰ সুৰ শুনিবলৈ পালে, ডেকা-জনে সেই সুৰ অনুকৰণ কৰি নিৰ্দিষ্ট ঠাই পালে। দেখি আচৰিত। এজনী নাৰীৰ ছাঁ-মূৰ্ত্তি, প্ৰথমতে যদিও ভয় ভাব হৈছিল তথাপিতো মনত সাহ বান্ধি কাষলৈ গৈ দেখো এজনী গাভৰু, পিন্ধনত এযোৰ পুৰণি কাপোৰেৰে কোনোমতে দেহটো সামৰিছে আৰু চুলিতাৰি আউলি বাউলী। তাৰ পিচত পৰিবেশটো পাতল কৰিবৰ বাবে সি সুধিলে— কোন তুমি ? এই নিশাখন অকলে অকলে ইয়াত ? কান্দিছা কিয় ? বহুত প্ৰশ্নৰ মূৰত তাই কিছু থিৰৰ হৈ মুখখন ঘূৰাই ডেকাজনক দেখি ভয়ত চিঞৰি দি তাৰ পৰা সজোৰে যাব চেষ্টা কৰিছিল, কিন্তু ডেকাজনৰ কঠোৰ মুঠিয়ে তাইৰ গতি ৰুদ্ধ কৰিলে। মোক তুমি চিনি নোপোৱা, মই এজন পুলিচ বিষয়া। ভয় কৰাৰ কোনো প্ৰশ্ন নাই। আমাৰ সমাজত আমি বেয়া শ্ৰেণীৰে মানুহ। জন বিশ্বাসমতে, আমি কুচৰিত্ৰ বুলি কলেও বঢ়াই কোৱা নহয়। কিন্তু ? ....... কিন্তু নাই ভনী মই মোৰ মানৱতাক বিসৰ্জন দি এই নিশাখন মই তোমাক অকলে এৰি যাব নোৱাৰো। বেয়া নোপোৱা যদি মোৰ তাত নিশাটো আশ্ৰয় লবা। তাই ডেকাজনৰ চকুত সহানুভূতিৰ আঁচ দেখা পাইছিল যদিও তাই একপ্ৰকাৰ জোৰেৰে কৈছিল, নাই মই যাব নোৱাৰো মোৰ উদ্দেশ্যত আপুনি বাধা নিদিব।

: কি উদ্দেশ্যৰ কথা কৈছা ভনী—ডেকাজনে কৈ উঠিল।

: এটা ডপত হয়ুনিয়াহ কাঢ়ি কলে—আপোনাৰ লাভ হব কি ?

: ইয়াত একো লাভ-অলাভৰ কথা নাই। কোৱা তুমি নিসন্দেহে কোৱা।

[৫৯ পৃষ্ঠাৰ পৰা]

ক'লা চাহাবৰ হৃদয়ৰ পৰা যিদিনাই অন্ধকাৰ দূৰ হব সিদিনাই শ্ৰমৰহঁতৰ জীৱনৰ ৰাতি মনৰ উদয়াচলত জ্বলি উঠিব তেজৰঙা আভাৰে এটি নতুন সূৰুয। যি সূৰুযৰ ৰশ্মিয়ে কেৱল পৃথিৱীকেই পোহৰ নকৰি মানুহৰ হৃদয় পৰ্য্যন্ত পোহৰাই তুলিব। কিন্তু ৰাতি পুৱাবলৈ এতিয়াও বহুত বাকী। এনেতে শুনিছিলো দূৰত কুলী বস্তিৰ পিনৰ পৰা ভাহি আহিছিল প্ৰথম কুকুৰাৰ ডাক। হয়তো ৰাতিপুৱাৰ এয়াই প্ৰথম সংকেত।

ডেকাজনৰ পিনে দৃষ্টি নিক্ষেপ কৰি কৈ গ'ল আমাৰ ঘৰ এই নলবাৰীৰ পৰা কিছু দূৰত থকা এখন গাওঁ, নাম 'পানীগাওঁ'। আমাৰ পৰিয়াল বুলি পিতাৰ সৈতে দুজনী ভনী। উপাৰ্জনৰ পথ হিচাপে দিনৰ দিনটো পিতাই কাম বন কৰি আৰু আমি আনৰ কাপোৰ ধুই-বুই এপইচা পাওঁ সেই অৰ্থেৰে দিন নিয়াও। এনেদৰে কষ্টৰ মাজেৰে দিন গলেও আমি শান্তিতে কটাইছিলো। একেবাৰে কষ্ট কৰি থকা পিতাই এদিন পাটিত পৰি থাকিব লগা হল। আমি দুয়োজনীয়ে যেনেকৈ পাৰো টকা যোগাৰ কৰিছো। দুৰ্বল ধনেৰে পিতাক সবল কৰিব নোৱাৰাত উপায়হীন হৈ ওচৰৰে পাৰৰ (নীতি-মতে) মহাজনৰ হাতত হাত পাতিব লগা হল। চতুৰ মহাজনেও চেনু চাই টকা ঋণ হিচাপে দিছে—কিন্তু নিষ্ঠুৰ ভগৱানে এইখিনি সহ্য কৰিব নোৱাৰি এদিন পিতাক আমাৰ মাজৰ পৰা লৈ গ'ল।

তাৰ পিচত সিহঁতৰ দীঘল অশ্ৰু এপাত খহি পৰাত দিন-ৰাতি নোযোৱা হ'ল। ছল চাই এদিন বুঢ়া মহাজনে আমাৰ ঘৰলৈ আহি ঋণ পৰিশোধৰ কথা সকিয়াই দি গ'ল, লগতে কলে যদি দিব নোৱাৰা ঋণৰ পৰিবৰ্তে মোৰ ঘৰত এজনী বান্দী হৈ থাকিবি। মহাজনৰ শেষৰ বাক্যটোৱে হলে বিষ্মাদি বিন্ধিছিল। কিন্তু কি হব, সময়ত পৰিস্থিতিৰ দাস হব লাগে। এদিন বাইদেউ দিশহাৰা হৈ মহাজনৰ হাতত থাকিব লগা হ'ল। লাহে লাহে চলাহী চতুৰ মহাজনে আজলী বাইদেউৰ সতীত্ব নষ্ট কৰিলে। মইয়ো ঘৰতে অকলে থাকিব লগা হোৱাত বহুতো বাধাৰ সন্মুখীন হব লগা হৈছিলো। এদিনৰ কথা, সিদিনৰ স্মৃতি ওৰে জীৱন মচ নেখাব। সেইদিনা মই ঘৰত অকলে আছো। হঠাৎ চাৰিজন ডেকাই ঘৰত সোমাই নানা অশ্লীল ব্যৱহাৰ কৰে, মই সৰ্ব অস্ত্ৰ প্ৰয়োগ কৰিও হাবাথুৰি খায় ধৰা পৰিলো। হঠাৎ কোনেও নজনাকৈ এটা মুহূৰ্তত ওলাই আহিছো এই উদ্দেশ্য বিহীন যাত্ৰালৈ। এটা দীঘল হুমুনিয়াহ কাঢ়ি কলে আপুনি ইমান কুৎসিত কাহিনী শুনাৰ পিচতো কিয় মোক ধৰি ৰাখিছে! মোৰ চলন্ত গতিত বাধা নিদিব। মোৰ এই অপবিত্ৰ দেহেৰে মোক নি আপুনি নিজেও কিয় বদনামী হব খোজে।

নাই ভনী! তুমি যিমান কোৱা কৈ থাকা! কিন্তু মই তোমাক অকলশৰে এৰি যাব নোৱাৰিম। বলা এতিয়া বহুত ৰাতিও হ'ল। এটা সময়ত সিহঁত দুয়ো গ'ল।

পুলিচ বিষয়া আৰু ছোৱালীজনী (সবিতা) একেলগে এদিনৰ পিছত দুদিন এনেকৈ দিন নিয়াইছে। দিনত সি ওলাই যায় আৰু সবিতা ঘৰুৱা কামতে ব্যস্ত থাকে। এনেদৰে দিনৰ অন্তত ৰাতি, ৰাতি অন্তত আকৌ দিন, বাগৰি আছে। লাহে লাহে কাষৰ সমাজৰ মানুহ-বোৰে সিহঁত দুয়োজনকে অলপ বেলেগ ভাবে চাব ধৰিলে। আনকি তাৰ লগৰ বন্ধুবোৰেও তাক ঠাট্টা, ইতিকিং নকৰা নহয়। অৱশে



সিহঁত দুয়োৰে মাজতো প্ৰেমৰ ইন্ধন নজগা নাছিল। মানুহৰ সহাৰি পোৱা হেতু প্ৰেমৰ এনাজৰীডাল কটকটীয়াহে হৈছিল। এদিনাখন এটা শুভ মুহূৰ্তত সিহঁতৰ মিলন হৈছিল।

দিনৰ পিছত ঋতু, লগতে তিনিটা বছৰ অতিবাহিত হল। এই টুপটুপীয়া তিনি বছৰৰ শেষত দুয়োৰে জীৱনৰ স্বাক্ষৰ স্বৰূপে ধৰণীৰ বুকুলৈ নামি আহিল এটি কেঁচুৱা—এটি মৰম লগা ছোৱালী। সিহঁতে মৰমতে তাইৰ নামটো থলে "পিঙ্কী"। প্ৰথম সন্তান ঘুলিলে প্ৰত্যেক ব্যক্তিৰে মন পুলকিত হোৱাৰ দৰে ডেকাজন আৰু সবিৰ ক্ষেত্ৰতো বিকল্প দেখা নাছিল। লাহে লাহে ছোৱালীজনী ডাঙৰ হৈ আহিল, ৪/৫ বছৰ হ'ল। ওচৰতে থকা প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰি দিলে। সুন্দৰ জীৱন যাপন, সুন্দৰ পৰিবেশ, তিনিটি পৰিয়াল সুখী পৰিয়াল। "মানুহে পাতে, ঈশ্বৰে ভাঙে।" দিনবোৰ সদায় এনেদৰে সকলোৰে নেযায়। এই সুন্দৰ ঘৰখনৰ ক্ষেত্ৰটো সেই একে হ'ল।

তাৰ কিছুদিনৰ পৰা একেবাৰে নেবানেপেৰা বৰষুণ। বৰষুণ যি আৰম্ভ হ'ল—এসপ্তাহ জুৰি আৰু ব'দৰ কাচলি দেখা নগল। চাৰিও-ফালে পানীৰে উপচি পৰিল। ঘৰ, দুৱাৰ পানীয়ে ডুবাই পেলালে। এই বানপানীয়ে পানীগাওঁকো এৰি যোৱা নাছিল। সবিহঁতৰ ঘৰতো পানীয়ে চুইছিল। এই বাঢ়নী পানীয়ে মুহূৰ্তত্তে ক্ষুদ্ৰ পানীগাওঁকো বুৰাই পেলালে। মানুহবোৰৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল। মানুহবিলাকে যিয়ে যেনেকৈ পাৰে তেনেকৈ আশ্ৰয় স্থল বিচাৰি লৈছে। কিছুমানে ভুৰ সজালে, নাওতে সময় কটাইছিল। সবিহঁতেও তেনেদৰে এখন ভুৰ সজালে। ভুৰত মানুহ-খিনিৰ লগতে বস্তু বাহানি যি পাৰে সামৰিছে।

সেইদিনাখন আছিল ১৯৭৮ চনৰ ৫ (পাঁচ) ভাদ। পানীৰ প্ৰকোপ দিনে দিনে বাঢ়িবলৈ ধৰিলে। সবিহঁতৰ একমাত্ৰ চিন্তা হ'ল শিশু-টোলৈ। হঠাৎ এক বিৰাট পানীৰ চলে সিহঁতৰ ভুৰখন তল ওপৰ কৰিব ধৰিলে। এটা মুহূৰ্তত ভুৰখনৰ পৰা চিংকাৰ কৰি মাকৰ সৈতে শিশুটো অটল গভীৰ পানীত পৰিল। ডেকা-জন বৰ বিমোৰত পৰিল। লগে লগে সিহঁতক উদ্ধাৰৰ কাৰণে সিও পানীত জঁপিয়াই পৰিল। কিন্তু যি ভাবে সিহঁত এৰা এৰি হ'ল পুনৰ তিনিওৰ মাজত দেখা দেখি নহল। ডেকাজনে প্ৰাণটাকি কিবাকৈ সাতুৰি উদ্ধাৰ হ'ল। সি সিহঁতক নেদেখি পাগলৰ দৰে হৈ পৰিল। দিশ-হাৰা হৈ চাৰিওফালে ঘুৰিবলৈ ধৰিলে। সেই মুহূৰ্ততে বাহিৰৰ দুৱাৰত কেনেবাকৈ টোকৰ মৰাতহে মোৰ নাটৰ যতি পৰিল। মই যিটো ছোৱালীৰ বাবে নিশাটো উজাগৰে কটালো। তাইৰ বিষয়ে জানিবলৈ মোৰ অনুসন্ধিৎসু মনটো বাৰে বাৰে উঠি পৰি লাগিছে। মই লগে লগেই পেহীদেউৰ ওচৰলৈ গৈ সুধিলো—ছোৱালীজনীৰ বিষয়ে।

: কিঙ বোপা, তাইক লৈ ব্যস্ত হৈছা কিয়?

: পেহীদেউ, আপুনি নেজানিব এই ছোৱালী-

জনীৰ মুখৰ আকৃতিৰ লগত এজনী ছোৱালীৰ খুব মিল আছিল—

: কোন ছোৱালীৰ কথা কৈছা বোপা ।

: সেইবোৰ বাদ দিওঁক পেহীদেউ, আগতে কওঁক এই ছোৱালীজনী ক'ৰ পৰা ক'ত পালে ।

—১৯৭৮ চন, ৫ ভাদ সেইদিনা মই ঘৰৰ কামতে ব্যস্ত আছিলো । হঠাৎ এজন মাছমৰীয়াই এজনী কাষত ছোৱালী লৈ মোৰ কাষলৈ আহিছিল । ·······সি হেনো নদীৰ দাঁতিত পাইছিল আৰু মইও আন দুজনীৰ দৰে মৰম কৰি ইমান ডাঙৰ কৰিছো । কিন্তু আজিলৈ মই জনা নাই তাইৰ পিতৃ-মাতৃ কোন ?

: পেহীদেউ, মইও জনামতে সেই ডেকাজনে আজিলৈকে স্ত্ৰী-স্ত্ৰীৰ সম্বন্ধ পোৱা নাই ।

: পেহীদেউ আপুনি জানেনে এই ছোৱালী-জনীৰ হাতত কিবা লিখা আছে ?

: অলপ ৰবি মই তাইক মাতি দিছো । এটা সময়ত তাই আহিল । যেতিয়া তাইৰ হাতৰ ফালে সি নিক্ষেপ কৰিলে, সি চৰণপৰা মানুহৰ দৰে হৈ পৰিল । লগে লগেই পেহীয়েকে কলে,—

: তই বোপা—তই জান নেকি সেই দুৰ্ভগীয়াজন কোন ?

: সেই দুৰ্ভগীয়া, হতভগীয়া ব্যক্তিজন মই "মন্টু ।"

: কি ? তই··· ( আবেগৰ সুৰত )

আমি দুয়োজনে মৰমতে তাইৰ নাম ৰাখিছিলো "পিঙ্কী" । এই হাতত লিখা "পিঙ্কী" দাস ।

মন্টুৱে হেৰোৱা বস্তু ঘুৰাই পাই লগে লগে ঝিমিক ( পিঙ্কীক ) সাৱট মাৰি ধৰিছিল আৰু পেহীয়েকৰ ভৰিত অজানিতে মন্টুৰ মূৰ দো খাই গৈছিল । এটা মুহূৰ্তত সিহঁত দুয়ন ওলাই আহিছিল । তেতিয়া পুবকোণত সূৰ্যই ভুমুকি মাৰি উঠিছিল ।

নৱাগত

# আদৰণি

পদ্মিনী দাস
স্নাতক ২য় বাৰ্ষিক [কলা]

ফুলৰ এটা কলি·······ফুলে । যদি জীৱনতো ········অনুমান······· ৰহেনে !

ললিতাৰ কাণত কথাকেইটা যেন বাজি ৰ'ব চিৰদিনলৈ । হাতত এসোপামান কিবাকিবি কিতাপ লৈ ললিতাই লাইব্ৰেৰীলৈ সোমাই আহিল । কিতাপকেইখন নপঢ়াকৈ এনেয়ে ৰাখি ঘুৰাই দিলে । মুহূৰ্তৰ আবেগ বিহ্বল মনৰ লগত খাপ খোৱাকৈ ইমান ডাঙৰ লাইব্ৰেৰীটোত এখনো কিতাপ বিচাৰি নেপাই টেবিলৰ ওপৰত থকা 'ৰবিবাৰ' নামৰ আলোচনী এখন এনেয়ে এবাৰ চকু ফুৰাই তাৰ পৰা ওলাই পোনে পোনে নিজৰ হোষ্টেললৈকে আহিল । লাহে লাহে আন্ধাৰ কোঠাটোৰ লাইটটো জ্বলাই লৈ ললিতাই কাপোৰ-কানি সলাই খিৰিকীখনৰ কাষতে বহি পৰিল । আবেলি পশ্চিমাকাশত অস্তমিত সূৰ্যৰ বাঙলী ৰংবোৰে যেন ললিতাৰ চকুযুৰিত ৰঙৰ ছটিয়াই বিদায় লৈছিল আৰু এটি নতুন প্ৰভাতৰ ক্ষণ গণি গণি······· ।

দৰ্শনৰ ছাত্ৰী মিচ্ ললিতা গোস্বামী স্বভাৱতে গম্ভীৰ । নিয়মীয়া ওখ, ধুনীয়া ছোৱালীজনীক ভাব-গধুৰ বিষয়ে আৰু গভীৰ কৰি তুলিছে । মৰম আকলুৱা মমৰ গাওঁৰ বোকা-পানী গচকি ডাঙৰ হোৱা ললিতাই এনে সহজ-সৰল জীৱনেই বিচাৰে । ভাল পাই সাত পুৰুষৰ পৰা চলি অহা চহা জীৱনৰ অকপট মৰমকণক । প্ৰাণ ভৰি ভাল পায় গাওঁৰ চিৰসেউজীয়া মুক্ত পৰিবেশক । কিন্তু এতিয়া যেন সেই মৰম ভাল পোৱা সেই চহা-জীৱন গাওঁৰ যুকুৰপৰা হেৰাই গৈছে । উচ্চ শিক্ষাৰে শিক্ষিত নৱা-ছোৱালীয়ে চামে চামে গাওঁৰ মুক্ত পৰিবেশক নতুনকৈ সংস্কাৰ কৰিছে । ধনীয়ে ধনীক সেৱা সংস্কাৰ কৰিব বিচৰাৰ দৰে, শিক্ষিতকহে মান-

সন্মান কৰিব লাগে, ঠিক তেনেকুৱা এটা প্ৰথা যেন হৈ পৰিছে। পথাৰত বোকা-পানী গছকি লেটি পেটি হৈ অহা গাওঁৰ মানুহক দেখিলে গাওঁৰ শিক্ষিত ডেকালোকে মাতিবলৈ টান পায়। ঘঁতে তঁতে কথা কবলৈ লাজ পায়। তেনেহলে আজিৰ দিনত শিক্ষাৰ প্ৰকৃত অৰ্থ কি? হয়তো আমি প্ৰত্যেকেই শিক্ষা কি বুজি নেপাওঁ, আৰু নেজানোও। ভাবিলে সস্তীয়া হিন্দী ছবিৰ গানৰ মাজত নিজকে বিলাই দি জানিবলৈ বুজিবলৈ কাৰো অৱকাশেই নাই। উচ্চ শিক্ষাই যদি জীৱনৰ প্ৰকৃত প্ৰেম বা ভাল পোৱাৰ মাজত জটিলতাৰ সৃষ্টি কৰে তেনেহলে ইয়াৰ অৰ্থ এয়ে নেকি বাৰু—যে শিক্ষাৰ তুলাচনীতহে জীৱনৰ প্ৰেম ভালপোৱাই পূৰ্ণতাৰে প্ৰকাশ পাব পাৰে। ললিতাই বাৰে বাৰে চেষ্টা কৰিও বুজিবলৈ টান পাইছিল যদিও সময়ৰ লগে লগে স্পষ্টকৈয়ে বুজি পাইছে। এদিন মৃগাংকই কথা দিলেও এতিয়াৰ উৰ্দ্ধমুখী শিক্ষাৰ মানদণ্ডই সকলো পৰিবৰ্তন কৰিলে। মনৰ কল্পেকীয়া আবেগতে কিবাকিবি কওঁত কৈছিল......বুজা নুবুজাকৈ ললিতাই কিবা এটা বং বুটলিবলৈ লৈছিল....।

ললিতা আৰু মৃগাংকৰ একে গাওঁতে ঘৰ আছিল। অশিক্ষিত হোজা মাক-দেউতাকৰ একমাত্ৰ ছোৱালী। পথাৰত কাম কৰা ললিতাৰ দেউতাকে বি. এ, এম. এ, পাছ কি বা পাছ কৰি কি শিক্ষা লাভ কৰে সেইবোৰ একোকে নেজানে, বুজিও নাপায়। জানে মাত্ৰ আজি কালিৰ 'ল-ছালি'বোৰে স্কুল কলেজলৈকে যায়—যাব লাগে। নহ'লে চাকৰি নেপাই ঘৰতে বহি থাকিব লাগিব। সীমিত জ্ঞানেৰে ভাবে স্কুল-কলেজত পঢ়িলে ভাল ভাল চাকৰি পায়, কিন্তু শিক্ষা বুলিলে বুজে ঘৰখনৰ সকলো দায়িত্ব নিয়াৰিকৈ নিব পৰাটোৱেই ছোৱালীৰ অন্ততঃ সেইটোৱেই তাহঁৰ শিক্ষা। আৰু ললিতাই দেউতাকৰ এই মনোভাৱ আওকাণ নকৰিলেও ঘৰৰ বাহিৰৰ সকলো ধৰণৰ শিক্ষায়ে গ্ৰহণ কৰিছিল মাক-দেউতাকৰ পৰা, স্কুলৰ পৰাও।

এদিন হুদিনকৈ স্কুলৰ ডেওনা পাৰ হৈ ললিতাই কলেজত ভৰি দিলেহি। মনত বুজাব নোৱাৰা আনন্দ! এটি বিশেষ দিনত সিহঁতক সিহঁতৰ দৰে এচাম লৰা-ছোৱালীয়ে নানা স্ফূৰ্তি ধেমালিৰ মাজেৰে আদৰি লৈছিল আৰু নতুন চামেও পুৰণি চামক সন্মান কৰিছিল। নতুন আহে পুৰণি যায়গৈ। এনেকৈয়ে প্ৰতি বছৰে এটা এটাকৈ নতুন আহে আৰু পুৰণি হৈ পৰা এটা চাম আঁতৰি যায়। কোনোবাই মনৰ জোখেৰে জীৱনৰ প্ৰকৃত পথৰ সন্ধান লৈ, কোনোবাই আকৌ অজস্ৰ দুখ-বেদনাৰে আৰু হয়তো বহুতেই একো নোপোৱাকৈয়ে বা গুচি যায়। তাৰ হিচাপ ৰখাৰ বাবে সময়ে কাৰো বাবে ৰৈ থকা নাই। সময়ে যি দিয়ে তাকেই লোৱাতো হেনো জ্ঞানী জনৰে কাম—ললিতাই কথাষাৰ বুজি পায়। তথাপিও তাই বিচৰাটো নেপালেও কি বিচাৰিছে তাক যেন আনক স্পষ্টকৈ বুজাব নোৱাৰে। তাই ভাবে, তাইৰদৰে ছোৱালীয়েতো এই জীৱনত হাঁহি হাঁহি



জীৱনৰ বং বুটলে। কলেজৰ চাৰি চুকত সোমাই লৈ ললিতাই নিজকে পৰিবেশৰ লগত খাপ খুৱাই লব পাৰিছিল বুলিয়েই ভাবে। কলেজ পোৱাৰ পিছত "নৱাগত আদৰণি"ৰ দিনটোলৈ মনত পৰিলে ললিতাৰ মনটো বৰ ভাল লাগি যায়। আবেলি সিহঁতৰ আদৰণি সভাত নৱাগত সকলৰ পৰা কবলৈ কোৱাত আৰু কোনেও নুঠাত ললিতায়ে যে খপহকৈ কেইষাৰমান কৈ পেলাইছিল। মনত যি আহিছিল তাকেই প্ৰকাশ কৰিছিল। ললিতাৰ কথা কোৱাৰ ভংগীত সভাৰ সকলো লৰা-ছোৱালীযে তব্দ হৈ পৰিছিল। কি কৈছিল; ক'ত ভুল হৈছিল ললিতাৰ আজি মনত নাই যদিও কথাখিনি কৈ অদ্ভুত আনন্দ এটি অনুভৱ কৰিছিল। হাত চাপৰিৰে সকলোৱে একেমুখে প্ৰশংসাহে কৰিছিল। সকলোৰে লগত চা-চিনাকি হৈছিল। সাধাৰণভাৱে লগৰ সমনীয়া, বন্ধু-বান্ধৱৰ উপৰিও ডাঃ মৃগাংক শইকীয়াৰ লগত। ডাঃ শইকীয়া সিহঁতৰ গাওঁৰে মৌজাদাৰৰ লৰা। বং-চঙীয়া বাহ্যতাৰ নাগি মৌজাদাৰৰ ঘৰৰ আভিজাত্য দিনে দিনে বাঢ়ি যোৱাতকৈও সিহঁতৰ মনৰ আভিজাত্যহে প্ৰকট ভাৱে ফুটি উঠিছিল আৰু সেয়েহে মৃগাংকই হয়তো খোলাখুলি ভাবেই কব পাৰিছিল যে ললিতা বৰ্তমান তাৰ বাবে অনুপযুক্ত যেন অনুভৱ হয়। গতিকে শিক্ষিত নহলে এখন আধুনিক দেশৰ সভ্য সমাজৰ লগত কেনেকৈ মিলা-মিচা কৰিব? আগতে যি কৈছিল বা কলে তাৰ বাবে ডাঃ শইকীয়াই ললিতাৰ ওচৰত ক্ষমাও বিচাৰিছে। ললিতাই কথাটো সধাৰণ ভাৱে লৈ তাৰ পৰা একেবাৰে আঁতৰি আহিল সঁচা কিন্তু মনটোক বুজাব পৰা নাছিল মাত্ৰ 'শিক্ষিত' শব্দটোৱে।

সময়বোৰ তেনেকৈয়ে পাৰ হৈ গ'ল। তাৰ পিছত প্ৰতি বছৰেই নৱাগত আদৰণি সভা হোৱাৰ দৰেই ললিতাই যেন এজনী নিয়মীয়া বক্তা হৈ পৰিছে। অতি সাধাৰণ ভাবেই ললিতাই শিক্ষাৰ ওপৰত এটা বক্তৃতা দিলে যদিও সকলোৱে ললিতাৰ প্ৰতিভাক প্ৰসংসা কৰিলে। দুই এজন অধ্যাপক অধ্যাপিকাই ললিতাক ওচৰলৈ মাতি নি কিবাকিবি কলে, তাৰোপৰি আলবেয়া কাত আঙুলিয়াইও দিয়াত ললিতাৰ মনটো আনন্দেৰে ভৰি পৰিছিল। প্ৰফেচাৰ গৌতম চলিহাৰ উৎসাহপূৰ্ণ সুন্দৰ কথাত ললিতাই বৰ অভিভূত হৈ পৰিছিল। সুন্দৰ চেহেৰাৰে ওখ পাখ, অনবৰতে কিবা এটা কওঁ কওঁকৈ ভাৱত থকা প্ৰফেচাৰ চলিহাৰ এইখন কলেজত মাত্ৰ দুবছৰহে হৈছে। কিন্তু সকলোৰে মাজত নিজকে মিলাবলৈ পাৰিছিল। সকলোকে প্ৰতিটো কামতে বিশেষ উৎসাহ দিছিল। প্ৰফেচাৰ চলিহাই প্ৰত্যেকখন সভা-সমিতিতো নিজেও আগভাগ লৈছিল আৰু ছাত্ৰ-ছাত্ৰীকো উপস্থিত থাকিবলৈ সকিয়াইছিল। তাৰ লগে লগে ললিতায়ো বাধ্য হৈ পৰিছিল—যেন তাই নহলে আজিৰ সভাখন নহবই। তথাপিও মনৰ জটিলতাৰ মাজেৰে নীৰৱে সকলো কামকে নিয়াৰিকৈ কৰিছিল যদিও মনত এটা দৃঢ় সংকল্প লৈছে বাপু। এদিন তাই এম. এ. পাছ কৰিবই।

কিন্তু ইয়াৰ মূল্য আনে পিছত কেনেদৰে দিব তাক ললিতাই নাজানিলেও আশা কৰিছে। কিয়নো এই শিক্ষাৰ কাৰণেই আজি ললিতাৰ সকলো আশা-আকাংক্ষা অশিক্ষিতৰ বুকুত ভাঁহ গ'ল। যিদিনা মৃগাংকই নিজৰ বিবাহিত পত্নীৰ লগত আহি ললিতাক বিদেশলৈ যোৱাৰ কথা কৈছিল, আৰু সেয়ে ললিতাক পুৰণি বান্ধৱী হিচাবে এবাৰ লগ পাবলৈ অহাৰ কথা কৈছিল তেতিয়া সেই মুহূৰ্তত ললিতাৰ মনত মৃগাংকৰ কথাকেইষাৰে জ্বলা জুইত ঘিউ ঢলাৰ নিচিনাহে লাগিছিল বুলি ভাবি ল'লেও এতিয়া একেবাৰে নিৰ্বিকাৰ। কোনো আক্ষেপ নাই গঁচা কিন্তু ললিতাই নিমাত হৈ পৰিছিল। নিয়মীয়াকৈ ক্লাচ কৰিলেও তাত আন্তৰিকতাৰ অভাৱ আছিল। সকলোৰে মুখত মাত্ৰ এটা কথায়ে ললিতাৰ কি হ'ল, কি ইমান নীৰৱ হৈ পৰিছে ?

কিন্তু দৰ্শনৰ ছাত্ৰী ললিতাই অন্তৰৰ সকলো দুখ-যন্ত্ৰণাবোৰ কোনোকেই জানিব নিদিলেও, ললিতাৰ এই মানসিক পৰিবৰ্ত্তনৰ ধাঁত বিচাৰি বিচাৰি প্ৰফেচাৰ গৌতম চলিহাই সকলো কথাকে জানিব পাৰিছিল। লুকুৱাবলৈ চেষ্টা কৰাত কথাবোৰ যেন নিজে নিজেই ওলাই পৰিল। ললিতাৰ কথাবোৰ মনত পৰি কিবা নতুন নতুন লাগিল। দুটামান ক্লাচ নকৰি ললিতাই প্ৰফেচাৰ চলিহাক এইবাৰৰ অসম ভিত্তিত পতা তৰ্ক প্ৰতিযোগিতাত যোগদান নকৰো বুলিহে কৈছিল। কিন্তু তাৰ উত্তৰত অপ্ৰত্যাশিত ভাৱে গৌতম চলিহাই অইন প্ৰসংগ উত্থাপন কৰিলে—

বাৰু ললিতা, তুমি এজনক বিচাৰিছিলা, কিন্তু তেওঁ এতিয়া আঁতৰি গ'ল আৰু এতিয়া মই বিচাৰিছিলো, মোকো তুমি আঁতৰাই পঠিয়াবা নেকি ?

একো নোকোৱাকৈ ললিতাই বহু সময় পাৰ কৰি দিলে। চকুৰ পচাৰতে বছৰবিলাকো যেন কৰ্পূৰৰ দৰে উৰি নোহোৱা হৈ যায়। সুন্দৰ গোন্ধ এটা মাথোন পাত্ৰটোত ৰৈ থকাৰ দৰেই বছৰটোৰ বুকুতো বহুত আশা-নিৰাশা, হাঁহি-কান্দোন লৈ উচুপি উচুপি পুৰণি বিদায় লয়। নতুনে নিজিয়াই আহি পুৰণিক বিদায় দিয়ে। নতুনে পুৰণিক চাৰ বিচাৰে এটি স্মৃতি হিচাপে বৰ্ত্তমানৰ কণত আৰু ভৱিষ্যতৰ লগত এটা নতুন সম্বন্ধ গঢ়ি তুলিবলৈ প্ৰয়াস কৰে। নতুন আৰু পুৰণিৰ সম্বন্ধৰ গাঁঠো এটি বিশেষ দিনত পতা, দুদিন আগতে হৈ যোৱা আদৰণি সভা-খনলৈ মনত পৰি গ'ল। সেই দিনটোৱে কোনেও আমনি নলগাকৈ বাট চাই থাকিব পাৰে। কিমান আনন্দেৰে যে নতুন আহে ! সভাখনত বহুত লৰা-ছোৱালীয়ে গোট খাইছিল। তাৰ উপৰিও অন্যান্য দুই এজন মুখ্য অতিথি বক্তাও আছিল। নিৰ্দ্দিষ্ট বক্তাই কোৱাৰ পিছত প্ৰফেচাৰ ড° গৌতম চলিহাই কবলৈ থিয় হ'ল। কিবা এটা কোৱাৰ আগতে গোটেই সভাখনৰ ফালে এবাৰ চাই ক'লে— তাৰ পিছত, আৰম্ভণিতে নবাগত ছাত্ৰ-ছাত্ৰী-সকলক সম্ভাষণ জনাই, অনৰ্গলভাৱে এটাএটাকৈ সকলো কথাকে কৈ গ'ল। দুই এটা আলো-



চনৰ কথা, আমাৰ কলেজখনত বিভিন্ন ধৰণৰ ল'ৰা-ছোৱালীৰ সমাবেশ হয়। তাৰোপৰি আজি-কালি ল'ৰা-ছোৱালীৰ ফেশ্বনকে আদি কৰি কিবাকিবি বহুতো কলে যদিও কোনেও আমনি পোৱা নাছিল। বাস্তৱত আমি যিয়ে নাপাওঁ কিয় জীৱনটোক সদায় fresh হিচাবে লোৱা উচিত। জীৱন মানেই সংগ্ৰাম। তথাপিও আমি নিজকে প্ৰস্তুত কৰি ৰাখিব লাগিব। তোমালোকে আজি পাছ কৰি কলেজলৈ আহিছা আৰু এদিন পাছ কৰি কলেজৰ পৰাও আঁতৰি যাবা। কলেজলৈ আহি তোমালোকৰ হয়তো প্ৰত্যেকৰে ভাল লাগিছে নহয় ? নতুন পৰি-ৱেশ, নতুন ৰং আৰু নতুন বহুত কিবাকিবি। নতুনবোৰে চাগে ইজনে সিজনে আঁকোৱালি লৈছা ! নতুনৰ মাজত তোমালোকে নিজকে বিলাই দিদি আগবাঢ়ি নগলে পিছত বহুত পুৰণি পুৰণি যেন অনুভৱ কৰিবা। এই ৰঙীন পৃথিৱীত তোমালোকৰ এতিয়া ৰং দেখাৰ সময়। যদি ফুলৰ এটা কলি মাথোন এবাৰেই ফুলে। যদি জীৱনতো ফুল বুলি অনুমান হয় বা লোৱা তেতিয়া হ'লে ফুলাবলৈ যত্ন কৰিব লাগে। হাছনাহানাৰ দৰে উৎকট গোন্ধেৰে, মদাৰৰ দৰে উদ্দীপ্ত ৰঙেৰে। মই ভাবো তোমালোকেও ফুলাবলৈ যত্ন কৰিবা। পৃথিৱীত ৰঙৰ অভাৱ নাই যদি বুটলিবলৈ জানা……… ….।

আৰু হয়তো সেইদিনা কিবাকিবি কবলৈ মন থাকিলেও সময়ৰ অভাৱৰ কাৰণেই তাতেই শেষ কৰিব লগা হ'ল। কলেজখনত আহিয়েই অতি কম দিনতেই তেওঁ ছাত্ৰ-ছাত্ৰীৰ মাজত বৰ আপোন হৈ পৰিছিল। মৰমৰ বান্ধোনেৰে তেওঁ ছাত্ৰ আৰু শিক্ষকৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি তুলিব পাৰিছিল।

কিন্তু আজি গতানুগতিক এটা দুটা নিৰ্দ্দিষ্ট কথাৰ বাহিৰে হাতত অজস্ৰ সময় থকা সত্বেও প্ৰফেচাৰ চলিহাই একোৱেই কব নোৱাৰিলে। মাত্ৰ সকলোৰে পৰা বিদায় বিচাৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়াই কোৱাতহে সকলোৱে স্পষ্টকৈ জানিলে যে ড. গৌতম চলিহা চাৰে বিদেশলৈ যাব। উচ্চ শিক্ষাৰ কাৰণে। ভাৰত চৰকাৰে এই বৃত্তি হঠাত আগবঢ়োৱা বাবে তেওঁ আমে-ৰিকালৈ যাব ওলাইছে আৰু কিছু বছৰৰ বাবে আমাৰ পৰা আঁতৰত থাকিব। আজি আমি তেওঁক বিদায় দিছোঁ আৰু আমি আটায়ে আজি কামনা কৰো ড. চলিহাই সফলতাৰে আকৌ আমাৰ মাজত আহে যেন। আজিৰ সভাৰ এইয়ে উদ্দেশ্য আছিল আৰু অলপ পিছতে সভা শেষ হ'ব বুলি কৈ অধ্যক্ষ ডাঙৰীয়া বহি পৰিল। সকলো ছাত্ৰ-ছাত্ৰীয়ে চলিহা চাৰৰ এই আকস্মিক বিদেশ যাত্ৰাত আন্তৰিক অভি-নন্দন জনালে। কোনোবাই কলে "আপুনি কিন্তু আকৌ তাতে থাকি নাযাব আৰু কোনো-বাই দাবীৰ সুৰতেই কৈ গ'ল আপুনি কিন্তু আকৌ আমাৰ কলেজলৈকে আহিব লাগিব দেই। তাৰ উত্তৰত প্ৰফেচৰ চলিহাই ক'লে— "মই অহালৈকে তোমালোক জানো ইয়াতে ৰৈ থাকিবা ?" আৰু এইদৰে বহুতে নিজৰ নিজৰ

মনৰ কথা কৈ প্ৰফেছৰ চলিহাক শুভেচ্ছা জনালে। প্ৰত্যেকেই মিজানিজাকৈ যেন গৌৰৱ অনুভৱ কৰে আমাৰ কলেজৰ চলিহা চাৰে বিদেশলৈ আকৌ পঢ়িব যাব। কিন্তু ললিতাই ইয়াৰ ব্যতিক্ৰম হ'ল। কোনো এটা কথায়ে নকলে। দুদিন আগতে হোৱা মিটিংখন আৰু আজিৰ মিটিংখনৰ কিমান পাৰ্থক্য তাই তাকেই ভাবি চালে। কিন্তু কি কৰিব। এতিয়াযে সময় নাই। বিদায় মুহূৰ্তবোৰ মধুৰ হলেও কৰ্তব্য-কতো কোনেও অৱহেলা কৰিব নোৱাৰে। কিবা এটা নকলে বেয়া হ'ব বুলি ভাবি কবলৈ যোৱাৰ আগতেই প্ৰফেছৰ চলিহাই নিজেই বিদায় লৈছিল ললিতাৰ পৰা আৰু ক'লে—মোপোৱাৰ বেদনা বৰ মধুৰ আৰু পাই হেৰুৱাবলগীয়া হ'লে তাৰ যাতনা কিমান মধুৰ সেই কথা তোমাৰ অজানা নহয়। ভুল তুমি কৰা নাই। আমি নিবিচাৰিলেও সময়ে সময়ত যি দিয়ে তাকেই লব লাগে। মই ভাবো ফুলৰ এটা কলি মাথো এবাৰেই ফুলে, যদি জীৱনটো ফুল বুলি ভাবা—ফুলাবলৈ যত্ন কৰা, আঁতৰি যাবলৈ চেষ্টা নকৰিবা। May you be happy, I wish your welfare."

ললিতাৰ চকুত.......... দুখন ছবি ভাহি উঠিল আৰু মনে মনে "শিক্ষিত" শব্দটো উচ্চাৰণ কৰিলে।........সন্ধ্যা তেতিয়া মন্দিৰত পূজাৰীৰ আৰতিৰ ধ্বনি ভাহি আ—হি—ছি—ল....... ৰিণি..........ৰিণিকৈ...........।

॥ চুটি গল্প ॥

# ভণ্টি
# ৰুণজুণ
# আৰু সি !

ফৰিদা বেগম
প্ৰাক্ বিশ্ববিদ্যালয়, ১ম বাৰ্ষিক [কলা]

"ভণ্টি !"

"ৰুণু !"

"হৈছে নে ?"

"উঁ.... উঁ....... হৈছে।"

চিল্ মিল্ কৈ অহা টোপনীটো সিহঁত কেইটাৰ দপ্ দপ্ নি চিঞৰ বাৰ্থৰত ভাগি গ'ল। এই ভৰ দুপৰীয়াখননো এনেকৈ হুলস্থুল কৰিব লাগেনে ? অকণমান যদি শান্তিত থাকিবলৈ দিয়ে !! ৰাতিপুৱাৰ পৰা নিশা টোপনি নোযোৱালৈকে ইমাননো হুলস্থুল কৰিব পাৰেনে ? তাৰবাবেই যে কিমান শিক্ষা নিদিলো !! এতিয়াই শিক্ষা দিছো, আকৌ অলপ পিছতে সেই একেই যেনে আৰু তেনে .........

এবাৰ ভাবিলো উঠি যাওঁ নেকি ? উঠি গলেও হব কি ? ধৰিবতো এটাকো নোৱাৰিম। সেয়েহে বিচনাৰ পৰাই এবাৰ চিঞৰি সাবধান কৰি দিলো হুলস্থুল নকৰিবলৈ।

কিছু সময় নিতাল !

অকণমান পিছতেই পানীৰ কলটোৰ ইঞ্জিন ষ্টাৰ্ট দিয়াৰ দৰেই এটা দুটাকৈ কথাৰ আৰম্ভণি হৈ পুনৰ হুলস্থুল দৌৰা দৌৰি........হাঁহি মাত.... খিচিৰ মিচিৰ.......... ।

উঃ নোৱাৰিছো দেই ; এইবাৰ হলে নেৰিছো। ধৰি আনি এনেদৰে শিক্ষা দিম যাতে জীৱনলৈ মনত থাকে।

বিচনাৰ পৰা এক জাপ মাৰি সিহঁতলৈ চোঁচা ললো...... "মা........আহিছে ৰুণু দৌৰ দৌৰ" পলাই পত্ৰং।

মইও পিচে পিচে চোঁচা ললোঁ।

"আই ঐ মৰিলো ঐ জীৱন গল ঐ" ভীষণ চিঞৰ মাৰি মই মাটিত বাগৰি পৰিলো।

চকু মেলি যেতিয়া চালো দেখো মই বিচনাত। মোৰ কাষত দেউতাকে বহি আছে।

কি ঘটনানো হৈ গ'ল ভাবি চোৱাৰ আগেয়ে মোৰ মোৰৰিত বেণ্ডেজ দেখি পুনৰ চিঞৰি উঠিলো............

দেউতাকে "কি হ'ল কি হ'ল অ'" বুলি দুহাতেৰে মোৰ দুগালত চেপা মাৰি ধৰি জোকাৰিব ধৰিলে। লাহে লাহে মোৰ পৰিস্থিতি বুজি পোৱাটৈ আহিল। মই সুধিলো মোৰ কি হৈছে।

দেউতাকৰ মুখৰ পৰা জানিব পাৰিলো যে মই সিহঁত কেইটাৰ পিছে পিছে খেদি থাকোঁতে ভঙ্গা কাচত ভৰি পৰি আহত হৈ বাগৰি পৰো। অকল সেয়ে নহয় বাগৰি পৰোতে মাটিত পৰি থকা ইটা এটাত মোৰ মূৰটো পৰি বেয়াকৈ আঘাত পাওঁ।

এতিয়াহে মোৰ অনুভৱ হ'ল যে মোৰ মূৰত বেণ্ডেজ !!!

দেউতাকে মোক ক'লে যে সেই সময়ত যদি তেওঁ আহি নেপালেহেঁতেন বৰ বিপদত পৰিব লগা হ'লহেঁতেন !!!

তেওঁৰ পৰা পৰা মুখখনিলৈ চাই মোৰ সিহঁত কেইটালৈ মনত পৰিল !

দেউতাকে মোৰ মনৰ অৱস্থা লক্ষ্য কৰি সুধিলে মই কিবা কম নেকি ?

মই সিহঁত কেইটাৰ কথা সোধাত ক'লে যে সিহঁত ইতিমধ্যে শুই পৰিছে !!!

* * *

ৰাতিপুৱা সাৰ পায়েই দেখো দেউতাক টোপনিত লালকাল।

মূৰটো অলপ ইকাটি কৰি দেখো সিহঁতকেইটা মানে ভণ্টি কণজুন আৰু সি (ওচৰ চুবুৰীয়া আমাৰ সিহঁতৰ লগৰীয়া) সেমেনা সেমেনিকৈ থিয় দি আছে। সিহঁতৰ বিমর্ষ মুখ কেইখনি দেখি মোৰ পুতৌ লাগি গ'ল। সিহঁতে চাগে মোৰ ওচৰলৈ আহিবলৈ ভয় খাইছে।........ ভাবিছে সিহঁতৰ বাবেই চাগে মই এনে হব লগাত পৰিলো যাৰ বাবে সিহঁতে নিজকে দোষী দোষী অনুভৱ কৰিব লগাত পৰিছে। সিহঁতৰ মানসিক পৰিস্থিতি দেখি মই হাঁহি এটা মাৰি সিহঁতক ওচৰলৈ আহিবলৈ কলোঁ।

তিনিওটি লাহে লাহে মোৰ কাষলৈ আহিল। তাৰ পিছত তিনিওটি হঠাতে টপ্‌কৈ মোৰ গালত চুমা খাই হুৰাওৰাকৈ কান্দিবলৈ আৰম্ভ কৰিলে। সিহঁতৰ বাও-কাৰেখানাত মোৰ সর্বশৰীৰৰ মাজেৰে শিহৰণ বৈ গ'ল। মোৰ চকুত হজৰত মহম্মদ, যিশু, আৰু ৰামৰ প্রতিচ্ছবি ভাহি উঠিল। লাহে লাহে সিহঁত কেইটাক মই বুকুৰ মাজত সুমুৱাই ললোঁ।


তিনিওটিৰ ফেকুৰণিৰে সৈতে মোৰ বুকুত এক অনাবিল স্বর্গীয় অনুভূতিৰ সৃষ্টি হ'ল। মোৰ দুচকুৰে অজানিতভাৱে অশ্রু ধাৰা বৈ আহিল। দুচকুৰ পতাত মোৰ সপোনৰ আবাহন পৰিল। সিহঁতৰ ফেকুৰণি সতে মই শুনিলো, "মা আমি সদায় তোমাৰ কথা শুনিম !!!"



আলোচনী বিভাগৰ দ্বাৰা আয়োজিত কলেজৰ চিত্র-প্রদর্শনীত গৌহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীদেৱপ্ৰসাদ বৰুৱাদেৱৰ লগতে আমাৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু অনেক ছাত্র-ছাত্রী।



আলোচনী বিভাগৰ দ্বাৰা আয়োজিত কলেজৰ চিত্ৰ-প্ৰদৰ্শনীত সোঁমাজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীদেৱপ্ৰসাদ বৰুৱাদেৱৰ সৈতে আমাৰ অধ্যক্ষ, অধ্যাপক, সোঁফালে অতিথিদ্বয় আৰু জনৈক ছাত্ৰ-ছাত্ৰী ।



মিঃ বি. এইচ্

শ্ৰীবিজয় শৰ্ম্মা

পি, ইউ, ২য় বাৰ্ষিক, বাণিজ্য।

বছৰৰ শ্ৰেষ্ঠ নাট্যদল ঃ

নাট—"সূৰ্য্য সপোন"।

বহি : শ্ৰীত্ৰৈলোক্য দাস, শ্ৰীধনজেন দাস।

থিয় হৈ : শ্ৰীশান্তনু দাস, শ্ৰীশ্যামল দাস।

শ্ৰেষ্ঠ পৰিচালক : শ্ৰীশান্তনু দাস।



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

অসমী মাতৃক বিদেশীৰ গৰাহৰ পৰা মুক্ত কৰি অসমী মাতৃৰ অস্তিত্ব ৰক্ষাৰ বাবে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত চলা ঐতিহাসিক আন্দোলনত অংশ গ্ৰহণ কৰি নিজৰ প্ৰাণ আহুতি দিয়া জ্ঞাত অজ্ঞাত সমূহ শ্বহীদলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰি মোৰ প্ৰতিবেদন আৰম্ভ কৰিছো। জয় জয়তে বৰপেটা ৰোড, হাউলী মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস সম্বলিতে সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ কাৰ্য্যকালৰ বিভিন্ন সময়ত সহায় কৰা বাবে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিছো। মোৰ কাৰ্য্যকাল ছোৱাত মোৰ ওপৰত ন্যস্ত কৰা দায়িত্বসমূহ কাৰ্য্যকৰী কৰাত মই কিমানদূৰ সফলতা লাভ কৰিছো সি সমূহ ছাত্ৰ-ছাত্ৰীৰ বিচাৰ্য্য।

(১) শপত গ্ৰহণ: বি. এইচ কলেজৰ বিগত পৰিস্থিতিলৈ লক্ষ্য ৰাখি কলেজৰ অধ্যক্ষদেৱে আমাৰ কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচন অনুষ্ঠিত নকৰি ১৯৮৪-৮৫ ইং চনৰ ছাত্ৰ একতা সভাখন মনোনীত কৰি দিছিল। এই মনোনয়নত মোক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰি বি. এইচ কলেজৰ দৰে এখন মহান ঐতিহ্য মণ্ডিত কলেজক প্ৰত্যক্ষভাৱে সেৱা কৰাৰ সুবিধাকণ দিয়া বাবে মই অধ্যক্ষ মহোদয় তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ। "যোৱা ১৪।১২।৮৪ ইং তাৰিখে অধ্যক্ষদেৱৰ সভাপতিত্বত শপত গ্ৰহণ অনুষ্ঠানত সংবিধানৰ নীতি, 'কলেজৰ সৰ্ব্বাঙ্গিন উন্নতি আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত মিলাপ্ৰীতি ভ্ৰাতৃত্ব বোধেৰে কাম কৰি যাম বুলি আমি শপত গ্ৰহণ কৰো" আৰু উক্ত পথেৰেই মই সদায় কাম কৰি আহিছো বুলি মোৰ দৃঢ় বিশ্বাস।

(২) কলেজ সপ্তাহ ঃ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ প্ৰয়োজনীতাৰ প্ৰতি লক্ষ্য ৰাখি সমূহ কলেজতে "কলেজ সপ্তাহ" পালন কৰাৰ দৰে এইবাৰো ৭।১।৮৫ ইং তাৰিখৰ পৰা ১২।১।৮৫ ইং তাৰিখলৈ আমাৰ কলেজত বিশেষ আকৰ্ষণীয় ভাৱে কলেজ সপ্তাহ অনুষ্ঠিত হয়। অইন বাৰতকৈ এইবাৰৰ প্ৰতিযোগিতাৰ সংখ্যা বহুত বেছি আছিল। মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱে "ঊনবিংশতিতম কলেজ সপ্তাহ"ৰ শুভ উদ্বোধনী অনুষ্ঠানেৰে কলেজ সপ্তাহ মুকলি কৰে। ইয়াৰ পিছত শ্বহীদ বেদী উন্মোচন কৰা হয় আৰু আমাৰ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত

প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ স্মৃতিত এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়।
ইয়াৰ পিছৰ কেইদিনত নানা ক্ৰীড়া, ব্যায়াম, সাংস্কৃতিক, তৰ্ক আদি প্ৰতিযোগিতাসমূহৰ
প্ৰতিযোগিতা পতা হয়। কলেজ সপ্তাহৰ শেষৰ দিনা বঁটা বিতৰণী সভা অনুষ্ঠিত হয়।
বিভিন্ন প্ৰতিযোগিতাত জয়ী হোৱা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। এই
সভাত সভাপতিত্ব কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক কলা-
গুৰু শ্ৰীযুত দেৱ প্ৰসাদ বৰুৱাদেৱে, আৰু মুখ্য অতিথি হিচাপে কমল মজুমদাৰ আই,
এ, এচদেৱে অংশ গ্ৰহণ কৰে। তেওঁলোকৰ সাৰগৰ্ভ ভাষণে ছাত্ৰ-ছাত্ৰীক যথেষ্ট উপকৃত
কৰিছে। সভাৰ কাম চলাই নিয়াত সহযোগ কৰা শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু
উপস্থিত থকা সুধীবৃন্দলৈ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা শলাগৰ শৰাই আগবঢ়োৱা হয়।
সভাৰ অন্তত কলেজ প্ৰতিষ্ঠা দিৱস উপলক্ষে দীপাম্বিতা আৰু কলেজ সপ্তাহৰ অন্তিম কাৰ্য্য-
সূচী সন্ধিয়াৰ উদ্‌যাপনেৰে কলেজ সপ্তাহৰ সামৰণি পৰে। সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ
আছিল অসমৰ সংগীত জগতৰ জনাজনা গায়ক সমৰ হাজৰিকা আৰু ঋতুপৰ্ণ শৰ্মা লগতে
আমাৰ কলেজৰ প্ৰাক্তন ছাত্ৰ কবীন দাস।

(৩) নৱাগত আদৰণি সভা :— প্ৰতি বছৰৰ পৰম্পৰা অনুযায়ী বিভিন্ন পৰীক্ষাত সুফল
দেখুৱাই আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে ২১।১১।৮৫
ইং তাৰিখে আদৰণি জনোৱা হয়। ৰাতিপুৱা কলেজ পতাকা উত্তোলন কৰে অধ্যক্ষ
শ্ৰীযুত সত্যনাথ দাসদেৱে। তাৰ পিছত শ্বহীদ বেদীত আনুষ্ঠানিকভাৱে সকলো শিক্ষাগুৰু
আৰু ছাত্ৰ-ছাত্ৰী প্ৰমুখ্যে কৰ্মচাৰীবৃন্দই শ্ৰদ্ধাঞ্জলী অৰ্পণ কৰে। বাৰ বজাত অধ্যক্ষ শ্ৰীযুত
সত্য নাথ দাসদেৱৰ সভাপতিত্বত অধিবেশন মুকলি কৰা হয়। সভাত শিক্ষাগুৰু আৰু পুৰণি
ছাত্ৰ-ছাত্ৰীচামে নতুন ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ
নীতি নিয়ম আৰু পৰম্পৰাগত ঐক্য, শান্তি প্ৰগতিৰ বিষয়ে অৱগত কৰোৱায়। মুখ্য আলহী
শ্ৰীহৰিনাথ শৰ্মা দলৈদেৱে তেওঁৰ তত্ত্বগধুৰ ভাষণেৰে ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষণ কৰে। নতুন
চামে তেওঁলোকৰ ভাষণ প্ৰসঙ্গত ভৱিষ্যতে কলেজখনৰ সৰ্বাঙ্গিন উন্নতিৰ অৰ্থে কাম কৰি
যাম বুলি আশাস দিয়ে। সভাপতিয়ে ভাষণত সকলো ছাত্ৰ-ছাত্ৰীকে মিলা প্ৰীতিৰে কলেজৰ
পৰম্পৰাগত কৃতিত্বক দোপতদোপে উন্নতিৰ পথত আগবঢ়াই নিবলৈ অনুৰোধ কৰে। সন্ধিয়া
বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক সন্ধিয়াত কলেজৰ নং-পুৰণি ছাত্ৰ-ছাত্ৰীৰ গীত পৰিৱেশনৰ
উপৰিও অন্যতম আকৰ্ষণ অসমৰ আন এগৰাকী 'জুনিয়ৰ ভুপেন হাজৰিকা' জ্যোতিৰ্ময় দেৱ-
নাথ আৰু তেঁওনাতাৰ শিল্পী শ্ৰীমতী নমিতা দাসৰ সুললীত কণ্ঠৰ গীত পৰিৱেশন।



(৪) শোক সভা :— মোৰ কাৰ্য্য সময় ছোৱাত পৰলোক প্ৰাপ্তি হোৱা অভিনেতা শিল্পী
কমল নাৰায়ণ চৌধুৰী, প্ৰশাসক ধৰ্মানন্দ দাস, শিক্ষাবিদ অভিনেতা ধৰণীধৰ গোস্বামী,
আইনজ্ঞ জগদীশ মেধী, আমাৰ কলেজৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক
নিশিথ দাস, প্ৰাক্তন ছাত্ৰ অশোক পোদ্দাৰ, সুনীল ৰাখী, আৰু অসম আন্দোলনত মৃত্যু-
বৰণ কৰা জ্ঞাত অজ্ঞাত বীৰ শ্বহীদসকলৰ স্মৃতিত কেবাখনো শোকসভা অনুষ্ঠিত কৰা হয়।
প্ৰয়াতসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয় আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ
আমাৰ কলেজৰ পৰা সমবেদনা জনোৱা হয়।

(৫) বিদায় সভা :— আন আন বছৰৰ দৰে এইবাৰো আমাৰ কলেজৰ প্ৰাক্‌বিশ্ববিদ্যা-
লয় আৰু স্নাতক মহলাৰ (ক'লা আৰু বাণিজ্য) পৰীক্ষাৰ চূড়ান্ত পৰীক্ষাৰ্থীলৈ বিদায়
সভাৰ আয়োজন কৰা হয়। ৫।৩।৮৫ ইং তাৰিখে অধ্যক্ষদেৱৰ সভাপতিত্বত শিক্ষাগুৰু আৰু
ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হোৱা সাধাৰণ সভাত চূড়ান্ত পৰীক্ষাৰ্থীসকলক চূড়ান্ত
পৰীক্ষাসমূহত সফলতা তথা উজ্জ্বল ভৱিষ্যতৰ কামনাৰে আন্তৰিকভাৱে শুভেচ্ছা জ্ঞাপন কৰা হয়।

(৬) সম্বৰ্দ্ধনা সভা : আমাৰ মহাবিদ্যালয়ৰ এটা পৰম্পৰা আছে। যি পৰম্পৰাৰ মাধ্য-
মেৰে আমাৰ কলেজৰ মেধাৱী আৰু কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্মান প্ৰদৰ্শন কৰা হয়।
গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোৱা প্ৰাক্‌-বিশ্ববিদ্যালয়ৰ বাণিজ্য শাখাত আমাৰ মহাবিদ্যালয়ৰ
পৰা শ্ৰীমতী পুণম চৌধুৰী আৰু শ্ৰীমান প্ৰবীণ মাহেশ্বৰীয়ে যথাক্ৰমে প্ৰথম আৰু তৃতীয়
স্থান অধিকাৰ কৰি নিজৰ মেধা শক্তিৰ পৰিচয় দি আমাৰ কলেজৰ পুৰণি ঐতিহ্যৰ লগতে
নতুন গৌৰৱৰ সূচনা কৰিছে। এই কৃতী ছাত্ৰ-ছাত্ৰী দুগৰাকীক যথাবিহিতভাৱে সম্মান
জনাবলৈ ১০-১১-৮৮ ইং তাৰিখে অধ্যক্ষদেৱৰ সভাপতিত্বত সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰা হয়।
এই সুযোগতে মই আমাৰ মহাবিদ্যালয়ৰ পুৰণি ঐতিহ্যৰ পৰম্পৰা ৰক্ষা কৰা বাবে শ্ৰীমতী
চৌধুৰী আৰু শ্ৰীমান মাহেশ্বৰীলৈ ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন
কৰিছোঁ। লগতে আন আন ছাত্ৰ-ছাত্ৰীসকলৰ পৰাও তেনে সুফল পোৱাৰ আশা কৰিলোঁ।

(৭) আলোচনা চক্ৰ : ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত আলোচনা চক্ৰৰ এক
গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি অধ্যক্ষ মহোদয়ে বৰপেটা জিলা
জন-সংযোগ বিষয়াৰ সহযোগত আমাৰ মহাবিদ্যালয়ত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰে।
আলোচনা চক্ৰখনৰ বিষয়-বস্তু আছিল "দেশ গঠনত ছাত্ৰৰ ভূমিকা আৰু দায়িত্ব।" উক্ত
আলোচনা চক্ৰত মুখ্য অতিথি হিচাপে যোগদান কৰে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত

(৮) এটা উল্লেখযোগ্য দিন: ১৯৮৫ ইং চনৰ ১৫ আগষ্ট দিনটো ইতিহাসত এক গৌৰৱপূৰ্ণ স্থান অধিকাৰ কৰি থাকিব। এই দিনতে অসমৰ পৰা অবৈধ বিদেশী বহিষ্কাৰ কৰি অসমত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ দাবীত ছবছৰে আন্দোলন কৰি অহা অসম আন্দোলনৰ নেতৃবৃন্দ আৰু ভাৰত চৰকাৰৰ মাজত এক ঐতিহাসিক চুক্তি সম্পাদিত হয় আৰু ছবছৰীয়া আন্দোলনৰ সফল পৰিসমাপ্তি ঘটে। ১৬ আগষ্ট তাৰিখে আমাৰ কলেজৰ অধ্যক্ষ, শিক্ষাগুৰু, সমূহ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ উপস্থিতিত এক সাধাৰণ সভা অনুষ্ঠিত কৰি চুক্তিৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়োৱা হয়। ইয়াৰ আগতে ছবছৰীয়া আন্দোলনটোত আমাৰ কলেজে পূৰ্ণ সহযোগিতা কৰি আহিছে।

(৯) **A. C. S. Coaching Centre :** এই বছৰে আমাৰ মহাবিদ্যালয়ত A.C.S. Coaching Centre আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। সভাত সভাপতিত্ব কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত সত্য নাথ দাসদেৱে। মুখ্য অতিথি হিচাপে গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ এচ. ভট্টাচাৰ্য্যদেৱে। অসমৰ দুখন কলেজৰ ভিতৰত আমাৰ কলেজেও এই সুবিধা-খিনি পোৱাত আমি গৌৰৱান্বিত। লগতে যিসকলে চেষ্টা কৰি এই Coaching Centre আমাৰ কলেজত আনি এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ এক বৃহৎ উপকাৰ কৰিলে তেওঁলোকক মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই অনুষ্ঠানে কেৱল A.C.S. পৰীক্ষাতেই নহয় আন Compitative পৰীক্ষাসমূহতো বিশেষ সহায় কৰিব বুলি মোৰ দৃঢ় বিশ্বাস। এই প্ৰসংগতে মই আমাৰ কলেজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণী খোলাৰ পথ মুকলি কৰিবলৈ কৰ্তৃপক্ষক অনুৰোধ কৰিলো।

(১০) ভোটাৰ তালিকা সংশোধন : বৰপেটা ৰোড আঞ্চলিক ছাত্ৰ সন্থা আৰু হাউলী আঞ্চলিক ছাত্ৰ সন্থাই ভোটাৰ তালিকা সংশোধনৰ বাবে আমাৰ মহাবিদ্যালয়ৰ সহায় বিচাৰিছিল। আমি আমাৰ কলেজৰ পৰা কিছুমান ছাত্ৰ-ছাত্ৰীক বৰপেটা ৰোড আৰু হাউলীলৈ গৈ ভোটাৰ তালিকা সংশোধন কৰিবলৈ পঠোৱা আৰু তেওঁলোকে নিজৰ পঢ়া-শুনা বাদ দি যি অকৃত্ৰিম সেৱা আগবঢ়ালে তাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

(১১) এটি দুখজনক ঘটনা : যোৱা ২২।১০।৮৫ইং তাৰিখে আমাৰ কলেজৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা অসম আন্দোলনৰ এজন নিষ্ঠাবান নেতা মিশিখ দাসৰ পাঠশালাৰ ওচৰত ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথত ট্ৰাক দুৰ্ঘটনাত শোকাবহভাৱে মৃত্যু হয়। তেওঁৰ এই আকস্মিক আৰু অকাল বিয়োগত এই অঞ্চল তথা অসমবাসী ৰাইজে এজন মহান নেতা হেৰুৱায়।



তেওঁৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰো আৰু মৃতকৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।

(১২) কিছুমান গুৰুত্বপূৰ্ণ কাম সম্পূৰ্ণ : আমাৰ কলেজৰ বহুতো সমস্যা আছে। এই সমস্যাসমূহ মই সমাধা কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰিছিলো যদিও সকলো ক্ষেত্ৰতে সফল হব নোৱাৰিলো (তাৰ বাবে মই ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো) তথাপি কিছুমান কাম সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হৈছিলো। সেইবোৰ তলত উল্লেখ কৰিলো—

(ক) স্থায়ী শ্বহীদ বেদী নিৰ্মাণ :— মোৰ কাৰ্য্যকালৰ ভিতৰত কৰা কাৰ্য্যৰ ভিতৰত সবাতকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল স্থায়ী শ্বহীদ বেদী নিৰ্মাণ কৰা। ইয়াৰ আগৰ কাৰ্য্যনিৰ্ব্বাহকে কলেজত এটি স্থায়ী শ্বহীদ বেদী নিৰ্মাণৰ বাবে চেষ্টা কৰিছিল যদিও কামটো কৰিব পৰা নাছিল। আমি কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই কলেজত উক্ত শ্বহীদ বেদী নিৰ্মাণৰ গুৰুত্ব বুজি কামত আগবাঢ়িছিলো। এই বেদী নিৰ্মাণত ছাত্ৰ একতা সভাৰ পুঁজিৰ পৰা ৫০০০.০০ (পাঁচ হেজাৰ) টকা দিয়া হয়। উক্ত টকাৰে নাটনি হোৱাত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পৰা ৫.০০ (পাঁচ) টকাকৈ বৰঙণি তোলা হয়। ইয়াৰ উপৰিও বেদী নিৰ্মাণৰ বাবে আমাৰ মহাবিদ্যালয়ৰে শিক্ষক গোটে ১০০১.০০ (এক হেজাৰ এক) টকা দি সহায় কৰে। বৰপেটা ৰোডৰ শ্ৰীকৰুণা শৰ্মাদেৱে ১½ গাড়ী শিল, আধা গাড়ী বালি আৰু কিছু টকা দি সহায় কৰে। শ্বহীদ বেদী নিৰ্মাণত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সহায় কৰিলে তেওঁলোকৰ ওচৰত আমি চিৰ কৃতজ্ঞ। লগতে মুকুল, প'ল, গণপতি, টংকেশ্বৰ, প্ৰবীন আদিয়ে দিন-ৰাতি খাতি যি সহায় কৰিলে তাৰ বাবে মই ঋণী।

(খ) ফুলনি বাগিছা:— আমাৰ মহাবিদ্যালয়ৰ সন্মুখত এখনি ফুলনি বাগিছাৰ প্ৰয়োজন আমি বহুদিনৰে পৰা অনুভৱ কৰি আহিছোঁ। এই সম্পৰ্কে আগৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যনিৰ্ব্বাহকক ফুলনি বাগিছা স্থাপনৰ ওপৰত গুৰুত্ব দি প্ৰস্তাৱ লোৱা হৈছিল যদিও কাৰ্য্যকৰী হৈ উঠা নাছিল। কলেজৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে এখনি ফুলনি বাগিছাৰ গুৰুত্ব উপলব্ধি কৰি আমি ডি. এফ. ও শ্ৰীবুদ্ধিন শৰ্মাদেৱক জনোৱাত আমাৰ প্ৰস্তাৱৰ প্ৰতি সহাৰি জনাই চৰকাৰৰ পৰা বাগিছাখনৰ মঞ্জুৰ আদায় কৰি দিছিল। শ্ৰীশৰ্মাদেৱৰ প্ৰচেষ্টাতে আজি আমাৰ কলেজৰ চৌহদত এই আটকধুনীয়া ফুলনি বাগিছাখন হ'ল। শ্ৰীশৰ্মাই আমাৰ কলেজৰ বাবে কৰা এই মহান উপকাৰৰ কথা কেতিয়াও নেপাহৰো। ভৱিষ্যতলৈ বাগিছাখনৰ অধিক উন্নতিৰ ব্যৱস্থাৰ বাবে কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

(গ) পুথিভঁৰাল আৰু অধ্যয়ন কক্ষ :— আমাৰ কলেজত আছুতীয়া পুথিভঁৰাল
আৰু অধ্যয়ন কক্ষৰ প্ৰয়োজনীয়তা বহুদিনৰে পৰা উপলব্ধি কৰি অহা হৈছিল। পুৰণি
অধ্যয়ন কক্ষৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে পোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই আছুতীয়া
পুথিভঁৰাল আৰু অধ্যয়ন কক্ষৰ বাবে আমি অধ্যক্ষ মহোদয়ক অনতি পলমে নিৰ্মাণ কৰিবলৈ
অনুৰোধ কৰিছিলো। অধ্যক্ষ মহোদয়েও উক্ত সমস্যা গুৰুত্ব সহকাৰে বিবেচনা কৰি উক্ত কাম-
খিনি সম্পূৰ্ণ কৰিছে। আমাৰ অসুবিধাৰ প্ৰতি মনযোগ দি কামখিনি কৰাত আমি ছাত্ৰ
একতা সভাৰ তৰফৰ পৰা তেখেতক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আশা কৰো উক্ত
অধ্যয়ন কক্ষই ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী বিৰতিৰ সময়ত অধ্যয়ন কৰাৰ বাবে সুন্দৰ পৰিবেশৰ
সৃষ্টি কৰিব।

(১৩) আমাৰ অভাৱ-অভিযোগ :— Wants are unlimited অৰ্থাৎ অভাৱৰ সীমা
নাই। সেইদৰে আমাৰ কলেজৰ কিছুমান গুৰুত্বপূৰ্ণ অভাৱ পূৰণ কৰা হৈছে যদিও আন বহুতো
অভাৱ আছে। সেয়ে যিবোৰ সমাধান কৰা অতি দৰ্কাৰ সেইবোৰ কলেজ কৰ্তৃপক্ষই যাতে
অতি সোনকালে সমাধা কৰে, তাৰ বাবে আমি টামি অনুৰোধ জনালোঁ।
প্ৰথমতে, আমাৰ কলেজত এটা স্থায়ী অ'ডিটৰিয়ামৰ অতি দৰকাৰ। অ'ডিটৰিয়ামৰ
অভাৱত কলেজত বিভিন্ন সভা সমিতি কাৰ্য্যসূচী আদি চলোৱাত অসুবিধাৰ সৃষ্টি হোৱা কথা
নিশ্চয় কৰ্তৃপক্ষৰ অবিদিত নহয়। কলেজত বিভিন্ন সভা-সমিতিৰ বাবে পতা অস্থায়ী পেণ্ডেলৰ
বাবে প্ৰতি বছৰে যথেষ্ট টকা খৰচ হয়। আমি জনাত অধ্যক্ষ মহোদয়ে দিল্লীলৈ গৈও কলেজৰ
বাবে মঞ্জুৰ অনাৰ সুনাম আছে। সেয়ে মহোদয়ক অনুৰোধ জনাও যাতে এই অসুবিধাৰ
প্ৰতি লক্ষ্য ৰাখি ইয়াৰ আশু সমাধানৰ বাবে অনতি পলমে আমাৰ কলেজত এটা স্থায়ী
অ'ডিটৰিয়াম নিৰ্মাণৰ কাম হাতত লয়।

দ্বিতীয়তে, কলেজলৈ অহা যোৱা কৰা গাড়ীৰ সমস্যাটো আমাৰ এক জলন্ত সমস্যা হৈ
পৰিছে। ইয়াৰ আগতে বহুতবাৰ এই সম্পৰ্কে আলোচনা কৰা হৈছিল। কিন্তু আজিলৈ ইয়াৰ
কোনো স্থায়ী সমাধান নোহোৱাতো এটা আক্ষেপৰ কথা হৈ পৰিছে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু
সকলে বেছিভাগ সময়ত কলেজত আহি ঠেলা হেঁচাৰ কবলত পৰি মানসিক সুস্থিৰতা হেৰুৱাব
লগা হয়। সেয়ে উক্ত সমস্যাৰ আশু সমাধানৰ বাবে কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনালোঁ।
তৃতীয়তে, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীবাসৰ ছাত্ৰ-ছাত্ৰীসকলে বিজুলী
পাখা, উন্নত পানী যোগান, চিলিং আদিৰ অভাৱত অবৰ্ননীয় কষ্ট ভোগ কৰি আহিছে।



চিলিঙৰ সু-ব্যৱস্থা আৰু বিজুলী পাখা নথকাত ছাত্ৰ-ছাত্ৰীসকলে গৰমৰ দিনত নাৰকীয় যন্ত্ৰণা
ভুগিব লগা হয়। তাৰোপৰি ছাত্ৰাবাসৰ ডাইনিং হলৰ অৱস্থা অতি শোচনীয়। পানী যোগানৰ
সু-ব্যৱস্থা নাই। উক্ত সমস্যাসমূহ কৰ্তৃপক্ষই অনতি পলমে সমাধান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ
উপকাৰ কৰিব বুলি আশা আৰু অনুৰোধ কৰিলো।

চতুৰ্থতে, আমাৰ মহাবিদ্যালয়ৰ চাৰিওকাষে স্থায়ী বেৰ নোহোৱাত কিছুমান দুখজনক
ঘটনা ঘটিছিল। আজিও আমাৰ চকুত ১৯৮৩ চনৰ ৮ জানুৱাৰীৰ চিত্ৰটো জিলিকি আছে।
সিদিনা মহাবিদ্যালয়ৰ ছাত্ৰাবাসত পুলিচ বাহিনী সোমাই ছাত্ৰৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ
কৰাৰ উপৰিও ছাত্ৰাবাসৰ কোনো এখন খিৰিকী বা দুৱাৰৰ গ্লাচ নভঙাকৈ এৰা নাছিল।
সেয়ে ভৱিষ্যতে যাতে এনেকুৱা ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ প্ৰতি কৰ্তৃপক্ষই লক্ষ্য ৰাখিব।
পঞ্চমতে, অতি পৰিতাপৰ কথা যে আমাৰ কলেজত এতিয়ালৈ স্থায়ী গেট নাই।
ইতিমধ্যে প্ৰতি বছৰে বিভিন্ন উৎসৱত অস্থায়ীভাৱে সজোৱা গেটৰ নামত হাজাৰ হাজাৰ
টকাৰ অপচয় কৰা জানো যুক্তি আছে? সেয়ে উক্ত গেটৰ নিৰ্মাণৰ বাবে কৰ্তৃপক্ষৰ দৃষ্টি
আকৰ্ষণ কৰিলো।
ষষ্ঠতে, কলেজৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে অহা Scholarship ৰ ক্ষেত্ৰত বহুতো অভি-
যোগ উঠা দেখা যায়। আন আন কলেজত এই Scholarship বহুত আগতে অহা দেখা
যায়। কিন্তু আমাৰ কলেজত Scholarship অহাত বহু দেৰি হোৱা বাবে দুখীয়া ছাত্ৰ-ছাত্ৰী
বহু অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। গতিকে কলেজ কৰ্তৃপক্ষই যাতে এই ক্ষেত্ৰত
উপযুক্ত ব্যৱস্থা সোনকালে লয়।
সপ্তমতে, মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যালৈ চাই পুথিভঁড়ালৰ কিতাপৰ সংখ্যা বৃদ্ধি কৰা
উচিত। ছাত্ৰ-ছাত্ৰীসকলে মাত্ৰ এখন বা দুখন কিতাপহে পুথিভঁড়ালৰ পৰা পায়। বহুক্ষেত্ৰত
দেখা যায় আমাৰ পুথিভঁৰালৰ কিতাপ কলেজত নপঢ়া পঢ়ুৱৈও ব্যৱহাৰ কৰি আছে। কলেজৰ
ছাত্ৰ-ছাত্ৰীৰ অভাৱ পূৰণ নকৰি বাহিৰৰ লোকে কেনেকৈ মহাবিদ্যালয় পুথিভঁৰালৰ কিতাপ
পায় সিও সাধৰ হৈ আছে। সেয়ে কৰ্তৃপক্ষক অনুৰোধ জনাও যাতে এই ক্ষেত্ৰত দৃষ্টি
নিক্ষেপ কৰে আৰু ছাত্ৰ-ছাত্ৰীক অধিক কিতাপৰ যোগান ধৰে।
অষ্টমতে, মহাবিদ্যালয়ত এখন উন্নত মানৰ খেল পথাৰৰ অতি প্ৰয়োজন। উক্ত খেল
পথাৰৰ অভাৱ প্ৰতি বছৰে ভোগ কৰি অহা হৈছে। আমাৰ মাজত লুকাই থকা প্ৰতিভাৱান
খেলুৱৈসকলে নিজৰ চেষ্টাৰ ফলত এই চৰণীয়া পথাৰ সদৃশ খেল পথাৰতে নিজৰ কৃতিত্বৰ
পৰিচয় দি আহিছে। সেয়ে উক্ত পথাৰখন উন্নত কৰি খেলুৱৈসকলক উৎসাহিত কৰিব

বুলি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।
নৱমতে, শৰীৰ চৰ্চ্চা কৰাৰ বাবে আমাৰ কলেজত কোনো উপযুক্ত ব্যৱস্থা নাই। বৰ্ত্তমান
যুগত শৰীৰ চৰ্চ্চাৰ ওপৰত গুৰুত্ব বহুত। সেয়ে তেনে প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি
কলেজত এটা ব্যায়ামাগাৰ প্ৰতিষ্ঠা কৰিবলৈ আমি কলেজ কৰ্তৃপক্ষক টানি অনুৰোধ জনালোঁ।
দশমতে, আমাৰ কলেজ কেন্টিনে চাহৰ লগত সাধাৰণতে চিৰা, খৰমা আদি নিম্ন
মানৰ খাদ্য যোগান ধৰে। আমি ভাবো ই ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত হোৱা নাই। ইয়াৰ
পৰিবৰ্তে কেন্টিনে আন উন্নত মানৰ খাদ্য যোগান ধৰিলে ভাল হয়। গতিকে কৰ্তৃপক্ষক অনুৰোধ
কৰো যাতে উক্ত অভাৱৰ প্ৰতি চকু দিয়ে আৰু উন্নত মানৰ খাদ্য ছাত্ৰ-ছাত্ৰীক যোগান ধৰে।
এইদৰে আমাৰ কলেজত এনে একুৰি অভাৱ আছে। কৰ্তৃপক্ষই এইবোৰ সমস্যা চালিজাৰি
চাই সমস্যাসমূহ সমাধানৰ বাবে প্ৰচেষ্টা হাতত লব বুলি আমি আশা ৰাখিলো। উক্ত সমস্যাসমূহ
বা অভাৱসমূহ পূৰণ কৰিলে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এক বৃহৎ উপকাৰ কৰা হব বুলি আমাৰ বিশ্বাস।
(১৪) ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আবেদন :—অসমখনক যেনেকৈ ক্ষুদ্ৰ ভাৰতৰ সমষ্টি বুলি কোৱা
হয়, তেনেকৈ বি. এইচ কলেজখনকো এখন ক্ষুদ্ৰ অসম বুলিব পাৰি। কিয়নো ইয়াত
জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। এই পবিত্ৰ
অনুষ্ঠানটিয়ে "অনেকৰ মাজত ঐক্য"ৰ এক জলন্ত নিদৰ্শন দাঙি ধৰিছে। আমাৰ মাজৰ
মিলা-প্ৰীতিৰ এনাজৰিডাল ছিন্ন-ভিন্ন কৰিবলৈ চেষ্টা চলাই আছিছে। সেয়ে তেনেকুৱা
ছাত্ৰ বা ব্যক্তিৰ অসৎ প্ৰচেষ্টাৰ বিৰুদ্ধে সদা সতৰ্ক হৈ থাকিবলৈ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ
কৰো, যাতে তেনেকুৱা ছাত্ৰ বা ব্যক্তিয়ে কলেজৰ, আমাৰ কোনো অপকাৰ কৰিব নোৱাৰে।
দ্বিতীয়তে, ছাত্ৰৰ মৌলিক কৰ্ত্তব্যটো হ'ল অধ্যয়ন। ঋষি-মুনিসকলেই কৈ গৈছে যে,
"ছাত্ৰানাং অধ্যয়নং তপঃ" অৰ্থাৎ ছাত্ৰৰ অধ্যয়নেই তপস্যা। ছাত্ৰ-জীৱনত ছাত্ৰ-ছাত্ৰীসকলে
অধ্যয়নৰ ওপৰতেই সৰ্বাধিক গুৰুত্ব দিয়া উচিত। কিয়নো ছাত্ৰ-জীৱন গুচি গ'লে আমি
সাংসাৰিক বা সামাজিক জীৱনত আৰম্ভ হ'ব লাগিব। তেতিয়া আমি আন আন বহু
সমস্যাৰ মাজত ব্যস্ত হৈ পৰিব লাগিব। ফলত অধ্যয়নৰ সময় নাথাকিব। তাকে নকৰি
যিসকল ছাত্ৰই সামান্য জ্ঞান অৰ্জ্জন কৰি ঢাক-ঢোল বজাই ফুৰে, ৰাজনীতি কৰি ফুৰে, তেওঁ
লোকে আচলতে ছাত্ৰ নামৰ অযোগ্য। ছাত্ৰসকল দেশৰ ধমনী স্বৰূপ। তেওঁলোকেই দেশৰ
ভৱিষ্যৎ গুটি ধৰোতা। গতিকে ছাত্ৰ-ছাত্ৰীসকলক আমি অনুৰোধ কৰো যাতে অধ্যয়নৰ
মৌলিকতা বুজি নিজৰ লগতে মহাবিদ্যালয়ৰ নাম উজ্বলৰ পৰা উজ্বলতৰ কৰে। এয়ে তেওঁ
লোকৰ ওচৰত কাতৰ বিনম্ৰ অনুৰোধ।

[৭৫ নং পৃষ্ঠাৰ পিচৰ পৰা]

এইচ. এচ ৰহমান ডাঙৰীয়াদেৱে। মই আশা কৰো ভৱিষ্যতেও আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-
ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধনৰ প্ৰতি লক্ষ্য ৰাখি এনে ধৰণৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰিব।



(১৫) কৃতজ্ঞতা স্বীকাৰ : মোৰ কাৰ্যকাল ছোৱাত আমাৰ কলেজৰ অধ্যক্ষদেৱে প্ৰতিটো
কাৰ্যতে তেখেতৰ বহুমূলীয়া উপদেশ দি মোক সহায় কৰা বাবে তেওঁক মোৰ কৃতজ্ঞতা জ্ঞাপন
কৰিছো। মোৰ ভাৰপ্ৰাপ্ত অধ্যাপক উপাধ্যক্ষ মহোদয়ে মোৰ কাৰ্যকাল আৰম্ভ হোৱাৰে পৰা
শেষলৈ মোৰ কাৰ্য্য পৰিচালনাত পৰামৰ্শ আগবঢ়াই মোক মানসিক আৰু শাৰীৰিক ভাবেও
সহায় কৰিছে ; তেখেতক মই মোৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি
মাননীয় অধ্যাপক সৰ্বশ্ৰী অৰুণ পাঠক, গুণীন চৌধুৰী, উৎপল ডেকা, ভূপেন ডেকা, দীলিপ দত্ত,
বেদান্ত শইকীয়া, ৰবীন ভট্টাচাৰ্য্য, আব্দুল কাদেৰ, ৰমেন দাস, অৰুণ দাস, খৰ্গেশ্বৰ নাথ, মুনীন্দ্ৰ
নাৰায়ণ গোস্বামী, সুশান্ত দত্ত, নৰেশ গোস্বামী, শঙ্কৰ দাসগুপ্ত, নিশিকান্ত ডেকা, অৰবিন্দ
কলিতা, হংস বল্লভ চৌধুৰী, ৰাধাচৰণ বাড়া, সুধীৰ দেৱনাথ, ৰাণী বৰুৱা আৰু কুলকুমাৰী কলিতা
এইসকল শিক্ষা গুৰুৱে মোক ছাত্ৰ-একতা সভাৰ বিভিন্ন কামত শাৰীৰিকভাৱে আৰু দিহা-পৰামৰ্শ
দি আহিছিল। তেখেতসকলে মোৰ বিভিন্ন কাৰ্যসূচীসমূহ সফল কৰাত সহায় কৰা বাবে
আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।
মোৰ কাৰ্যকাল ছোৱাত বিভিন্ন কামত বহুতো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক সহায়
কৰিছে। মুকুল, প'ল, হেম, গণপতি, টংকেশ্বৰ আৰু চৰিফুল ইচলামে মোক সকলো ক্ষেত্ৰতে
অশেষ কষ্ট স্বীকাৰ কৰিও সহায় কৰা বাবে তেখেতসকলৰ ওচৰত মই চিৰঋণী।
ইয়াৰ উপৰি সৰ্বশ্ৰী প্ৰবীন, জয়ন্ত, ভুপেশ, খনিন, মদন, হিতেশ, ৰেজাউল, বলদেৱ,
মুকুট, মকবুল, যোচেফ, আব্দুল, দিলীপ, হৰেন, নিৰেণ, চানমোহন, দ্বিজেন, গৌতম, অজেন,
শৈলেন, সন্দিপ, মনোজ, টিকেন, মুকুট, দুৰ্গেশ্বৰ, জগদীশ, চাণক্য, প্ৰফুল্ল, চন্দ্ৰশেখৰ আৰু ছাদিকুৰ।
বান্ধৱী হেলেনমনি, কহিনুৰ, দিপালী, জ্যোৎস্না, মলয়া, গীতা, অৰ্চনা, প্ৰভা, বন্দনা, হিমানী,
সংগীতা, সৰিতা, কবিতা, মঞ্জু, মামনী, পুতুমণি, বুলু, চম্পা, জহুৰা আদিয়ে মোক বিভিন্ন
কামত সহায়-সহযোগ তথা উপদেশ দি সহায় কৰা বাবে তেওঁলোকক মোৰ আন্তৰিক কৃতজ্ঞতা
যাচিছো। লগতে আমাৰ কলেজৰ প্ৰাক্তন সাধাৰণ সম্পাদক আব্দুল লতিফ, মুচাদেকুৰ ৰহমান,
ৰবেন দাস, মদন দাস, নলেশ্বৰ দাস, দীলিপ দাস আৰু টিকেন দাস আদিয়ে মোক বহু-
মূলীয়া উপদেশ দি সহায় কৰা বাবে মোৰ কৃতজ্ঞতা থাকিল।
শেষত বি. এইচ কলেজ ছাত্ৰ একতা সভাৰ সমূহ সদস্য, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু
সকলোৰে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি কলেজৰ ভৱিষ্যত উজ্বল কামনাৰে মোৰ
প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি. এইচ কলেজ ছাত্ৰ একতা সভা।
জয়তু বি. এইচ. কলেজ।
জয় আই অসম।

শ্ৰীঅশোক কুমাৰ দাস
সাধাৰণ সম্পাদক।

## সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে মোৰ ভক্তিভৰা শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছোঁ সেই সকল নমস্য ব্যক্তিক, যিসকলে মাতৃপূজাৰ মহান আদৰ্শেৰে অনুপ্ৰাণিত হৈ আমাৰ কালিৰ বাবে নিজৰ আজিক তিল তিলকৈ নিঃশেষ কৰি দিলে, যিসকলে—"দানৱীয় শক্তিক যুক্তিৰ মৰ্ম শিকাবলৈ" লুইতৰ পাৰ মহান কৰি পৃথিৱীক চমক খুৱালে ; সেইসকল শত-সহস্ৰ বীৰ শ্বহীদ আৰু লাঞ্ছিত-বঞ্চিত অস্তিত্ব ৰক্ষাৰ সংগ্ৰামী সতীৰ্থলৈ মোৰ ৰক্ত প্ৰনাম জনাইছোঁ।

১৯৮৫ চনৰ বাবে বৰপেটাৰোড্ হাউলী মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদকৰ গুৰুভাৰ লৈ কিমানখিনি কৃতকাৰ্যতাৰে মই মোৰ দায়িত্ব সম্পাদন কৰিব পাৰিছিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য। সেয়ে মোৰ অনিচ্ছাকৃত ভুলত্ৰুটিৰ বাবে আপোনাসকলৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো।

বি. এইচ্ কলেজ এখনি মিশ্ৰিত সংস্কৃতিৰ সঙ্গমস্থল। ইয়াত বিভিন্ন ভাষা-ভাষী, জাতি-ধৰ্মৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। প্ৰত্যেক জাতি-ধৰ্ম আৰু ভাষিক সম্প্ৰদায়ৰে স্বকীয়া স্বকীয়া সংস্কৃতি আছে। আজি আমাৰ জাতিত্ব, ভাষাত, সংস্কৃতিত শত্ৰু ; সেয়েহে আমি অতি সাৱধানে আমাৰ এই 'জীণ যোৱা' সংস্কৃতি ৰক্ষা কৰি চলিব লাগিব।

আজি অসম বুলিয়ে নহয়, সমগ্ৰ ভাৰতকে এক বিজাতীয় অপসংস্কৃতিৰ চোঁৱে আমাৰ পুৰণি সংস্কৃতিৰ বান্ধ ভাঙি দিয়াৰ উপক্ৰম কৰিছে। সেয়ে এনে সময়ত কলা-শিল্পীৰ কৰ্তব্য হ'ব কলাৰ মহান শক্তিৰে সমাজৰ অসুন্দৰতাক আঙুলিওৱা আৰু তাৰ দ্বাৰা জনসাধাৰণৰ মনক জগাই তোলা। অতীতক একেবাৰে বাদ দি ভৱিষ্যত হব নোৱাৰে বুলি ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈছিল। আমি কেতিয়াবা পুৰণি সুৰ এটি শুনি হাঁহো। ই স্বাভাৱিক যদিও তাক পাহৰি যোৱা উচিত নহয়। সংগীত আৰু শিল্প-কলাক একেলগে সুকুমাৰ কলা বোলে। সংগীত বুলিলে আমাৰ মনলৈ প্ৰথমেই আহে সুৰ। এই সুৰৰ লগতে মানুহৰ মনৰ সম্পৰ্ক। পাশ্চাত্য সংগীত কলাকাৰৰ মতে সুৰ এটা গতি (movement), এটাৰ পিচত এটা ধ্বনি ক্ৰমানুসাৰে শৃংখলিতভাৱে অহাটোৱাকে সুৰ বোলে। চুটিকৈ ই এটি শব্দৰ ধাৰাবাহিক প্ৰৱাহ (It is an ordered succession of sounds) তাত অৱশ্যে মধুৰতা বা মেলডি থাকিব লাগিব। সুৰ মন শৰীৰ তথা মনৰ পৰা অলপো দূৰত নহয়। সুৰৰ চোঁৱে যদি মনৰ সূক্ষ্ম তাৰ তাঁৰত স্পৰ্শ নকৰে তেন্তে সঙ্গীতজ্ঞৰ নিখুঁত কলা সৃষ্টি কৰাত যথেষ্ট বাধাই জন্মে।



যেনেদৰে দৰ্শনেন্দ্ৰিয়ক সুখ দিবলৈ ছবিৰ উৎপত্তি তেনেদৰে শ্ৰৱনেন্দ্ৰিয়ক সুখ দিবলৈ সুৰৰ উৎপত্তি। আজিকালি অৱশ্যে বহুত আধুনিক সুৰকাৰে এইখিনি কথা পাহৰি যায়।

মোৰ সম্পাদকীয় কালছোৱাত দুখনকৈ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। এখন আমাৰ "মহাবিদ্যালয় সপ্তাহ"। মই অতি দুখেৰে জনাবলগীয়া হৈছোঁ যে ছোৱালীবিলাকৰ গান-বাজনাৰ প্ৰতি বিশেষ মনোযোগ দেখা নাযায়। অসুবিধাৰ মাজেদিও দুয়োখন অনুষ্ঠান সুকলমে হৈ যায়। প্ৰতিটো বিভাগৰ গানে অতি উন্নত মানদণ্ডৰ নহলেও নিম্ন খাপৰ হোৱা নাছিল। মোৰ কাৰ্যকালত আমাৰ কলেজৰ শ্ৰেষ্ঠা গায়িকা হয় মিচ আছিকণ বেগম। তেখেতৰ উজ্বল ভৱিষ্যত আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। কলেজ সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানৰ দিনা সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ আছিল অসমৰ বোলছবি আৰু অনাতাঁৰ কেন্দ্ৰৰ অন্যতম শিল্পী সমৰ হাজৰিকা আৰু অনাতাঁৰ শিল্পী ঋতুপৰ্ন শৰ্মা, আমাৰ কলেজৰ প্ৰাক্তন ছাত্ৰ কবিন দাস আৰু বহুতো। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক সন্ধিয়া শুৱনি কৰিছিল অনাতাঁৰ শিল্পী নমিতা দাস আৰু বোলছবি জগতৰ নেপথ্য গায়ক জ্যোতিৰ্ময় দেৱ নাথে। দুয়োখন অনুষ্ঠানতে বিশেষ অসুবিধা ভোগ কৰিবলগীয়া হৈছিল বাদ্য-যন্ত্ৰ আৰু ষ্টেজৰ বাবে। আমাৰ কলেজত এটা স্থায়ী প্ৰেক্ষাগৃহৰ অত্যন্ত আৱশ্যক। নহলে বছৰি বছৰি টকা খৰচ কৰি বাঁহ, কাপোৰ ভাড়া কৰি আনিব লাগিব। সেয়ে এই বিষয়ত অধ্যক্ষ মহোদয়ৰ দৃষ্টিগোচৰ কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত বিভিন্ন সদুপদেশ দিয়া বাবে আমাৰ পুজনীয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱক প্ৰথমেই সুঁৱৰিছোঁ। তাৰ পাচতে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীভুপেন ডেকা, বাইদেউ শ্ৰীমতী ফুলকুমাৰী কলিতা, নমস্য শিক্ষাগুৰু শ্ৰীযুত ৰামঅৱতাৰ মাহেশ্বৰী শ্ৰীসুশান্ত দত্ত, শ্ৰীনৰেশ গোস্বামী আৰু শ্ৰীযুত উৎপলানন্দ ডেকাক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। বিভিন্ন ধৰণে সহায় কৰা শ্ৰদ্ধাৰ গৌতমদা, ৰাজেনদা, মুকুলদা, জোচেফদা, হিতেশ, সুৰেশ আৰু নৃপেনক মই পাহৰিব নোৱাৰো। বাইদেউ আচিকণৰ অকৃপন সহায় সদায়েই মোৰ মনত থাকিব। শেষত মোৰ ভুল-ত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা ভিক্ষা মাগি মোৰ প্ৰতিবেদন সামৰিছোঁ। জয়তু বি. এইচ কলেজ।

শ্ৰীজয়ন্তকুমাৰ নাথ,
সম্পাদক, সাংস্কৃতিক বিভাগ।

## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জীৱন আহুতি দিয়া বীৰ শ্বহীদলৈ মোৰ আন্ত-
ৰিক শ্ৰদ্ধাঞ্জলি যাচি মোৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।
১৯৮৪-৮৫ চনৰ বি. এইচ মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত
কৰি এই প্ৰতিবেদনৰ পিতানত দুআষাৰ লিখিবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ
সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোক গুৰু খেল বিভাগৰ যি গুৰুদায়িত্ব অৰ্পণ
কৰিছিল তাক সুচাৰুৰূপে চলাই নিয়াত কিমান সাফলতা লাভ কৰিছোঁ তাৰ বিচাৰৰ ভাৰ
আপোনালোকৰ ওপৰত এৰিলোঁ।

মোৰ এই প্ৰতিবেদনৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ গুৰুখেল বিভাগত পোৱা
অসুবিধাসমূহৰ বিষয়ে কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ যে ফুটবল আৰু
ক্ৰিকেটৰ সা-সজুলি প্ৰয়োজন মতে নাই। সেই কাৰণে খেলুৱৈসকলৰ উৎসাহ কম দেখা
যায়। তেওঁলোকক কেৱল প্ৰতিযোগিতামূলক খেলতহে অংশ গ্ৰহণ কৰা দেখা যায়। এই
প্ৰতিবেদনৰ জৰিয়তে কলেজ কৰ্তৃপক্ষক টানি অনুৰোধ জনাও যাতে আৱশ্যকীয় খেল সামগ্ৰী-
ৰোৰ যোগান ধৰি খেলুৱৈসকলক প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দি সু-খেলুৱৈ
ৰূপে গঢ়ি উঠাত অনুপ্ৰাণিত কৰে।

মোৰ কাৰ্য্য কালছোৱাত সৎ উপদেশ আৰু সহযোগ আগবঢ়োৱা বাবে ভাৰপ্ৰাপ্ত
অধ্যাপক শ্ৰীযুত উৎপলানন্দ ডেকাক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।
মোৰ বিভিন্ন কামত সহায় কৰা সৰ্ব্বশ্ৰী অশ্বিনী, মুকুল, ধ্ৰুজেন, মনোৰঞ্জন, ফণীধৰ,
ভূপতি, অশোক, টংকেশ্বৰ, সঞ্জয়, পবিত্ৰ, লক্ষণ আৰু বলোদেৱক মোৰ আন্তৰিক ধন্যবাদ
জ্ঞাপন কৰিছোঁ। লগতে বি. এইচ্ মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ শ্ৰীযুত সত্যনাথ
দাসদেৱলৈ মোৰ ভক্তিভৰা সেৱা আগবঢ়ালোঁ। অৱশেষত অজানিতে কৰা দোষ-ত্ৰুটিৰ
কাৰণে ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

শ্ৰীচানমোহন বৈশ্য
সম্পাদক, গুৰু খেল বিভাগ।

## ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ শুভ আৰম্ভনীতে আমাৰ কলেজৰ পূজনীয় অধ্যক্ষদেৱৰ লগতে সমূহ ছাত্ৰ-
ছাত্ৰী বন্ধু-বান্ধৱী ও অধ্যাপক, অধ্যাপিকা সকলে মোক এথেলেটিকচ্ সম্পাদকৰূপে মনোনীত
কৰি কলেজৰ সেৱা কৰিবলৈ সুযোগ দিয়া বাবে কৃতজ্ঞতা জনাইছো।

সম্পাদক হিচাপে মই মোৰ কাৰ্যাকালৰ ভিতৰত কিমান দুৰ সফলতা অৰ্জন কৰিছো,
সেয়া আপোনালোকৰ বিচাৰাধীন। মোৰ কাৰ্যাবোৰত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে খেলৰ শৃংখলা
বজাই ৰাখি মিলাপ্ৰীতিৰে খেলত অংশ গ্ৰহণ কৰিছিল। কোনো অসুবিধা নোপোৱাকৈ
কলেজ সপ্তাহৰ খেল-ধেমালিৰ পৰ্ব শেষ কৰিব পাৰিছিলো। অইন কলেজবিলাকৰ তুলনাত
আমাৰ কলেজত মহিলা প্ৰতিযোগীৰ তাকৰীয়া অংশ গ্ৰহণ। এইটো নিশ্চয় লাজৰ কথা।
সেই বুলি কলেজত যে প্ৰতিভাবান মহিলা খেলুৱৈ নাই তেনে নহয়। সেয়ে খেলুৱৈ
সকলক উপযুক্ত সুবিধা আগবঢ়োৱাটো কৰ্তৃপক্ষৰ মহান কৰ্তব্য বুলি আমি ভাবো।
মোৰ এই গুৰু দায়িত্ব বহনত বহু ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ অধ্যাপক/অধ্যাপিকা
সকলৰ অবৰ্জনীয় অহিৰনা আছে। মোৰ কাৰ্যাকালৰ প্ৰতিটো মুহূৰ্তত ছাঁৰ দৰে লাগি
থাকি সহায় কৰা বন্ধু-বান্ধৱী সকলক মোৰ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা যাচিছো। যি
সকলক এই সৰু প্ৰতিবেদনৰ জৰিয়তে দাঙি ধৰা অসম্ভৱ। সেয়ে মই সেইবোৰ বন্ধু-বান্ধৱীক
দাঙি ধৰিছো যিবোৰে সততে সহায় কৰিছিল তেখেতসকল ক্ৰমে প্ৰবীন, আব্দুল,
ছায়েদুৰ, ৰফিকুল, দুৰ্গেশ্বৰ, ছবিবুল, ধ্ৰুজেন, ইচলাম উদ্দিন, সজল, মনোজ, স্বপন,
জুলাচ, ধনীন (দীপ), ফনি, পুৰজিত, গণপতি, বিচাৰ্ড, আজমান, এলিচ,
বিশ্বজিৎ, টিকেন আৰু ছানোৱাৰ। এওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।
সহায় সহযোগীতাত থকা বান্ধৱীসকল ক্ৰমে ৰমনী, হেলেন, মনি, জোনাকী, নিলিমা,
দিপালী, গীতা, গীতাঞ্জলী, কহিনুৰ, অমিয়া, বেগম, মফিদা, মাধবীলতা, ৰুমেনা, ফিৰদৌচী,
আৰু মিচ্ জহুৰা। এওঁলোকৰ সহায় সহযোগ মোৰ বাবে চিৰস্মৰণীয় হৈ ৰব।
বিভিন্ন দিহা পৰামৰ্শৰে মোক সহায় কৰা বন্ধুৱৰ অশোক আৰু চানমোহনলৈ
মৰম ও ধন্যবাদ যাচিছোঁ।
কাৰ্যাকালৰ প্ৰতিটো খোজতে সু-পৰামৰ্শৰে, শাৰীৰিক ভাবে সহায় কৰি মোৰ দায়িত্ব
সুকলমে সমাধা কৰাত অবিহনা আগবঢ়োৱা পূজনীয় অধ্যাপক শ্ৰীকে, কে, মহন্তদেৱ, (ভাৰপ্ৰাপ্ত
অধ্যাপক) শ্ৰীউৎপলানন্দ ডেকাদেৱ আৰু শ্ৰীঅৰুন পাঠক ছাৰক শ্ৰদ্ধাৰে স্মৰিছো।
Field Events শৃংখলাবদ্ধ ভাবে পৰিচালনা কৰি সহায় কৰা বাবে আমাৰ কলেজৰ
পূজনীয় উপাধ্যক্ষ সৰ্ব্বশ্ৰী গিৰিন্দ্ৰ নাথ দাস, মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, অৰুন দাস, খৰ্গেশ্বৰ
নাথ, দিলীপ দত্ত, আৰ, এ, মাহেশ্বৰী, এইচ, বি, চৌধাৰী, নিৰ্মল জৈন, সুশান্ত দত্ত,
মহেশ গোস্বামী, শঙ্কৰ দাসগুপ্ত, আবুল হুছেইন, বেদান্ত শইকীয়া, আব্দুল হামিদ, নিশিকান্ত
ডেকা, মোজাম্মিল হুছেইন, শম্ভুচৰণ সিং ছাৰক শ্ৰদ্ধাৰে স্মৰিছো।
মই আশা ৰাখিছো আমাৰ কলেজত খেলৰ মানদণ্ড বৰ্তমানতকৈ ভৱিষ্যতে আৰু উন্নত
হব। শেষত মোৰ শ্ৰদ্ধাৰ এই বি. এইচ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ
ভুল-ত্ৰুটিৰ ক্ষমা মাগি সামৰিছো। "জয়তু বি. এইচ্ কলেজ"

ৰেজাউল কৰিম আহমেদ।
সম্পাদক, ক্ৰীড়া বিভাগ।

## ব্যায়াম বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনেই হ'ল বি. এইচ কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীসকলৰ সহায়
সহানুভূতিৰ স্বাক্ষৰ। এই চেগতে তেওঁলোকৰ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।
বৰ্ত্তমান বিজ্ঞানৰ যুগত মানুহৰ সুমন, সুস্বাস্থ্য গঢ়াত ব্যায়ামে যথেষ্ট সহায় কৰে। ছয়
ৰিপু দমন কৰিবলৈ আগৰ ঋষি মুনিসকলে ব্যায়ামৰ আশ্ৰয় লৈছিল। তাৰোপৰি শৰীৰৰ বহুতো
দুৰাৰোগ্য ৰোগ ব্যায়ামৰ দ্বাৰাই নিৰাময় কৰিব পাৰি। ব্যায়ামৰ ওপৰত গৱেষণা কৰিবলৈ
তথা আজিৰ বৈজ্ঞানিক যুগত ব্যায়ামৰ উপযোগীতাৰ ওপৰত লক্ষ্য কৰিয়েই গঢ়ি উঠিছে আজিৰ
বিখ্যাত "MAHARISHI UNIVERSITY OF NATURAL LAW." ENGLAND.
মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহত দেহশ্ৰী, আসন, শক্তি উত্তোলন, ভাৰ উত্তোলন
আৰু পাঞ্জা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। উক্ত প্ৰতিযোগিতাত যোগ্যতা অৰ্জন কৰা
আৰু প্ৰতিযোগীতাত যোগদান কৰা বন্ধুসকলক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।
তেওঁলোকক মই কৃতজ্ঞতাৰে সুঁৱৰিছো যিসকল লোকে মোক তেওঁলোকৰ সহায় সহানু-
ভূতিৰে আৰু গঠনমূলক দিহা পৰামৰ্শৰে কাম কাজ চলোৱাত সহায় কৰিছিল। এওঁলোক হ'ল
মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত উৎপলানন্দ ডেকা, ব্যায়াম বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত
নিশিকান্ত ডেকা আৰু বন্ধুবৰ শ্ৰীকাৰ্ত্তিক শৰ্মা। তাৰোপৰি মোৰ কাম-কাজত সহায় সহযোগ
আগবঢ়াই কামৰ ভাৰ লাঘৱ কৰা বন্ধুবোৰ হ'ল অশোক দাস, পাৱন বৈৰাগী টংকেশ্বৰ,
ৰফিকুল, মদন, চৰিফুল, ধনীন (নীপ), ৰেজাউল, বান্ধৱী কহিনুৰ, হেলেনমণি, গীতা।
আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰে ব্যায়াম, যোগাসন প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা
যথেষ্ট বৃদ্ধি হৈ আহিছে যদিও সেই অনুপাতে সা-সঁজুলী আৰু দিহা পৰামৰ্শৰ অভাব
দেখা যায়। সেয়ে ছাত্ৰ-ছাত্ৰীৰ শৰীৰ গঠন আৰু মানসিক উৎকৰ্ষ সাধন কৰিবলৈ হলে মহা-
বিদ্যালয় কৰ্তৃপক্ষই এই দিশটোৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া আৱশ্যক। আটাইতকৈ গুৰুত্ব -
পূৰ্ণ ব্যায়াম বিভাগৰ অভাবটো হ'ল এটা আহল-বহল ব্যায়াম কোঠাৰ (Gmnasium Hall)।
প্ৰতিবেদনৰ জৰিয়তে ইয়াৰ ব্যৱস্থা কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালো।
প্ৰতিবেদনৰ শেষত আমাৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

"জয়তু বি. এইচ কলেজ"

শ্ৰীগণপতি দাস
সম্পাদক, ব্যায়াম বিভাগ।

## ॥ সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

জয় জয়তে বি. এইচ কলেজৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। মই মোৰ কাৰ্যকালছোৱাত কিমানদূৰ সফলতা লাভ কৰিছো তাৰ মূল্যায়নৰ ভাৰ আপোনালোকলৈ এৰিছো।

"সমাজ সেৱাৰ মনোভাৱ" সু-নাগৰিকৰ এটা অপৰিহাৰ্য্য গুণ। প্ৰতিজন মানুহৰে সমাজ সেৱাৰ প্ৰতি ধাউতি থকা উচিত। ছাত্ৰ-ছাত্ৰীসকলক উক্ত অপৰিহাৰ্য্য বিষয়টো শিক্ষানুষ্ঠানত কাৰ্য্যকৰী কৰাত সুন্দৰ আৰু জাতিগঠন প্ৰক্ৰিয়াত সহায়ক হৈছে।

আমাৰ কাৰ্য্যনিৰ্ব্বাহকে কাৰ্য্যভাৰ লোৱাৰ কেইদিনমান পিছত "কলেজ সপ্তাহ" আৰম্ভ হয়। কলেজ সপ্তাহ উপলক্ষে সমাজ সেৱা বিভাগৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত "কৰ্ম প্ৰতিযোগিতা" অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাৰ কাৰ্য্যকালছোৱাত মোক সুকলো-ফালৰ পৰা উৎসাহ যোগোৱাৰ বাবে আমাৰ কলেজৰ মাননীয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস, উপাধ্যক্ষ শ্ৰীযুত গিৰিন্দ্ৰ দাস, সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰাধাচৰণ বাড্ডা, অধ্যাপক শ্ৰীযুত উৎপলানন্দ ডেকা, নবীন ভট্টচাৰ্য্য, নিশিকান্ত ডেকা, অধ্যাপিকা হিৰণ শৰ্মা, অধ্যাপক নবীন কলিতাক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে বিভিন্ন দিশত সহায় সহযোগ কৰা বন্ধু সৰ্বশ্ৰী চানক্য, প্ৰবীন, চন্দ্ৰশেখৰ, শৈলেন্দ্ৰ, ৰমেন, মিত্যা, নৰেন, প্ৰফুল্ল, বান্ধৱী ৰমনী, কোহিনুৰ, নিৰুপা, হেলেনমণি, গীতিমণি, জোৎস্না, অশোক (সাঃ সম্পাদক)ৰ লগতে সমূহ সদস্যকে মই আন্তৰিক কৃতজ্ঞতা যাচিছো। সদৌ শেষত বি. এইচ. কলেজৰ উত্তোৰত্তৰ কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু বি. এইচ কলেজ"
"জয়তু বি. এইচ কলেজ ছাত্ৰ একতা সভা"

বিনীত
শ্ৰীদ্বিলিপ কুমাৰ ব্ৰহ্ম
সম্পাদক, সমাজ সেৱা বিভাগ।

## ছাত্র জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ আৰম্ভতে বৰপেটা ৰোড্ হাউলী মহাবিদ্যালয়ৰ অধ্যক্ষ সমন্বিতে সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰতিশ্ৰুতিপূৰ্ণ এটি বছৰ কাৰ্যকৰী কৰাৰ আশাৰে যদিও ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ, তাত কিমান সফলতা লাভ কৰিছো সেয়া আপোনালোকৰ বিচাৰৰ বিষয়।

এই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত ৭-১-৮৫ ইং তাৰিখলৈ "মহাবিদ্যালয় সপ্তাহ" উদযাপিত হয়। ছাত্ৰ জিৰণি কোঠাৰ অন্তৰ্গত টেবুল টেনিচ, কেৰম, ব্ৰিজ, দাবা প্ৰতিযোগিতা সুশৃংখলভাৱে হৈ যায়। অইন বছৰ তুলনাত এইবাৰ প্ৰতিযোগীৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়। উৎসাহী প্ৰতিযোগীসকলে খেলত অংশ গ্ৰহণ কৰি নিজ নিজ দক্ষতাৰ পৰিচয় দিয়ে।

আমাৰ অভাৱ অভিযোগ : ছাত্ৰ জিৰণী কোঠাৰ কিছু অভাৱ অভিযোগৰ কথা এই সুযোগতে মই দাঙি ধৰিছো। সিবিলাক কৰ্তৃপক্ষই যেন কাৰ্যকৰী কৰাৰ বাবে চেষ্টা কৰে। ছাত্ৰ জিৰণি কোঠাত পানী যোগানৰ ব্যৱস্থা নাই, অত্যাৱশ্যকীয় আলোচনী, বাতৰি কাকত আদিৰ অভাৱ, বহাৰ অসুবিধা। বৰ্তমান বিৰম টেবুল টেনিচ খেলাৰ বাবে টেনিচ বোৰ্ড আছে সেয়া উন্নত মানৰ নহয়। গতিকে এইবোৰ অভাৱ-অভিযোগ সোনকালে দূৰ কৰিবলৈ কৰ্তৃপক্ষক টানি অনুৰোধ কৰিলো।

ছাত্ৰৰ বাবে ছাত্ৰ জিৰণি কোঠাটো এক অত্যাৱশ্যকীয় সম্পদ। যাৰ সং ব্যৱহাৰ কৰা ইয়াত বিভিন্ন ধৰণৰ শিক্ষা-সম্বন্ধীয় চিন্তা-চৰ্চা আৰু অধ্যয়ন কৰাৰ উপযুক্ত ঠাই। সেয়েহে সময়ৰ তুলাচেনিত মই ছাত্ৰ বন্ধুসকলক ইয়াৰ সং ব্যৱহাৰ কৰিবলৈ অনুৰোধ কৰিলো।

মোৰ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিশত সু-পৰামৰ্শেৰে সহায় কৰা বাবে অধ্যক্ষ সত্যনাথ দাস, উপাধ্যক্ষ গিৰীন্দ্ৰ নাথ দাস আৰু অধ্যাপক বেদান্ত শইকীয়াদেৱৰ ওচৰত মই চিৰঋণী। মোক বিভিন্ন ক্ষেত্ৰত সহায় কৰাৰ বাবে অধ্যাপক উৎপল ডেকা, নবীন ভট্টাচাৰ্য, নৰেশ গোস্বামী, সুশান্ত দত্ত আৰু কৃষ্ণকিংকৰ মহন্তলৈ ধন্যবাদ আগবঢ়াইছো। লগতে সাধাৰণ সম্পাদক অশোক দাস, গদাধৰ, গণপতি, উৎকেশ্বৰ, বলোদেৱ, মকবুল, প্ৰবীণ, ভূপেন, ৰেজাউল, চৰিফুল, সন্দীপ, অনিল বেংগানী, জগত, শিবাজী, জয়ন্ত, প্ৰশান্ত, আব্দুল জেলিল, তপন, অৰুণ আৰু বান্ধৱী কহিনুৰ, দিপালী, গীতা, জোৎস্না, প্ৰভা, বিনীতা, বুলু, পুটু, হেলেন আৰু প্ৰাক্তন ছাত্ৰ নলেশ্বৰ, কাৰ্ত্তিক, মুকুল অজিত, যোছেফ, ৰবেনদা হেম আৰু মদনক বিশেষভাৱে সুঁৱৰিছো।

সদৌ শেষত মোৰ কাৰ্যকাল ছোৱাত অজানিতে কৰা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি বৰপেটা ৰোড্ হাউলী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো। ধন্যবাদ।

শ্ৰী পি, পল বৈৰাগী
সম্পাদক, ছাত্ৰ জিৰণি কোঠা।



## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন :

বৰপেটাৰোড্ হাউলী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে প্ৰতিবেদনৰ আৰম্ভণিতে চিৰস্মৰণীয় ঐতিহ্যপূৰ্ণ ঐক্য সংহতিৰ প্ৰতীক পবিত্ৰ বি, এইচ কলেজৰ প্ৰতি মোৰ আন্তৰিক ভালপোৱা তথা শ্ৰদ্ধা যাচিছো। ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাবে মনোনীত কৰাৰ বাবে মাননীয় শিক্ষাগুৰু সকল, মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকললৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

প্ৰতি বছৰে অনুষ্ঠিত হোৱাৰ দৰে এই বছৰো "কলেজ সপ্তাহ"ত নানা প্ৰতিযোগিতা মূলক খেলৰ আয়োজন কৰা হৈছিল। কিন্তু দুখৰ বিষয় প্ৰতিযোগী ছাত্ৰীৰ সংখ্যা প্ৰতি বছৰে কম দেখা যায়। প্ৰতিযোগীৰ তুলনাত আমাৰ খেলৰ সজুলি বহুত বেছি বুলি কলেও অত্যুক্তি কৰা নহয়। মই অতিশয় আনন্দিত যে অধ্যাপিকা শ্ৰীমতী হিৰণ শৰ্মাৰ উৎসাহ, অনুপ্ৰেৰণা আৰু উপদেশৰ জৰিয়তে যি প্ৰদৰ্শনী হৈ যায় তাত সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সুযোগ পাইছে আৰু উপকৃত হৈছে।

কিন্তু দুখৰ কথা, ইমান ডাঙৰ কলেজ এখনত ছাত্ৰী জিৰণী কোঠাটো দিছেই সৰু। ফলত থিয়হোৱা সুবিধা খিনিও কেতিয়াবা হেৰুৱাব লগা হয়। সেয়ে কলেজ কৰ্তৃপক্ষলৈ অনুৰোধ যাতে উক্ত কোঠাটো আৰু ডাঙৰ কৰি বিজুলী পাংখা আৰু বিশুদ্ধ পানীৰ যোগান ধৰি ছাত্ৰী জিৰণী কোঠাটো উন্নতৰ কৰি তুলিব। আজৰি সময়খিনি সং ব্যৱহাৰ কৰিব পৰাকৈ নতুন খেলৰ সামগ্ৰী, আলোচনী, বাতৰি কাকত ইত্যাদিৰ যোগান ধৰিব বুলি আশা কৰিলো।

কৃতজ্ঞতা স্বীকাৰ:—সকলো ক্ষেত্ৰতে উৎসাহ আৰু উপদেশেৰে সহায়কৰা বাবে অধ্যক্ষ দেৱ, ভাৰপ্ৰাপ্ত অধ্যাপিকা হিৰণ শৰ্মা, ফুলকুমাৰী কলিতা, অধ্যাপক সুশান্ত দত্ত, ৰাম অৱতাৰ মাহেশ্বৰী, নিশিকান্ত ডেকা, শঙ্কৰ দাসগুপ্ত, অৰুণ দাস, মুনীন্দ্ৰ নাৰায়ণ গোস্বামী আৰু দিলীপ দত্তক মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদ্ধা নিবেদন কৰিলোঁ।

মোক সকলো ক্ষেত্ৰে সহায় কৰা ছাত্ৰী-বান্ধৱী হেলেনমণি, দিপালী, জোনাকী, ৰুনুমী, ৰমণী, বীণা, জোৎস্না, কমেলা, মলয়া, মফিদা, গীতাঞ্জলী, নিৰুপা, মিনু, উষা, নমিতা আৰু ছাত্ৰ বন্ধু, চানমোহন, মদন, হিতেশ, ধনীন্দ্ৰ, পুতুল, ছবিফুল, জগদা, গণপতি, যোচেফ, তপন, এইসকলোকো মোৰ আন্তৰিক ধন্যবাদ জনালো। লগতে কলেজৰ কৰ্মচাৰী ডালিম, গনি আৰু মহেন্দ্ৰ বাহাদুৰক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত মোৰ কাৰ্য্য ছোৱাত অজানিতে হোৱা দোষ ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি বি, এইচ কলেজৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে

মিছ্ কোহিনুৰ বেগম
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।

# সাংস্কৃতিক বিভাগৰ ফলাফল

### বিষ্ণু সংগীত—

১ম ছেৰ্ আছিকণ বেগম (স্নাঃ ২য় বাঃ বাণিজ্য)
" শ্ৰীচন্দন মিশ্ৰ (" " ")
২য় " শৈলেন তালুকদাৰ (" " ")
৩য় " জগদীশ দাস (" " ")
" " বিজয়া দাস (একাদশ বাঃ কলা)

### বৰগীত—

১ম ছেৰ্ আছিকণ বেগম (স্নাঃ ২য় বাণিজ্য)
" শ্ৰীনীৰেণ কুমাৰ দাস (একাদশ " )
২য় শ্ৰীশৈলেন তালুকদাৰ (স্নাঃ ২য় বাণিজ্য)
৩য় " বিজয়া দাস (একাদশ বাঃ কলা)

### জ্যোতি সংগীত—

১ম শ্ৰীচন্দন মিশ্ৰ (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় " আভা দাস (" " কলা )
৩য় ছেৰ্ আছিকণ বেগম (" " বাণিজ্য )

### বিহুগীত—

১ম ছেৰ্ আছিকণ বেগম (" " ")
২য় শ্ৰীআভা দাস (" " কলা )
" " কুন্তলতা নাথ (একাদশ বাঃ কলা )
৩য় " ধনজিৎ দাস (স্নাঃ ২য় বাঃ বাণিজ্য )

### লোকগীত—

১ম ছেৰ্ আছিকণ বেগম (" " ")
২য় শ্ৰীমিঠু ৰয় (পি, ইউ ২য় বাঃ কলা)
৩য় " অনন্ত গোস্বামী (একাদশ বাঃ বাণিজ্য)

### জয়ন্ত আৰু ভূপেন সঙ্গীত—

১ম শ্ৰীচন্দন মিশ্ৰ (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় " চন্দা বিশ্বাস (পি, ইউ, ২য় বাঃ কলা)
৩য় " আভা দাস (স্নাঃ ২য় বাঃ কলা)
৩য় ছেৰ্ আছিকণ বেগম (স্নাঃ ২য় বাঃ বাণিজ্য)

### ঝিকিৰ গীত—

১ম ছেৰ্ আছিকণ বেগম (স্নাঃ ২য় বাঃ বাণিজ্য)
" শ্ৰীশৈলেন তালুকদাৰ (" " ")
২য় " আভা দাস (স্নাঃ ২য় বাঃ কলা)
৩য় " জগদীশ দাস (" " বাণিজ্য )

### ৰবীন্দ্ৰ সঙ্গীত—

১ম শ্ৰীমিঠু ৰয় (পি, ইউ, ২য় বাঃ কলা)
২য় " চন্দা বিশ্বাস (" " " কলা )
৩য় " চন্দন মিশ্ৰ (স্নাঃ ২য় বাঃ বাণিজ্য)

### বিয়া নাম—

১ম " খুকুচা দাস (দলসতে)(পি,ইউ, ২য় বাঃ কলা)
" " মিঠু ৰয় (" " " ")
২য় ছেৰ্ আছিকণ বেগম (স্নাঃ ২য় বাঃ বাণিজ্য)
৩য় শ্ৰীকুন্তলতা নাথ (একাদশ বাঃ কলা)

### জনজাতিয় সংগীত—

১ম শ্ৰীবলোদেব ৰাভা (টি, ডি, চি, ১ম কলা)
" " প্ৰাণেশ্বৰ বড়ো (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় ,, প্ৰৱীণা কলিতা (পি, ইউ, ২য় বাঃ কলা)
৩য় ,, জগদীশ দাস (স্নাঃ ২য় বাঃ বাণি)



### ভজন—

১ম শ্ৰীমিঠু ৰয় (পি, ইউ, ২য় বাঃ কলা)
২য় ,, চন্দা বিশ্বাস ( ,, ,, ,, ,, )
৩য় ,, শৈলেন তালুকদাৰ (স্নাঃ ২য় বাঃ বাণিজ্য)

### গজল—

১ম ,, চন্দা বিশ্বাস (পি, ইউ, ২য় বাঃ কলা)
২য় ,, মিঠু ৰয় ( ,, ,, ,, )
৩য় ,, চন্দন মিশ্ৰ (স্নাঃ ২য় বাঃ বাণিজ্য)

### আধুনিক গীত—

১ম ,, চন্দা বিশ্বাস (পি, ইউ, ২য় বাঃ কলা)
২য় ,, মিঠু ৰয় ( ,, ,, ,, ,, )
৩য় ,, প্ৰৱীণা কলিতা ( ,, ,, ,, ,, )

### লঘুসংগীত সুৰ—

১ম ,, গৌতম দাস (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় ,, টিকেন্দ্ৰজিৎ দাস ( ,, ,, কলা)
৩য় ,, ধনজিৎ দাস ( ,, ,, বাণিজ্য)

### ভেশচন প্ৰতিযোগিতা—

১ম দেৱান তাবিবুৰ ৰহমান (স্নাঃ ২য় কলা)
২য় কোহিনুৰ বেগম (টি, ডি, চি, ১ম বাঃ কলা)
৩য় ফাৰিদা বেগম (একাদশ বাঃ কলা)

### শ্ৰেষ্ঠ দৰা—

শ্ৰীতুহমণি দাস (পি, ইউ, ২য় বাঃ কলা)

### " কইনা—

,, নগেন পাটগিৰী ।

### অসমীয়া আবৃত্তি :

১ম শ্ৰীশান্তনু কুমাৰ দাস ( একাদশ বাঃ বাণিজ্য)
২য় " দিপালী কলিতা (টি.ডি.চি ১ম বাঃ কলা)
৩য় " মদন দাস (পি. ইউ. ২য় বাঃ কলা)

### বঙালী আবৃত্তি :

১ম " পুতুল চৌধুৰী (একাদশ বাঃ কলা)
২য় " অজয় ধৰ ভৌমিক (স্নাতক ২য় বাঃ বাণিজ্য)
৩য় " চন্দা বিশ্বাস (পি. ইউ. ২য় বাঃ বাণিজ্য)

### হিন্দী আবৃত্তি :

১ম " সৰিতা মহেশ্বৰী (একাদশ বাণিজ্য)
২য় " মনোজকুমাৰ আগৰৱালা (টি.ডি.চি.১ম বাঃ)
৩য় " মহেশ কেদীয়া (" " " " বাণিঃ)

### ইংৰাজী আবৃত্তি :

২য় " চন্দা বিশ্বাস (পি. ইউ. ২য়বাঃ কলা)
৩য় " দিপালী কলিতা (টি.ডি.চি. ১ম বাঃ কলা)

### শ্ৰেষ্ঠ নাট : 'সূৰ্য্য সপোন' ।

শ্ৰীশান্তনু দাস(পৰিচালক) (একাদশ বাঃ বাণিজ্য)
শ্ৰীশ্যামল দাস (পি. ইউ, ২য় বাঃ বাণিজ্য)
" ধ্ৰুজেন দাস (স্নাতক ২য়বাঃ বাণিজ্য)
" ত্ৰৈলোকা দাস (" " " )

### শ্ৰেষ্ঠ অভিনেতা :

" ত্ৰৈলোকা দাস (" " " )

### শ্ৰেষ্ঠ পৰিচালক :

" হিৰণ্য নাৰায়ণ অধিকাৰী (" " " )

### একক অভিনয় :

১ম ,, মণ্ট্ দাস (একাদশ বাঃ কলা)
২য় " শান্তনু দাস ( " " বাণি :)
৩য় " শ্যামল দাস (পি. ইউ. ২য় বাঃ বাণিজ্য)

### শ্ৰেষ্ঠা গায়িকা : (১৯৮৫)

ছেৰ্ আছিকণ বেগম (স্নাতক ২য় বাঃ বাণিজ্য)

### শ্ৰেষ্ঠ কৰ্মী :

শ্ৰীমুকুল ডেকা (স্নাতক ২য় বাঃ বাণিজ্য)
" হিৰণ্যনাৰায়ণ অধিকাৰী (" " " " )
" ধ্ৰুজেন দাস (" " " " )
" নৱজ্যোতি চৌধুৰী (" " " " )

## ক্ৰীড়া বিভাগৰ ফলাফল (ল'ৰা)।

### ১০০ মিঃ দৌৰ

১ম শ্ৰীচানমোহন বৈশ্য (টি.ডি.চি ১ম বাঃ কলা)
২য় ,,পুৰঞ্জিৎ তালুকদাৰ (পি, ইউ ২য় বাঃ বাণিঃ)
৩য় ,,মকুন্দ তাল্‌কদাৰ (স্নাঃ ২য় বাঃ বাণিঃ)

### ৪০০ মিঃ দৌৰ

১ম শ্ৰীনিবাৰণ পাঠক (একাদশ ১ম বাঃ কলা)
২য় ,,ভগবান তাল্‌কদাৰ ( ,, ১ম বাঃবাণিঃ)
৩য় ,,দীনেশ পাঠক (পি, ইউ, ২য় বাঃ বাণিঃ)
৪ৰ্থ ,,গুৰু দাস (একাদশ ১ম বাঃ কলা)

### ৮০০ মিঃ দৌৰ

১ম শ্ৰীদীনেশ পাঠক (পি, ইউ, ২য় বাঃ বাণিঃ)
২য় ,,গজেন বৰ্ম্মন (একাদশ ১ম বাঃ কলা)
৩য় ,,ভগবান তাল্‌কদাৰ ( ,, ১ম বাঃ বাণিঃ
৪ৰ্থ ,,নিবাৰণ পাঠক ( ,, ১ম বাঃ কলাঃ)
৫ম ,,গঙ্গা বেজবৰুৱা (পি, ইউ, ২য় বাঃ বাণিঃ

### হাৰ্ডেল ৰেচ

১ম শ্ৰীখনীন্দ্ৰ দাস (পি, ইউ ২য় বাঃ কলা)
২য় মঃ আজাকল ইচলাম (টি.ডি.চি. ১ম বাঃ কঃ)
২য় শ্ৰীমুনিন্দ্ৰ দাস (একাদশ ১ম বাঃ বাণিঃ)
৩য় ,,ফনিধৰ বসুমতাৰী (স্না. ২য় বাঃ বাণিজ্য)

### ধীৰ গতিৰ চাইকেল প্ৰতিযোগিতা—

১ম শ্ৰীপ্ৰভুজন দাস (স্না ২য় বাঃ কলা)
২য় ৩য়, নাই।

### শ্বট্ পুট্ (Shot put)

১ম শ্ৰীপুৰঞ্জিৎ তালুকদাৰ (পি ইউ ২য় বাঃ বাণি)
২য় ,,গণপতি দাস (টি,ডি,চি ১ম বাঃ বাণিজ্য)
৩য় মকুন্দ তালুকদাৰ (স্নাঃ ২য় বাঃ বাণিজ্য)
" "নগেন কলিতা ( " )

### বাঁহ দলিওৱা

১ম "পুৰঞ্জিৎ তালুকদাৰ (পি, ইউ, ২য় বাঃ বাণি)
২য় মহম বসুমতাৰী (স্নাঃ ২য় বাঃ কলা)
৩য় আজাকল ইচলাম (টি,ডি,চি, ১ম বা কলা)

### জৰি টনা

কফিযুল ইচলাম (পি, ইউ ২য় বা বাণি)
চায়েদুৰ ৰহমান (টি,ডি,চি ১ম বাঃ কলা)
শ্ৰীশ্যামল দাস (পি, ইউ, ২য় বাঃ বাণিজ্য)
,,ধীৰেন্দ্ৰ নাথ দাস ( " )
কজলুৰ ৰহমান ( " )
চাদিকুৰ ৰহমান ( " বাণিজ্য)
অৰুণ ৰাজবংশী (একাদশ বাঃ বাণিজ্য)

### হ্যামাৰ থ্ৰো (Hammer throw)

১ম শ্ৰীফনিধৰ বসুমতাৰী (স্না ২য় বাঃ কলা)
২য় "অতুল বৰ্মন ( " বাণিজ্য)
৩য় আজাকল ইচলাম (টি,ডি,চি, ১ম বাঃ কলা)



### ৪০০ মিঃ ৰিলে ৰেচ (Relay Race)

১ম সৰ্বশ্ৰী চানমোহন বৈশ্য (টি,ডি,চি, ১মবাঃকলা)
" দীনেশ পাঠক (পি, ইউ ২য় বাঃ বাণিজ্য)
" পুৰঞ্জিৎ তালুকদাৰ ( " )
" মকুন্দ তালুকদাৰ (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় নিত্যানন্দ পাঠক (টি,চিচি, ১ম বাঃ বাণিজ্য)
" ধীৰেণ কুমাৰ দাস (একাদশ ")
" বীৰেন কলিতা (পি, ইউ, ২য় বাঃ বাণিজ্য)
" গঙ্গা বেজবৰুৱা ( " )

### ডিচকাচ থ্ৰো (Discus Throw)

১ম জগদীশ দাস (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় জীৱন বড়ো (একাদশ ")
৩য় জিতু বৰ্মন ( " )

### হাই জাম্প (High Jump)

১ম গজেন দাস (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় দীনেশ চন্দ্ৰ দাস (পি, ইউ, ২য় বাঃ বাণিঃ)
" গদাধৰ ভৰালী ( " )

### লং জাম্প (Long Jump)

১ম অতুল বৰ্মন (স্নাঃ ২য় বাঃ বাণিজ্য)
২য় আজাকল ইচলাম ( " )
৩য় ৰমজান আলি (স্না ২য় বা বাণিজ্য)

### হপ ষ্টেপ জাম্প (Hop Step of Jump)

১ম আজাকল ইচলাম (টি, ডি, চি, ১ম বাঃ কলা)
২য় মুকুন্দ তালুকদাৰ (স্না ২য় বাঃ বাণিজ্য)
৩য় গজেন দাস ( " )
" পুৰঞ্জিৎ তালুকদাৰ (পি, ইউ, ২য় বা বাণিঃ)
" মহাদেৱ পাঠক (টি, ডি, চি, ১ম বাঃ কলা)

### পল ভল্ট (Pole Volt)

১ম দীবাকৰ দাস (স্নাঃ ২য় বাঃ কলা)
" মোহন বসুমতাৰী ( " )
২য় কৃপা নাথ (একাদশ বাঃ কলা)

### শ্ৰেষ্ঠ ক্ৰীড়াবিদ

শ্ৰীপুৰঞ্জিৎ তালুকদাৰ (পি, ইউ, ২য় বাঃ বাণি)

## ছাত্ৰী জিৰণি কোঠাৰ প্ৰদৰ্শনীৰ ফলাফল

### এমব্ৰোইদাৰী ( Embroidary )

১ম—কুসুম চৌধুৰী (পি, ইউ, ২য় বাঃ বাণিজ্য)
২য়—সবিতা আগৰৱালা ( " )
৩য়—মধু চৌধুৰী ( " )

### হাতে বোৱা কাপোৰ (Woven Cloth)

১ম—ভটিমা কুমাৰী নাথ (পি ইউ, ২য় বাঃ কলা)
২য়—হেলেন মণি দাস (টি, ডি, চি, ১ম বাঃ কলা)
৩য়- নাই

### ক্ৰচটিছ (Crosstich)

১ম—অনিতা খেটোৱাৰ্চ (একাদশ বাঃ বাণিঃ)
২য়—কুসুম চৌধুৰী (পি, ইউ, ২য় বাঃ বাণিজ্য)
৩য়—সবিতা আগৰৱালা ( " )

### পেইন্টিংছ (Paintings)

১ম—গোলাপ শৰ্মা (পি, ইউ, ২য় বাঃ বাণিজ্য)
২য়—শান্তনু দাস (একাদশ বাঃ বাণিজ্য)
৩য়—কনুমী দাস (স্নাঃ ২য় বাঃ কলা)

টিকট সংগ্ৰহ (Philatelly)

১ম—বিনীতা সাহা (একাদশ বাঃ কলা)
২য়—ৰমনী ডেকা (টি, ডি, চি, ১ম বাঃ '' )
৩য়—পূনম চৌধুৰী (পি, ইউ, ২য় বাঃ বাণিজ্য)

মুদ্ৰা সংগ্ৰহ (Coim Callection)

১ম—দীপক কুমাৰ ধাৰাসাবিয়া (একাদশ বাঃ বাণিঃ)
২য়—নাই, ৩য়—নাই
নিচুকনি—এ, কে, আলি (স্নাঃ ২য় বাঃ বাণিজ্য)

পুষ্প সজ্জা Flower Decoration)

১ম—নাই
২য়—কাশ্মিৰী বৰকাকতি (একাদশ বাঃ বাণিঃ)
৩য়—হেলেনমণি দাস (টি, ডি, চি, ১ম বাঃ কলা)

পুতুলা সজ্জা (Doll Decoration)

১ম—সবিতা মাহেশ্বৰী (একাদশ বাঃ বাণিজ্য)
২য়—ডিম্বেশ্বৰ শৰ্মা (স্নাঃ ২য় বাঃ বাণিজ্য)
৩য়—নাই

নিটিং (Knitting)

১ম—সবিতা মাহেশ্বৰী (একাদশ বাঃ বাণিঃ)
২য়—নাই, ৩য়—নাই

## খেল বিভাগ

কেৰাম (দ্বৈত)

১ম—গীতামণি বৰা (একাদশ বাঃ বাণিজ্য)
১ম—কানন মেধি (স্নাঃ ২য় বাঃ বাণিজ্য)

ৰাণাৰ্চ

২য়—জহুৰা বেগম (পি, ইউ, ২য় বাঃ কলা)
২য়—প্ৰভা দাস (এইচ, এছ, ১ম বাঃ কলা)

চাইনিচ চেকাৰ

১ম—সবিতা আগৰৱালা ( পি, ইউ, ২য় বাঃ বাঃ )
২য়—চম্পা সাহা (টি, ডি, চি, ১ম বাঃ কলা)

কেৰাম একক

চেম্পিয়ন :
১ম—গীতামণি বৰা (একাদশ বাঃ বাণিজ্য)

ৰাণাৰ্চ :

২য়—কানন মেধি (স্নাঃ ২য় বাঃ বাণিজ্য)

নিচুকনি (Certificate only)

ৰমেনা আহমেদ (টি, ডি, চি, ১ম বাঃ কলা)
যমুনা কৰ্মকাৰ (একাদশ বাৰ্ষিক বাণিজ্য)
কপুমী দাস (স্নাতক ২য় বাৰ্ষিক কলা)

পাণ্ডুলিপি :

১ম—বলোদেৱ ৰাভা (টি, ডি, চি, ১ম বাঃ কলা)
২য়—ডিম্বেশ্বৰ শৰ্মা (বি, কম ২য় বাঃ বাণিজ্য)

## ব্যায়াম বিভাগৰ ফলাফল

দেহশ্ৰী প্ৰতিযোগীতা

প্ৰথম—বিজয় শৰ্মা ( মিঃ বি, এইচ ) উচ্চতৰ
দ্বিতীয়—গণপতি দাস (স্নাঃ ১ম বাঃ বাণিজ্য)
৩য়—জগদীশ দাস (স্নাঃ ২য় বাঃ বাণিজ্য)

আসন প্ৰতিযোগীতা

প্ৰথম—বিমল কান্তি বৰ্মণ (স্নাঃ ১ম বাঃ কলা)
২য়—গণপতি দাস ( " বাণিজ্য)
৩য়—জগদীশ দাস ( " ২য় " )



শক্তি উত্তোলন :

প্ৰথম—জগদীশ দাস (স্নাঃ ২য় বাঃ বাণিজ্য)
২য়—জয়ন্ত নাথ ( " ১ম বাঃ " )
২য়—চক্ৰপাণী দাস (উচ্চতৰ মাঃ ১ম বাঃ বাঃ)

ভাৰ উত্তোলন :

প্ৰথম—জগদীশ দাস (স্নাঃ ২য় বাঃ বাণিজ্য)
(Mr. Strong man)
২য়—মুনীন্দ্ৰ দাস (উচ্চতৰ মা° ১ম বাঃ বাণিজ্য)
৩য়—দীনেশ পাঠক ( " ২য় বাঃ " )

পাঞ্জা প্ৰতিযোগীতা :

চেম্পিয়ন—ৰলেন কাকতি (স্নাঃ ২য় বাঃ বাণিজ্য)
ৰাণাৰ্চ আপ—ডিম্বেশ্বৰ গোস্বামী ( " )
ৰাণাৰ্চ আপ—দীনেশ পাঠক (উচ্চতৰ মাধ্যমিক ১ম বাঃ বাণিজ্য)

## গুৰু খেল বিভাগৰ ফলাফল

শ্ৰেষ্ঠ ক্ৰিকেট খেলুৱৈসকল :

১। সৰ্বশ্ৰী নিলজন বৰপূজাৰী (শ্ৰেষ্ঠ খেলুৱৈ)
২। গৌতম চৌধুৰী।
৩। ৰনীন দাস।
৪। ডিম্বেশ্বৰ খেৰকটাৰী।
৫। পুতুল কুমাৰ পাঠক।
৬। গুণজিৎ দাস।
৭। জয়ন্ত সাহা।
৮। মদন দাস
৯। ভগৱান নাথ।
১০। চাহজাহান আলি।
১১। কমল চৌধুৰী।
১২। প্ৰদীপ দাস।
১৩। শিতাৰ খাচ্।
১৪। সুব্ৰত বৰ্দ্ধন।

১। দলৰ সু-খেলুৱৈ— শ্ৰীডিম্বেশ্বৰ খেৰকটাৰী
২। শ্ৰেষ্ঠ বেট্‌চ্‌মেন—শ্ৰীসুৰেন্দ্ৰ বোধ্। (একাদশ ১ম বাঃ বাণিজ্য)
৩। শ্ৰেষ্ঠ বোলাৰ—দিলীপ চৰাফ ( " )

ফুটবলৰ শ্ৰেষ্ঠ দল :
(স্নাতক, ২য় বাৰ্ষিক কলা)

১। সৰ্বশ্ৰী কনক দাস (দলপতি)
২। চতিন নাথ
৩। অৰবিন্দ নাথ
৪। প্ৰেমানন্দ নাথ
৫। ফনিধৰ দাস
৬। সুভাষ দাস
৭। নিতিশ মালিক।
৮। মজাহৰুল ইচলাম
৯। ইমাচ্ আলি আহমেদ
১০। আফুজ উদ্দীন
১১। গোলাম হুচেইন
১২। স্বপন কুমাৰ ৰয়
১৩। নিৰেণ শ্মা
১৪। অজিত চন্দ্ৰ বড়ো
শ্ৰেষ্ঠ খেলুৱৈ —প্ৰশান্তকণজিৎ গয়াৰী। (একাদশ ১মঃ বাঃ বাণিজ্য)

## ক্ৰীড়া বিভাগৰ ফলাফল (ছোৱালী)।

১০০ মিটাৰ আৰু ২০০ মিটাৰ দৌৰ
(100/200 mts Race)

১ম মিছ্ অমিয় নাথ (একাদশ বাঃ কলা)
২য় " ফিৰদোচি বেগম ( " )
৩য় " ধুনচা দাস (পি, ইউ ২য় বাঃ কলা)

২০০ মিটাৰ খোজকঢ়া
(200 mts Wolking Race)

১ম মিছ্ অমিয় নাথ ( " )
২য় " ফিৰদোদি বেগম ( " )
৩য় নাই

হাৰডেল ৰেচ্ (Hardle Race)

১ম মিছ্ অমিয় নাথ (পি, ইউ ২য় বাঃ কলা)

শ্বটপুট (Shot put)

১ম মিছ্ মাধৱীলতা দাস (পি, ইউ ২য় বাঃ কলা)
২য় " অমিয় নাথ (একাদশ বাঃ কলা)
৩য় " ধুনচা দাস (পি, ইউ ২য় বাঃ কলা)

ৰছিটনা (Tag of war) (১ম দল)

১ম মিছ্ ফিৰদোচি বেগম (একাদশ বাঃ কলা)
২য় " অমিয় নাথ ( " )
৩য় মিচ্ গৰিমা দাস (একাদশ বাঃ কলা)
৪র্থ " প্ৰণীতা নাথ ( " )
৫ম " গুনৱতী তালুকদাৰ ( "বাণিঃ )

মিউজিক চেয়াৰ (Music Chair)

১ম মিছ্ অমিয় নাথ (একাদশ বাঃ কলা)
২য় " গৰিমা দাস (পি, ইউ ২য় বাঃ কলা)

বেলেন্স ৰেচ্ (Balance Race)

১ম মিছ্ ধুনচা দাস (পি, ইউ, ২য় বাঃ কলা)

যাঠি দলিওৱা (Jabline throw)

১ম মিছ্ অমিয় নাথ (একাদশ বাঃ কলা)
২য় " মাধৱীলতা দাস (পি, ইউ ২য় বাঃ কলা)
৩য় " জহুৰা বেগম ( " )
১ম শ্ৰীধুনুচা দাস (পি,ইউ, ২য় বাঃ কলা)
২য় ,,অমিয় নাথ (একাদশ বাঃ কলা)
৩য় মাধৱীলতা দাস (পি,ইউ, ২য় বাঃ কলা)
১ম ফাৰিদা বেগম (একাদশ বাঃ কলা)
২য় শ্ৰীপ্ৰভা দাস ( " )
২য় ,, অমিয় নাথ ( " )

## ছাত্ৰ জিৱণি কোঠাৰ ফলাফল

ব্ৰিজ প্ৰতিযোগিতা

১ম শ্ৰীমুকুল ডেকা (২য় বা বাণিজ্য)
" পৰেশ কলিতা ( " )
২য় " নৰেন সনোৱাল ( " )
" মানিক চন্দ্ৰ মণ্ডল ( " )

টেবুল টেনিছ একক

১ম " বিজয় কুমাৰ হৰলালকা (পি, ইউ, ২য় বাঃ বাণিজ্য)
২য় " সুৰেন্দ্ৰ বোথ্ৰা (একাদশ বাণিজ্য)

টেবুল টেনিছ দ্বৈত

১ম " বিজয় কুমাৰ হৰলালকা (একাদশ বাণিজ্য)
" সজল কুমাৰ দেব (স্না ২য় বাৰ্ষিক বাণিজ্য)
২য় " সুৰেন্দ্ৰ বোথ্ৰা (একাদশ বাণিজ্য)

ডাবা প্ৰতিযোগিতা

১ম "বিজয় কুমাৰ হৰলালকা (পি,ইউ, ২য় বাঃ বাণিঃ)
২য় " সুৰেন্দ্ৰ বোথ্ৰা (একাদশ বাণিজ্য)



মিশ্ৰ দ্বৈত কেৰম

১ম " মনোজ আগৰৱালা (স্না ১ম বাঃ বাণিঃ
" সৰিতা মাহেশ্বৰী (একাদশ বাণি)
২য় " বলেন কাকতি (স্না ২য় বা বাণিজ্য)
" দীপিকা দাস (পি, ইউ, ২য় বা কলা)

কেৰম একক

১ম " সঞ্জিত সাহা (পি, ইউ, ২য় বা বণিঃ)
২য় " জগৎ প্ৰসাদ (একাদশ বাণিজ্য)

কেৰম দ্বৈত

১ম " ৰজনী পাঠক (স্নাতক ২য় বা কলা)
" স্ফটিক কুমাৰ পাঠক ( " )
২য় " আবুছেন খন্দকাৰ (পি, ইউ, ২য় বা বাণিঃ)
" ৰবীন্দ্ৰ ৰায় ( " কলা)

শ্ৰেষ্ঠ কৰ্ম্মী

" জগৎ প্ৰসাদ শৰ্ম্মা (একাদশ বা. )
" সন্দিপ চৌধুৰী ( " )
" অনিল বেজ্ৰামী (স্নাতক ২য় বা বাণিজ্য)
" প্ৰৱীন মাহেশ্বৰী (পি, ইউ, ২য় বা বাণি)
" প্ৰাণজিৎ ভৰালী (একাদশ বাণি)

## আলোচনী বিভাগ : চিত্ৰ প্ৰদৰ্শনীৰ ফলাফল।

পেন্সিল আৰ্ট

১ম সৰ্বশ্ৰী ৰমেন্দ্ৰ নাথ দাস (স্না ২য় বাঃ বাণিজ্য)
২য় ,, বলেন কাকতি ( ,, )
৩য় ,, স্বৰ্ণধৰ দাস (পি, ইউ, ২য় বা ,,)

পেইন্টিং

নিচুকনি পুঃ বলেন কাকতি (স্নাঃ ২য় বাঃ বাণিঃ)

বেটুপাত

নিচুকনি পুঃ শান্তনু প্ৰসাদ দাস (একাদশ বাঃ বাণি

ৱাটাৰ কালাৰ

১ম ৰমেন্দ্ৰনাথ দাস (স্নাঃ ২য় বাঃ বাণি.)
২য় বলেন কাকতি ( ,, )
৩য় কাশ্মিৰী বৰকাকতি (একাদশ বাঃ বাণিঃ)

স্কেচ্

নিচুকনি পুঃ দেৱকুমাৰ দাস (স্নাঃ ২য় বাঃ বাণিঃ)

কেমেৰা ফটো

" পুঃ হিৰণ্যনাৰায়ণ অধিকাৰী (স্নাঃ ২য় বাঃ বাঃ)

অসমীয়া গল্প

২য় ফাৰিদা বেগম (একাদশ বাণিঃ)
৩য় পদ্মিনী দাস (স্নাঃ ২য় বাঃ কলা)
নিচুকনি পুঃ চন্দন মিশ্ৰ ( ,, বাণিঃ)
নিচুকনি পুঃ চম্পা সাহা (টি.ডি.চি ১ম বাঃ কলা)

অসমীয়া কবিতা

২য় গীতা পাঠক (টি, ডি, চি ১ম বাঃ কলা)
৩য় নমিতা চৌধুৰী ( ,, )
নিচুকনি পুঃ প্ৰৱীণ গায়ন ( ,, বাণিজ্য)
নিচুকনি পুঃ কৃপানাথ (একাদশ বাঃ কলা)

ৰস-ৰচনা

৩য় দেৱকুমাৰ দাস (স্নাঃ ২য় বাঃ বাণিজ্য)

অসমীয়া প্ৰবন্ধ

নিচুকনি পুঃ শুভাষ দাস (স্নাঃ ২য় বাঃ কলা)
নিচুকনি পুঃ গোপাল শৰ্ম্মা (পি,ইউ, ২য় বা বাণিঃ)

অসমীয়া ৰচনা

২য় দেৱকুমাৰ দাস (স্নাঃ ২য় বাঃ বাণিঃ)
৩য় ভগীৰথ দাস ( ,, )
নিচুকনি পুঃ প্ৰতিভা গোস্বামী (পি, ইউ ২য় বাঃ কলা)

ইংৰাজী ৰচনা

৩য় জগৎ প্ৰসাদ শৰ্ম্মা (একাদশ বাঃ বাণিঃ)
৩য় কৱিতা অনিল কুমাৰ বেজ্ৰামী (স্নাঃ ২য় বাঃ বাণিজ্য)
৩য় প্ৰবীনা দাস (একাদশ বাণিজ্য)
নিচুকনি পুঃ জগৎ প্ৰসাদ শৰ্ম্মা (" বাঃ বাণিঃ)

S. H. COLLEGE LIBRARY
P. O. Howly.
Dist. Kamrup (Assam)
Estd, 1964

Dept. No.............

Acc. No.............

ঃ কলেজৰ নৱ-নিৰ্মিত গ্ৰন্থাগাৰ ও অধ্যয়ন কক্ষ ঃ



স্থাপিত ঃ ১৯৮৫ চন্ ।